# নগাঁও ছোৱালী কলেজ

## আলোচনী

।। ত্ৰয়োদশ সংখ্যা ঃ

১৯৯১-৯২ চন ।।

সম্পাদিকা

ৰবী দত্ত

NAGAON GIRLS' COLLEGE MAGAZINE : A collection of Essays, Short-stories Poems etc. Published by Principal Bimal Kumar Borah, Edited by Boby Dutta.
Printed at SUCHANDA PRESS : B. Mahanta Road, Nagaon 782001 (Assam)

নগাঁও ছোৱালী কলেজ
**আলোচনী সম্পাদনা সমিতি:**

অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা
উপধ্যক্ষা শ্ৰীতৰু বৰুৱা
অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা (তত্বাৱধায়ক)
" শ্ৰীঅপূৰ্ব শৰ্মা
" শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ
" শ্ৰীমহেন্দ্ৰ নাথ শইকীয়া
" শ্ৰীগুণধৰ গগৈ
" শ্ৰীপ্ৰভাত বৰা
" শ্ৰীগৌতম কুমাৰ গোস্বামী
অধ্যাপিকা শ্ৰীস্বপ্না নেওগ
শ্ৰীববী দত্ত (আলোচনী সম্পাদিকা)
শ্ৰীগীতামণি বৰা (সা: সম্পাদিকা)

প্ৰকাশকঃ—অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা

প্ৰকাশঃ—ত্ৰয়োদশ সংখ্যা, ১৯৯১-৯২ চন,

ছপাঃ— সুছন্দা প্ৰেছ: বীৰেন মহন্ত পথ
আমোলাপট্টি : নগাঁও-৭৮২০০১

## বিদায়ী অধ্যাপিকা শ্ৰীযুতা ওৱাহিদা হুছেইন :



*শিক্ষাৰ ইতিহাসত ১৯৬২ চন নগাঁও বাসী বাইজৰ গৌৰৱ-পূৰ্ণ বছৰ। সেই বছৰৰে ১২ চেপ্তেম্বৰত স্ত্ৰী উচ্চ শিক্ষাৰ বাবে শুভাৰম্ভ কৰা হয় নগাঁও ছোৱালী কলেজৰ। সেই প্ৰতিষ্ঠা দিৱসৰ লগনতে বুৰঞ্জী বিভাগৰ অধ্যাপিকা ৰূপে যোগদান কৰে শ্ৰীযুতা ওৱাহিদা হুছেইনে। সুদীৰ্ঘ ত্ৰিশ বছৰ কাল কলেজত অধ্যাপনা কাৰ্য্যত নিজক নিয়োজিত কৰা অমায়িক, মৃদুভাষী, কৃতী অধ্যাপিকা শ্ৰীযুতা ওৱাহিদা হুছেইনে ১৯৯২ চনৰ ৩০ নৱেম্বৰত কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰে।*

*ছাত্ৰী-অধ্যাপিকা সমূহৰে শ্ৰদ্ধা আৰু মৰমৰ অধ্যাপিকা শ্ৰীযুতা হুছেইনৰ হাতত এই সংখ্যা কলেজ আলোচনী তুলি দিয়া হ'ল।*

*// কলেজ আলোচনী সম্পাদনা সমিতি //*

# সূচী-পত্ৰ ঃ


● তত্ত্বাৱধায়কৰ একাষাৰ ঃ খ

● সম্পাদকীয় ঃ ঘ

**প্ৰবন্ধ:**

জ্যোতিপ্ৰসাদৰ ৰূপালীম ঃ ৰুণু দাস ॥১॥ নাৰী জাগৰণ আৰু অসমৰ নাৰী সমাজ ঃ মালামণি বৰা ॥৯॥ হেম বৰুৱাৰ লেখনিত এভূমুকি ঃ ৰবী দত্ত ॥১৩॥ চিত্ৰকৰ পলগৰ্গা ঃ মৌচুমী শইকীয়া ॥১৭॥ সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ঃ কমী হাজৰিকা ॥২০॥

**গল্প :**

॥ মই আৰু গল্প নিলিখোঁ ঃ নিৰুপ্ৰভা ভূঞা ॥২৫॥ এক অভিনয় ঃ বেবী তামুলী ॥২৯॥ অপূৰ্ণ বাসনা ঃ ডলি বৰুৱা ॥৩৪॥ অনুৰাগ ঃ জয়াপ্ৰভা বড়ো ॥৩৯॥ দৃঢ়তা ঃ তৃষ্ণা শইকীয়া ॥৭৪॥ অবিনাশৰ বিনাশ ঃ দীপামণি বৰা ॥৪৭॥ আগলি বতাহ ঃ অঞ্জু বৰা ॥৫১॥ অভিমান ঃ বৰ্ণালী বৰা ॥৫৪॥ ভাগ্যৰ পৰিহাস ঃ মুনীন্দ্ৰ শইকীয়া ॥৬৬॥

**কবিতা ঃ**

॥ এটি প্ৰশ্ন ভ্ৰাতৃঘাতীলৈ / মোৰ কবিতা ঃ অশ্ৰুমণি বৰা ॥৭৩॥ বিপ্লবী ঃ গীতাঞ্জলি দৰা ॥৭৪॥ ॥ সমাজ শিল্পী ঃ ৰঞ্জু বৰা ॥৭৬॥ বিশ্বপ্ৰেম ঃ চম্প্যা দাস ॥৭৫॥ ৰাঙলী সূৰুজ ঃ মায়া বৰদলৈ ॥৭৫॥ মোৰ সপোনেৰে ঃ মইনামতী বায়ন ॥৭৬॥ এটি উদিত সূৰ্য্য বিচাৰি ঃ মহিৰাণা বৰদলৈ ॥৭৭॥ তথাপিও ভাল পাওঁ মই ঃ মৰমী দেৱী ॥৭৭॥ শান্তিৰ প্ৰহৰ ঃ বিন্তী দাস ॥৭৮॥ স্বীকাৰোক্তি ঃ ইয়াছমিন আলী ॥৭৮॥ সিঙঁৰিত ডাচ কেপিতেলৰ পাতবোৰ ঃ পূৰবী বৰুৱা ॥৭৯॥ মৃত্যুৰ বিভীষিকা ঃ নিতুমণি বৰা ॥৭৯॥ অন্য এক স্কেচ দুঃস্বপ্নৰ ঃ ৰবী দত্ত ॥৮০॥ ॥ চিঞৰ ঃ বিউতি পাল ॥৮০॥ তিনিৰ মাহাত্ম্য ঃ জোনমণি ফুকন ॥৮১॥ বিষণ্ণ প্ৰহৰ ঃ স্বপ্না মণি দাস ॥৮১॥ বিহুৰ পিঠাৰে মিটিং ঃ পদুমী ৰজা ॥৮২॥

**সাক্ষাৎকাৰ ঃ**

শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা ॥৮৫॥ শ্ৰীযুত হীৰেণ ভট্টাচাৰ্য্য ॥৮৯॥ শ্ৰীযুত হিতেশ ডেকা ॥৯০॥ শ্ৰীযুতা মলয়া গোস্বামী ॥৯২॥

সম্পাদিকাসকলৰ প্ৰতিবেদনসমূহ ঃ (ক—ঞ)

# তত্ত্বাৱধায়কৰ একাষাৰ ঃ

নগাঁও ছোৱালী কলেজ আলোচনীৰ বছৰেকীয়া সংখ্যাটো ছাত্ৰীসকলৰ বিচিত্ৰ লেখনি সম্ভাৰ বুকুত সামৰি লৈ প্ৰতি বছৰে প্ৰকাশ হৈ আহিছে আৰু এই বছৰৰ খনো প্ৰকাশ কৰি উলিওৱা হৈছে, ই সঁচাই বৰ সুখৰ কথা হৈছে। লেখিকাসকলৰ মনোমুকুৰত সঞ্চিত হৈ থকা প্ৰকাশ-বাসনাৰ দুৱাৰ খুলি তেওঁলোকৰ অনুভূত মানুহৰ জীৱনৰ বিচিত্ৰ কাহিনী, জগতত সংঘটিত ন-ন সৌন্দৰ্য্য আৰু কদৰ্য্যৰ কাহিনী, পাপ-পুণ্যৰ লোমহৰ্ষক ৰূপ, প্ৰকৃতিৰ মন উতলা কৰা সৌন্দৰ্য্যৰাশি আৰু মানুহৰ মানবীয় আৰু দানবীয় কাৰ্য্যৰ অন্তৰালৰ কথা সত্য আৰু সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ সুবিধা দিছে কলেজ আলোচনীখনে। সাহিত্য সৃষ্টিত বাস্তৱতাক আদৰ কৰা হয় যদিও নগ্ন-বাস্তৱতাক কোনেও গ্ৰহণ নকৰে। সেইবাবে সাহিত্যৰ ওপৰত বাস্তৱৰ আদৰ্শৰ চাপহে থাকিব লাগে। ভাষাৰ মাধ্যমত যি কোনো কথা লিখি দিলেই সাহিত্য নহয়। তেনে হোৱা হ'লে প্ৰাত্যহিক কাকতত যিমানবোৰ লেখনি বাতৰি ৰূপত বা অন্য ৰূপত প্ৰকাশ পায়, সেই সকলোবোৰেই সাহিত্য হ'লহেঁতেন। কিন্তু সেইবোৰে ফটা কাকতৰ পাচিতহে ঠাই পায়। তেনে লেখনি গৰু-ঘোঁৰাৰ বিষয়ে লিখা ৰচনাৰ উৰ্দ্ধত উঠিব নোৱাৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰে কবিতা 'ভিতৰৰ তাগিদ' বোলাৰ দৰে সাহিত্যিকে লিখা আটাইবোৰ সাহিত্য সম্ভাৰেই 'ভিতৰৰ তাগিদ' হ'লেহে সেই সৃষ্টি সাৰ্থক হয় আৰু পাঠকৰ হিয়া-মন টানি লয়। আমাৰ লেখিকা ছাত্ৰীসকলে জ্যেষ্ঠ আৰু প্ৰতিষ্ঠাবান সাহিত্যিকসকলৰ শ্ৰেষ্ঠ লেখনিসমূহ মনপুতি পঢ়ি তেওঁলোকৰ অন্তৰত সুপ্ত হৈ থকা প্ৰতিভা অঙ্কুৰিত হ'বলৈ সুযোগ দিব লাগে। **কলেজ আলোচনীখন তেওঁলোকৰ বাবে এখনি ফুলনি বাগিছা। মালিনী হৈ তেওঁলোকে তাত অলেখ-অযুত পাৰিজাত ফুল ফুলাব লাগে।** ব্যঙ্গ-কৌতুকেৰে তেওঁলোকে হহুৱাই-কন্দুৱাই, কবিতাৰ ব্যঞ্জনাৰ সৌন্দৰ্য্যৰে আনন্দ বিৰিঙাই আৰু নাটক-উপন্যাস-চুটিগল্পৰে জীৱনৰ সঁচা চিত্ৰ দেখুৱাই ৰস-পুষ্টি সাধন কৰি আনন্দ দিব লাগে আৰু নিজৰ সৃষ্টিৰ ৰং-ৰূপ নিজে চোৱাৰো সুযোগ গ্ৰহণ কৰা উচিত।

কিন্তু প্ৰতি বছৰে আলোচনী প্ৰকাশ পালেও আলোচনীৰ মানদণ্ড উৰ্দ্ধগামী হৈছে বুলি ক'ব নোৱাৰি। ইয়াৰ প্ৰধান কাৰণ হ'ল ছাত্ৰীসকল ভাবত একেবাৰে তৰাং, অধ্যয়নৰ প্ৰতি উদাসীন, প্ৰকাশ বাসনাহীন আৰু সুপ্ত প্ৰতিভা বিকাশৰ প্ৰতি অনীহা। ফলস্বৰূপে আলোচনীত ঠাই দিব লগা লেখনিৰ অভাৱ আৰু আলোচনী প্ৰকাশৰ গতি মন্থৰ। তদুপৰি আলোচনী সম্পাদিকাৰ কাৰ্য্য সম্পাদনৰ বাবে যোগ্যতা থকা সম্পাদিকা নোহোৱাটোও আলোচনীৰ মান নিম্নগামী হোৱাৰ অন্যতম প্ৰধান কাৰণ। আলোচনী সম্পাদিকাই আলোচনীখন প্ৰকাশৰ বাবে যুগুতাওঁতে কি কি খিনি দায়িত্ব পালন কৰিব লাগে সেইখিনি কথা তেওঁৰ অগ্ৰজ সম্পাদিকাৰ পৰা নাইবা তত্বাৱধায়কৰ পৰা শিকি ল'ব লাগে। সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাৰ পিছতেই তেওঁৰ প্ৰশিক্ষণৰ কাল। প্ৰশিক্ষণ নোলোৱাৰ বাবেই আলোচনীৰ বাবে কৰিব লগা একো কামেই নেজানে। শিকাৰ মানসিকতা সম্পাদিকাৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য। তাৰ পিছতে আলোচনীৰ বাবে লেখনিকে আদি কৰি যাৱতীয় সা-সৰঞ্জাম সংগ্ৰহ আৰু অধ্যক্ষ, তত্বাৱধায়ক, সম্পাদনা সমিতি আৰু প্ৰেছৰ লগত সমন্বয় স্থাপন কৰি, আলোচনীখন সুন্দৰৰূপে কেনেকৈ প্ৰকাশ কৰিব পাৰে তাৰ প্ৰতি সততে যত্নপৰ হ'ব লাগে। আজি দুবছৰ মানৰ পৰা আলোচনী সম্পাদিকাসকল সোৰোপা, অকামিলা আৰু পলায়নবাদী মনৰ দেখিবলৈ পোৱা গৈছে। পৰিণাম স্বৰূপে কলেজ আলোচনীৰ প্ৰকাশ ত্ৰুটীপূৰ্ণ হৈছে, প্ৰকাশৰ সময়ো পিছুৱাই গৈছে। আশাকৰোঁ ভৱিষতে কলেজ আলোচনীৰ সম্পাদিকাৰ দায়িত্ব পালন কৰিব খোজা ছাত্ৰীসকল অধিক দায়িত্বশীল, গুণী, অধ্যৱসায়ী আৰু অধ্যয়নপুষ্ট মনৰ অধিকাৰী হ'ব।

শেষত, এই সংখ্যা কলেজ আলোচনী প্ৰকাশৰ বিভিন্ন কামত সহায় আগবঢ়োৱা সংশ্লিষ্ট সকলো সুধীজনলৈ শলাগ আৰু ধন্যবাদ আগবঢ়ালোঁ।

**শ্ৰীকৃষ্ণ ধৰা,**
আলোচনী তত্বাৱধায়ক।

# সম্পাদকীয়

ছাত্র সমাজৰ ভৱিষ্যত উজ্জ্বল বুলি ভাবি আজিৰ সচেতন লোকে দেৱ-দুৰ্লভ আনন্দ লাভ নকৰে। আজি আমাৰ ছাত্ৰ-সমাজক বিভিন্ন কু-প্ৰভাৱে অক্টোপাছৰ শুঁৰৰ দৰে মেৰীয়াই ধৰিছে। আজিৰ যুৱক-যুৱতীসকলৰ বেছি ভাগেই উশৃংখল জীৱন-যাপনত মগ্ন। ড্ৰাগছ, বলাৎকাৰ অশ্লীল কথাছবি দৰ্শন, ডকাইতি আদিৰ প্ৰতি আকৃষ্ট আজিৰ বেছি ভাগ যুৱক তথা ছাত্ৰ। দৈনিক বাতৰি কাকতত প্ৰকাশ পায় যুৱ তথা ছাত্ৰ সকলৰ এই কু-কীৰ্ত্তি। ছাত্ৰ তথা যুৱ সমাজৰ এই অধঃপতনে সমাজক কৰি তুলিছে পঙ্গু। সচেতন লোকসকলৰ অন্তৰ কৰি তুলিছে অশ্ৰুপ্লাৱিত। ডকাইতি আৰু সন্ত্ৰাসবাদী কাৰ্য্যই সমাজক কৰি তুলিছে আতংকিত। অশ্লীল কথাছবিয়ে ছাত্ৰ তথা যুৱ সকলৰ স্বৰ্ণ-পদ যৌৱন ধ্বংস কৰিছে। ধৰ্ষিতা হৈছে বহু যুৱতী। ড্ৰাগছ সেৱনৰ ফলত উত্তৰ পূৰ্বাঞ্চলত ভয়াবহ ভাৱে বৃদ্ধি পাবলৈ ধৰিছে এইড্ছৰ বিভীষিকা। এচাম ছাত্ৰ আকৌ আকৰ্ষিত সক্ৰিয় ৰাজনীতিলৈ। এই ছাত্ৰসকল এনেদৰে সক্ৰিয় ৰাজনীতিৰ লগত জৰিত হৈ পৰাত ব্যক্তি, সমাজ তথা ৰাষ্ট্ৰ সকলোৱেই ক্ষতি স্বীকাৰ কৰিবলগীয়া হৈছে। স্বল্প-বাসনাবৃত হৈ আজি আমাৰ বহুতো ছাত্ৰী আৰু যুৱতীয়ে বিভিন্ন 'ফেশ্বন্' প্ৰতিযোগিতাত অংশ লৈ নিজকে ধন্য মানিছে। আজিৰ বেছি ভাগ ছাত্ৰী তথা যুৱতীয়ে নিজকে নন ৰূপত আধুনিকাকৈ সজাই তোলাৰ চিন্তাতে অষ্টপ্ৰহৰ মগ্ন থাকে। আটাইতকৈ দুখৰ কথাটো হৈছে আজিৰ ছাত্ৰ-সমাজ আকৰ্ষিত হৈছে দুৰ্নীতিৰ প্ৰতি। অপ্ৰিয় হ'লেও কথাষাৰ সত্য! ছাত্ৰসকলৰ বিভিন্ন কাৰ্য্য আৰু কথাত এই সত্যটি জল-জল্ পট-পট্কৈ প্ৰকাশ পায়। ছাত্ৰ সমাজত এনে এটা মানসিকতা গঢ় লবলৈ ধৰিছে যে সমাজত আত্ম-প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে ধনৰ প্ৰয়োজন আৰু ধন অহাৰ সহজ আৰু উত্তম উপায়টো হৈছে দুৰ্নীতি। জীৱন-পথৰ অতি পবিত্ৰ মধুৰ আৰু ভৱিষ্যতে সং-ব্যক্তি আৰু সু-নাগৰিক হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ নিজক গঢ়িব পৰা সময়ছোৱাই হ'ল ছাত্ৰ জীৱন। এই সময়ছোৱাক এনেদৰে চুৰা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত কি বাৰু ?

ছাত্ৰ তথা যুৱ সমাজৰ অনুজ্জ্বল ভৱিষ্যতটোৰ কথা চিন্তা কৰি সমাজৰ সকলো চিন্তাশীল লোক আজি চিন্তাক্লিষ্ট হৈ পৰিছে। উদয়াস্ত বিভিন্ন টুলুঙা চিন্তাত মগ্ন থকা এই চাম ছাত্ৰ তথা যুৱক যুৱতীক সময় থাকোঁতেই সঠিক পথলৈ আনিব নোৱাৰিলে দেশত অচিৰেই অগ্নিগৰ্ভ পৰিস্থিতিৰ সৃষ্টি হ'ব—যিটো হ'ব নিয়ন্ত্ৰণৰ বাহিৰত। এই ক্ষেত্ৰত এতিয়া এক বিপ্লৱ গঢ়ি তুলিবৰ হ'ল। এই বিপ্লৱৰ গুৰি ধৰিব লাগিব অভিভাৱক আৰু শিক্ষকসকলে। চৰকাৰ, বুদ্ধিজীৱী, সাহিত্যিক লগতে সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগিব। ইয়াকে কৰিব নোৱাৰিলে ছাত্ৰ তথা যুৱক-যুৱতীসকলৰ এনে অধঃপতন ৰোধ কৰা দুৰূহ কাৰ্য্য হৈ পৰিব।

"A man is known by the company he keeps." এই কথাষাৰ প্ৰত্যেক অভিভাৱকে বেদবাক্যৰ দৰে মনত ৰখা উচিত। নিজৰ ল'ৰাটোৱে বা ছোৱালীজনীয়ে লোৱা সঙ্গবোৰৰ ওপৰত অভিভাৱকে তীক্ষ্ণ দৃষ্টি ৰখা উচিত। কিয়নো সৎ-সঙ্গত থাকিলে, সৎ আলোচনা কৰিলে সৎ গুণৰ অধিকাৰী হ'ব পাৰি। ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুবৰ্ত্তিতাৰ ওপৰত অত্যধিক গুৰুত্ব দিয়াটো অভিভাৱক আৰু শিক্ষকসকলৰ প্ৰধান কৰ্ত্তব্য। স্কুল-মহাবিদ্যালয়ৰ নিয়ম-শৃঙ্খলা কঠোৰ ভাৱে মানি চলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষকসকলে বাধ্য কৰাব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ অধঃপতন ৰোধ কৰাত পুথিভঁৰালসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। পুথিভঁৰালসমূহে ছাত্ৰ ছাত্ৰীক মহৎ লোকসকলৰ লগত পৰিচয় কৰাই দিব পাৰিব লাগিব। পুথিভঁৰালসমূহে ছাত্ৰ সমাজক এটা অধ্যয়ন পুষ্ট মন গঢ়ি দিব লাগিব। ফ্ৰান্সিছ বেকনে এষাৰ কথা কৈছিল —"Reading maketh a full man". তদুপৰি এখন ভাল কিতাপ নিৰ্ভৰযোগ্য আৰু উপকাৰী সঙ্গী। চৰকাৰো এই ক্ষেত্ৰত অধিক কঠোৰ আৰু সক্ৰিয় হোৱাৰ সময় ইতিমধ্যেই পাৰ হৈছে। ড্ৰাগছ্, অশ্লীল কথাছবি আদি অসামাজিক কাৰ্য্যত জৰিত চক্ৰটোক যেন চৰকাৰে কঠোৰ হাতেৰে দমন কৰে। বেছি সংখ্যক ছাত্ৰ তথা যুৱকৰ অধঃপতন ৰোধ কৰিবলৈ সাহিত্যিক-বুদ্ধিজীৱীসকলে প্ৰচাৰ মাধ্যমবোৰৰ জৰিয়তে এক প্ৰবল জনমত গঢ়ি তুলিব লাগিব। লগতে ছাত্ৰসকলে সক্ৰিয় ৰাজনীতিত যাতে জৰিত নহৈ কেবল সামাজিক চেতনা জাগ্ৰত কৰা কাৰ্য্যতহে ব্ৰতী হয় তাৰ প্ৰতি সমাজে অহৰহ দৃষ্টি ৰখাৰ প্ৰয়োজন। এই সকলোবোৰৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলক সকল পঢ়া-শুনাতেই ব্যস্ত নাৰাখি শাৰীৰিক, মানসিক, সামাজিক আদি সৰ্বপ্ৰকাৰৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। কথিত আছে যে –"All work and no play makes Jack a dull boy." অৰ্থাৎ খেলা-ধূলা নকৰাকৈ বা

অৱসৰ বিনোদনৰ প্ৰতি পিঠি দি কেৱল পঢ়া কিতাপতে মূৰ গুজি থাকিলে ছাত্ৰৰ বুদ্ধিবৃত্তি ভোটা হয়।

সকলো সমস্যাৰে এটা সমাধানৰ পথ থাকে। আজি আমাৰ ছাত্ৰ সমাজত দেখা দিয়া এই সমস্যাৰো এটা সমাধানৰ পথ নিশ্চয় ওলাব। আমাৰ ছাত্ৰ সমাজখন সবল-সুস্থ আদৰ্শবাদী হৈ গঢ় লৈ উঠিব বুলি আমি আশাবাদী।

সম্পাদনাৰ কামটো সাধাৰণতেই জটিল কাম। আমাৰ নগাঁও ছোৱালী কলেজৰ আলোচনী সম্প্যাদনাৰ ক্ষেত্ৰত লাভ কৰা তিতা-কেঁহা অভিজ্ঞতাবোৰে মোক বাৰুকৈয়ে হতাশ কৰি তুলিছিল। আলোচনীখন যে পোহৰলৈ আনিব পাৰিম বহুদিনলৈ মই ভাবিবই পৰা নাছিলোঁ। জীৱনৰ মানসিক চিন্তা প্ৰকাশৰ উদ্দেশ্যেই লিখকে লিখে। আমিও এই সংখ্যাৰ আলোচনীখনিত কিছু লিখনি পাঠকলৈ আগবঢ়াইছোঁ। লিখনিৰ মানদণ্ডৰ ওপৰত ভিত্তি কৰি প্ৰকাশ কৰিবলৈ আমি নিৰ্বিচাৰিলোঁ। মাথো নতুন লিখকৰ প্ৰতিভাক উৎসাহ যোগাবলৈহে চেষ্টা কৰিছোঁ। নানান কাৰণবশতঃ এই সংখ্যাটি আপোনালোকৰ হাতত তুলি দিয়াত পলম হৈছে। তাৰ বাবে আমি দুঃখীত। মহাবিদ্যালয়ৰ আলোচনীখনিৰ মানদণ্ড উন্নত কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা হোৱা নাছিল, কিন্তু প্ৰয়োজনীয় লিখনিৰ অভাৱৰ বাবেই মানদণ্ড কিছু কমি যোৱা অনুভৱ কৰিছোঁ।

আমাৰ এই সংখ্যাটি প্ৰকাশৰ কাৰ্য্যত বিশেষ ভাবে সহায়, পৰামৰ্শ আগবঢ়োৱা বাবে অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা চাৰ প্ৰমুখ্যে শিক্ষক তত্বাৱধায়ক শ্ৰীকৃষ্ণ বৰা চাৰ, শ্ৰীতিলক মজুমদাৰ চাৰ, শ্ৰীঅপূৰ্ব শৰ্মা চাৰ, শ্ৰীহিমাদ্ৰি বাইদেউ লগতে সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

বিভিন্ন ক্ষেত্ৰত সু-পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোক এই কাৰ্য্যত বিশেষ পৰামৰ্শ আৰু গঠনমূলক সহায় আগবঢ়োৱাৰ বাবে মোৰ বান্ধৱী প্ৰণতি, গীতা, ছায়া, বিনীতা, ধন দা, মামণি, প্লাবিতা, বাসন্তী, আৰু বাইদেউ সৰ্বশ্ৰী সাৰদা, কৰবী, পূৰবী আৰু ভণ্টি বুলু, লীলাৱতী, ৰূপা, জুৰি লৈ মোৰ মৰম যাঁচিলোঁ।

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা, কলেজ আলোচনী সম্পাদনা সমিতি, নগাঁও সুছন্দা প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীলৈ মোৰ কৃতজ্ঞতা জনালোঁ।

**ৰবী দত্ত,**
আলোচনী সম্পাদিকা ॥

ৰুণু দাস
স্নাতক ২য় বৰ্ষ ॥

# জ্যোতিপ্ৰসাদৰ ৰূপালীম

'ৰূপালীম'—১৯৩৬-৩৭ চনত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ দ্বাৰা জনজাতীয় পটভূমিত ৰচিত এখন সাত অঙ্কীয়া নাটক। এখন কাল্পনিক নাটক হিচাপে 'ৰূপালীম'ত নাট্যকাৰে জনজাতীয় চৰিত্ৰৰ মাজেদি মানৱ চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব দেখুৱাবলৈ চেষ্টা কৰিছে। এফালে দেশপ্ৰেম আৰু আনফালে সতীত্ব বা নাৰীধৰ্ম — ইয়াকে নাট্যকাৰে নাটকীয় সমস্যাৰ মাজেদি, নাটকীয় ভাব-ভঙ্গীৰ মাজেদি প্ৰকাশ কৰিছে। এই নাটকৰ গীতৰ লগত নাটকৰ বিষয়বস্তুৰ সম্বন্ধ গভীৰ। এই নাটকত নাৰী ৰূপালীমৰ জীৱন্ত অগ্নিদাহ আৰু আজীৱন ৰূপালীমৰ পাণিপ্ৰাৰ্থী ৰুকমী ডেকা মায়াব'ৰ প্ৰাণদণ্ডৰ আদেশ আদি ঘটনাই হাজাৰ-বিজাৰ দৰ্শকৰ মন মোহিত কৰে।

'ৰূপালীম' নাটকত নাট্যকাৰ আগৰৱালাদেৱে কাহিনীতকৈ চৰিত্ৰ চিত্ৰণৰ দ্বাৰাহে পাঠকৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰা দেখা যায়। কাহিনী হিচাপে ব্যৰ্থ প্ৰেমৰ স্বাক্ষৰ থকা ই এটা ৰোমান্টিক কাহিনী। কিন্তু নাট্যকাৰে এই নাটকৰ পাতনিতে এটা কথা আমাক সকীয়াই দিছে যে তেওঁ আদৰ্শ চৰিত্ৰ চিত্ৰণ কৰিবলৈ যোৱা নাই, চৰিত্ৰৰ বৈচিত্ৰ্যহে দেখুৱাবলৈ চেষ্টা কৰিছে। প্ৰকৃততে চৰিত্ৰৰ বিচিত্ৰতা বিশেষকৈ ধৰা পৰে মণিমুঞ্জ, ৰূপালীম, ইতিভেন আৰু মায়াব'ৰ চৰিত্ৰত। এইকেইটা ব্যক্তিগত চৰিত্ৰৰ উপৰিও 'ৰুকমী' জাতি বোলা পাহাৰীয়া জনজাতিটোৰ আত্ম-প্ৰতিষ্ঠাৰ যি চেষ্টা, মাতৃভাষাৰ প্ৰতি যি স্নেহ, নাৰীত্ব আৰু সতীত্বৰ প্ৰতি যি উচ্চ ধাৰণা—সেইয়া অতি আকৰ্ষণীয়কৈ জ্যোতিপ্ৰসাদৰ 'ৰূপালীম' নাটকত প্ৰতিভাত হৈছে।

'ৰূপালীম' নাটকৰ কাহিনী এটা গতানুগতিক কাহিনী। ইয়াত বহুতো চৰিত্ৰৰ সমাবেশ ঘটিছে। নাটকখনত বৰ্ণিত কাহিনীটোতকৈ যে চিত্ৰিত চৰিত্ৰবোৰৰ প্ৰতি পাঠকৰ আকৰ্ষণ বেছি—সেই বিষয়ে নাটকখন পঢ়িলেই বুজিব পাৰি।

'ৰূপালীম' এখন ট্ৰেজিডি। কিয়নো নাটকখনৰ মাজেৰে দেখাত নায়িকা যেন লগা ৰূপালীমৰ প্ৰণয়ৰ করুণ অৱস্থান্তৰ আৰু শেষত ভয়াবহ মৃত্যু প্ৰদৰ্শন কৰিছে। গতিকে ৰূপালীমৰ প্ৰতি দৰ্শক বা পাঠক শেষলৈকে সংবেদনশীল হৈ থাকে। ঘটনাৰ বিচিত্ৰতা থাকিলেও সংঘাতৰ কৌতূহল নাটকখনত নাই। বহুতো কথা অবাস্তৱ যেন লাগিলেও পাৰিপাৰ্শ্বিকতা আৰু 'ৰুকমী' জাতিৰ পটভূমি বৈশিষ্ট্য জনাৰ পিছত ঘটনাৰ স্বৰূপ অবাস্তৱ যেন ধাৰণা হয়।

নাটকৰ মূল কাহিনী ৰূপায়িত কৰা হৈছে পূব প্ৰান্তীয় এখন পাহাৰ-ৰাজ্যক কেন্দ্ৰ কৰি। ইয়াৰ জনজাতিটোৰ নাম ৰুকমী। ৰুকমী যুৱক মায়াৱ' আৰু যুৱতী ৰূপালীমৰ মাজত সৰুৰে পৰা যি অন্তৰঙ্গতা গঢ়ি উঠিছিল সেই অন্তৰঙ্গতাৰ মাজত ৰূপালীমৰ দেউতাক জুনাকা প্ৰতিবন্ধক ৰূপে থিয় দিয়ে। অৱশ্যে জুনাকাই দিয়া চৰ্তানুসৰি যেতিয়া মায়াৱ'ই জুনাকাক এটা বাঘৰ মূৰ আনি দিয়ে, তেতিয়া জুনাকাই ৰূপালীমক মায়াৱ'লৈ বিয়া দিবলৈ সন্মত হয়। সেইসময়তে ৰেণথিয়াং নামৰ এজন প্ৰান্তীয় ডেকাই আহি 'ভূতৰ ওপৰত দানহ' পৰাদি বাঘৰ মূৰটো লৈ মায়াৱ'ৰ লগত সংঘৰ্ষত লিপ্ত হয় আৰু সেই দেশৰে ৰজা মণিমুঙ্কই ৰেণথিয়াঙক সহায় কৰাত জুনাকা আৰু মায়াৱ'ক প্ৰহাৰ কৰি ৰূপালীমক ৰাজৰাণী কৰিবলৈ বলেৰে অপহৰণ কৰি নিয়ে। তেতিয়া ৰুকমী ৰজাক জুনাকাই এই অন্যায় প্ৰতিবাদ কৰি গোচৰ দিয়ে। কিন্তু ৰুকমী ৰজাই মণিমুঙ্কৰ লগত নিজৰ স্বাৰ্থ জড়িত থকা বাবে বিচাৰ কৰিবলৈ অমান্তি হোৱাত ৰজাৰ ভনীয়েক ইতিভেনে ৰজাৰ বিৰুদ্ধে থিয় দিয়ে। তেওঁ নিজৰ দেশৰ প্ৰজাসাধাৰণকো মণিমুঙ্কৰ বিৰুদ্ধে উচটাই মণিমুঙ্কৰ দুৰ্গ আক্ৰমণ কৰে। কিন্তু মণিমুঙ্কৰ হাতত ইতিভেন বন্দী হয়। আনকালে ৰূপালীমে আনৰ অঙ্কশায়িনী হ'বলৈ প্ৰস্তুত নোহোৱাৰ বাবে কামাতুৰ মণিমুঙ্কই মায়াৱ', জুনাকা আৰু ইতিভেনক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে। তেওঁ মায়াৱ', জুনাকা আৰু ইতিভেনক মৃত্যুদণ্ডৰ ৰায় দিয়াত ৰূপালীমে অনিচ্ছা সত্বেও মণিমুঙ্কৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়—ব্যক্তি তিনিজনৰ মুক্তিৰ বিনিময়ত। কিন্তু বন্দী তিনিজনে মুক্তি পালেও বিশেষকৈ জুনাকা আৰু ইতিভেন ৰূপালীমৰ কাৰ্য্যত সন্তুষ্ট নহ'ল। গতিকে মণিমুঙ্কৰ কামনাৰ পৰা ৰূপালীমে শেষলৈ মুক্তি পালে। যদিও ৰুকমী প্ৰজাৰ প্ৰতিশোধৰ পৰা তেওঁ মুক্তি নাপালে। তাইক জীয়াই অগ্নিদাহ কৰিলে।— কাহিনী ইমানেই।

সাধাৰণতে এখন ট্ৰেজেডিত আমি দেখা পাওঁ নায়ক বা নায়িকাৰ চৰিত্ৰগত খুঁত বা দুৰ্বলতাৰ ভেটিত মৃত্যু বা ধ্বংসৰ পথ ৰচনা কৰি তাৰ মাজলৈ নায়ক বা নায়িকাক ঠেলি পঠিয়ায়। ইয়াৰ কাৰণ সেই চৰিত্ৰ যিমানেই অসামান্য নহওঁক লাগে। কিন্তু ৰূপালীমৰ ভয়াবহ মৃত্যুৰ ক্ষেত্ৰত তাইৰ চৰিত্ৰগত কোনো দোষ বা দুৰ্বলতালৈ আমি আঙুলিয়াব নোৱাৰোঁ। মাত্ৰ ৰূপালীম ৰূপশালিনী আছিল। কিন্তু অন্য দুটি চৰিত্ৰ ইতিভেন আৰু মণিমুঙ্কৰ ঈৰ্ষা আৰু কামনাৰ জুইত তাই জাহ যাব লগা হ'ল। 'হৰিণাৰ মাংসই বৈৰী' হোৱাৰ দৰে ৰূপ-যৌৱনেই তাইৰ কাল হ'ল। গতিকে তাইৰ শোকাবহ পৰিণতিয়ে দৰ্শক আৰু পাঠকবৰ্গৰ মনত বেথা আৰু পুতৌৰ ভাব জন্মায়।

অৱশ্যে ৰূপালীমক জীয়াই জীয়াই পুৰি মৰা কথাটো অৱাস্তৱ যেন লাগিলেও এতিয়াও সভ্যতাৰ আদিম স্তৰতে থকা এটা জনজাতীয় সম্প্ৰদায়ে এজনী অসতী, অপবিত্ৰ, ধৰ্ষিতা নাৰী বুলি ভবা ছোৱালীক তেনেদৰে শাস্তি দিয়াটো একেবাৰে বাস্তৱ। কাৰণ যি জাতিৰ লোকে বাঘ চিকাৰ কৰি তাৰ মূৰটো আনি দিব পাৰিলেই ছোৱালী এজনী বিয়া দিয়াৰ চৰ্ত দিয়ে, তেনে জাতিয়ে অসতী বুলি ভবা এজনী তিৰোতাক জীয়াই জীয়াই পোৰাটো অসম্ভৱ ঘটনা নহয়। কিন্তু ৰূপালীম যে শেষলৈকে অতি পবিত্ৰ আৰু নিষ্কলুষ আছিল এইকথা প্ৰতিজন পাঠকে জনাৰ পিছত প্ৰতিজন পাঠকৰ অন্তৰত কৰ নোৱাৰাকৈয়ে সংবেদনশীলতা জাগি উঠে। ট্ৰেজিক গাম্ভীৰ্য্য আৰু বিস্ময়-বিমুগ্ধ ভীতি-বিহ্বল করুণতাক কিন্তু চাঞ্চল্যজনক পৰিণতিয়ে কিছু লাঘৱ কৰিছে। বহুক্ষেত্ৰত কাৰ্য্য-কাৰণৰ ভেটিত ভাগ্য নিৰ্ণিত নহয়, অভাৱনীয় ৰূপত ভাগ্য বা দৈৱৰ গতি পৰিচালিত হয়। ৰূপালীমৰ ক্ষেত্ৰতো সেয়ে হৈছে।

ৰূপালীমৰ ট্ৰেজিক দিশটোৰ চিত্ৰণ পোৱা যায় ৰূপালীমৰ চৰিত্ৰায়নত। এই চৰিত্ৰটোৱে এটা সময়ত নাৰীত্বৰ সকলো সম্পদৰ পৰা বঞ্চিত হোৱা নিশ্চিত সম্ভাৱনাৰ মুখামুখী হৈছিল। ৰূপালীমে নিজকে ৰক্ষা কৰিবলৈ সুযোগ বিচাৰি পোৱা নাছিল। শেষ পৰ্য্যায়ত কিন্তু ৰূপালীমৰ চৰিত্ৰটোৱে এগছি মাটিৰ চাকিৰ এমুঠি কোমল পোহৰৰ উমান দি যায়। ৰূপালীম আক্ষৰিক অৰ্থত এজনী জালত পৰা হৰিণী। গতিকে ৰূপালীমে স্বদেশ আৰু স্বজাতিৰ মঙ্গল কামনাৰে তাইৰ চূড়ান্ত ত্যাগৰ কাৰণে প্ৰস্তুত হৈছে। স্বীকাৰ কৰিব লাগিব সেই প্ৰস্তুতিত বৌদ্ধিক মনোনয়নৰ অৱকাশ নাই। নায়িকা ৰূপালীমক ৰক্ষা কৰিছে তেওঁৰ নিৰ্ভেজাল প্ৰেমৰ নিষ্কম্প দীপ্তিয়ে আৰু তাৰ অনিৰ্বচনীয় প্ৰভাৱে। নিশ্চিত লাঞ্ছনাৰ পৰা নিষ্কৃতি লাভ কৰি ৰূপালীম উভতি আহিছে আপোনজনৰ মাজলৈ, কিন্তু ধুমুহা-জৰ্জৰিত এটি নিৰীহ পক্ষীৰ দৰে। অৱশ্যে যিয়েই কি নহওক ৰূপালীমৰ চৰম দুৰ্ভাগ্য ঘটিল সেইবিলাক মানুহৰ হাততে, যিবিলাকৰ প্ৰাণ ৰক্ষাৰ কাৰণে তেওঁ নাৰী জনমৰ সৰ্বস্ব হেৰুৱাবলৈ লৈছিল। সেই সময়ত ৰূপালীমৰ বাবে অকণমান সান্ত্বনাৰো নাটনি ঘটিল। আনকি পিতৃ জুনাকাইও স্পষ্ট ভাষাৰে ঘোষণা কৰিলে "ৰূপালীম অসতী।"

চৰিত্ৰ হিচাপে নাটকখনত নায়িকা বুলি ভাবিব পৰা ৰূপালীমে একক চৰিত্ৰ ৰূপে দেখা দিছে। কিন্তু ৰূপালীম ৰূপশালিনী হ'লেও তেওঁৰ প্ৰতিভাদীপ্ত মহিমা নাই। ৰূপালীম জনজাতীয় যুৱতীৰ স্বাভাৱিক সৰলতা

আৰু একনিষ্ঠতাৰেহে আকৰ্ষণীয় চৰিত্ৰৰূপে ধৰা দিছে। প্ৰেমিক মায়াৰ'ৰ প্ৰতি প্ৰেম প্ৰকাশত ৰূপালীমৰ এটা পাৰ্বত্য স্বাভাৱিকতা থকা দেখা যায়। মুঠতে ৰূপালীম নামৰ পাহাৰীয়া গাভৰুজনীৰ মাজত একপ্ৰকাৰ 'কাৰেঙৰ লিগিৰী'ৰ শেৱালি নামৰ চৰিত্ৰটিৰ পুনৰাবৃত্তি ঘটিছে বুলি ক'ব পাৰি।

ইয়াৰ বিপৰীতে ইতিভেনৰ চৰিত্ৰ বহু বেছি জটিল। ইতিভেন কৌশলী, ঈৰ্ষাপৰায়ণা আৰু ভীষণ প্ৰতিশোধপৰায়ণা। আগৰৱালাদেৱে নাৰী চৰিত্ৰৰ এনে বৈপৰীত্য বৰ স্পষ্টকৈ অঙ্কন কৰিছে। উগ্ৰ ক্ৰিয়াশীলতাৰে নাটকখনত ইতিভেনে বহুত সময়ত ৰূপালীমৰ পৰা নায়িকা পদ কাঢ়ি নিব খোজা দেখা যায়। তিৰোতাৰ ডাঙৰ শত্ৰু তিৰোতা— বিশেষকৈ সংশ্লিষ্ট পুৰুষজন যদি একেজনেই হয়। তাৰ দৃষ্টান্ত ইতিভেন। ইতিভেনৰ ৰূপালীমৰ প্ৰতি যি প্ৰতিহিংসা তাক চৰিতাৰ্থ কৰিলে তাইক পাশৱিকভাৱে জীৱন্তে চিতাত দগ্ধ কৰি। কাৰণ যাক হয়তো তেওঁ জীৱনত স্বামীৰূপে পালেহেঁতেন তাক ৰূপালীমৰ বাবেই নাপালে। ইয়েই তেওঁৰ ঈৰ্ষাৰ কাৰণ, আৰু এই ঈৰ্ষাই শেষত প্ৰতিশোধ ৰূপে প্ৰকাশ পাইছে।

ইতিভেন কেৱল স্বজাতিৰ মৰ্য্যাদা আৰু স্বদেশৰ সন্মানৰ মূৰ্ত্ত জলন্ত প্ৰতীকেই নহয়, নাৰীসুলভ প্ৰণয় আৰু ঈৰ্ষাৰ বহিকাৰূপেও ইতিভেনৰ তেজস্বিনী মূৰ্ত্তি জ্যোতিপ্ৰসাদৰ অনবদ্য সৃষ্টি। ইতিভেনৰ স্বজাতিৰ প্ৰতি যি ভাব সি প্ৰকৃততে প্ৰশংসনীয়। আনফালে তেওঁৰ অন্তৰত যি নাৰীসুলভ প্ৰণয় সেইয়া অতি নিৰ্মল। মাত্ৰ মণিমুগ্ধৰ আন এগৰাকী নাৰীৰ প্ৰতি মোহ দেখি আৰু মণিমুগ্ধৰ ব্যৱহাৰত কষ্ট হৈ তেওঁ মণিমুগ্ধৰ বাক্‌দত্তাৰূপে ভাবী স্বামীক উদ্ধাৰ কৰিবলৈ প্ৰজাক উচটাই দিলে মণিমুগ্ধৰ প্ৰান্তদেশ আক্ৰমণ কৰিবলৈ। ভুৱা বিচাৰেৰে ৰূপালীমক অসতী বুলি ঘোষণা কৰি প্ৰাণে মৰাই ঈৰ্ষা পূৰণ কৰে। মণিমুগ্ধই ৰূকমী ৰাজ্য পুৰি ছাই কৰিলে; সেই জুই আছিল ইতিভেনৰ ঈৰ্ষাৰ জুই। এইবোৰে তেওঁৰ যি বুদ্ধি-কৌশল প্ৰমাণ কৰে সেই বুদ্ধি-কৌশল সৎকামত নিয়োজিত হোৱা নাছিল। তেওঁ এগৰাকী ৰাজকুমাৰী আৰু শক্তিশালী ৰজাৰ বাক্‌দত্তা হিচাপে এজনী সাধাৰণ ছোৱালীৰ ওচৰত হাৰ মানিব নোৱাৰে। সেইবাবেই তেওঁ তেওঁৰ স্বাভাৱিক উগ্ৰতাৰে প্ৰতিকাৰৰ নানা কৌশলত লাগি গ'ল—যাৰ বাবে ৰূপালীম ধ্বংস হ'ল, ৰূকমী ৰাজ্য ধ্বংস হ'ল। অৱশ্যে ইতিভেনে অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহ কৰি বিপন্ন সতীত্বক পণ ৰাখি নহয়, প্ৰাণেৰে হেঁতালি খেলিহে স্বদেশৰ মানুহক আঠু কাঢ়ি জীয়াই থকাৰ সলনি থিয় হৈ মৰিবৰ মন্ত্ৰ শিকাইছে। জ্যোতিপ্ৰসাদৰ হাতত ইতিভেনৰ চৰিত্ৰটো কেৱল এটা আদৰ্শসম্পৃক্ত দৃষ্টিকোণৰ ৰূপত ৰূপায়িত হোৱা নাই। ইতিভেনে কেৱল ৰূপালীমৰ প্ৰতি তথা তেওঁৰ দেশৰ মৰ্য্যাদাৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈকে মণিমুগ্ধৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰা



নাছিল। সেই যুদ্ধযাত্ৰাৰ অন্তৰালত আছিল এটা প্ৰচ্ছন্ন নাৰীসুলভ ঈৰ্ষাৰ দাহন। সেইবাবেই হাতৰ সোণৰ শিকলিডালেৰে মণিমুগ্ধৰ কপালত আঘাত কৰি উঠি, পিছমুহূৰ্ত্ততে হৃদয়ৰ সমস্ত দুৰ্বলতা প্ৰকাশ কৰি পেলাইছিল। চতুৰ্থ অঙ্কত ইতিভেনৰ চৰিত্ৰৰ এই দিশটি এইদৰেই উন্মোচিত হৈছে। ইতিভেনৰ প্ৰচ্ছন্ন ঈৰ্ষাৰ অভিব্যক্তিয়ে নাটকখনক এক প্ৰশংসনীয় গতিশীলতা প্ৰদান কৰাৰ লগতে, ইতিভেনৰ চৰিত্ৰটোকো এক অপূৰ্ব বৈচিত্ৰ্যৰে স্পন্দিত কৰি তুলিছে।

মণিমুগ্ধৰ চৰিত্ৰটিৰ অভিজ্ঞতা নতুন যদিও চৰিত্ৰ সৃষ্টি হিচাপে ই এক অনন্যসাধাৰণ চৰিত্ৰ। তেওঁ সৌন্দৰ্য্যপিয়াসী, কলাপ্ৰিয়, কিছুদূৰ মইমতীয়া; কিন্তু কল্পনাপ্ৰিয় যুৱক। নিজৰ অভিমত বা অভিলাসাৰ্থে তেওঁ আনৰ মতামত, ভালপোৱা-বেয়াপোৱা বা সুখ-দুখলৈকে বহুক্ষেত্ৰত আক্ষেপ নকৰে। দেয়ে মণিমুগ্ধৰ চৰিত্ৰত ফুলৰ ৰস বিচাৰি ফুৰা পখিলাৰ বৰ্ণ বৈচিত্ৰ্য আছে; কিন্তু বিহা-কীটৰ গা বিজবিজোৱা শুংডাল ?ৰি পৰা নাই। মণিমুগ্ধৰ আবেগপ্ৰৱণ কল্পনাপ্ৰয়াসী মনে ৰূপালীমৰ ৰূপ-সৌন্দৰ্য্যত ডুব দিবলৈ ব্যাকুল হৈ সাগৰত দিশহাৰা নাবিকৰ দৰে উদ্‌ভ্ৰান্ত হৈ পৰিছে। বাক্‌দত্তা ইতিভেন আৰু 'ৰূপসাগৰৰ জীৱন্ধৰী মণিস্বৰূপা' ৰূপালীমৰ বিপৰীতমুখী আকৰ্ষণৰ টনা-আঁজোৰাত ক্ষত-বিক্ষত হৈ শেহান্তৰত ৰূপালীমৰ সৰলতা, পৱিত্ৰতা আৰু ত্যাগৰ মহিমাত তমসাৰপৰা জ্যোতিপথৰ সন্ধান পাইছে। সেইফালৰ পৰা চালে মণিমুগ্ধৰ চৰিত্ৰ বিচিত্ৰ মানৱ চৰিত্ৰৰ এক অভিনৱ সৃষ্টি। নিষ্ঠুৰতা, আভিজাত্য, বিলাস-বাসনা, সৌন্দৰ্য্য-লিপ্সা, স্বেচ্ছাচাৰিতা আৰু আবেগ-কল্পনা-প্ৰৱণতাৰ জটিল সংমিশ্ৰণৰ অভিনৱ সৃষ্টি মণিমুগ্ধ। মণিমুগ্ধ সকলো দোষ-গুণেৰে বিভূষিত হৈও এগৰাকী সাধাৰণ নাৰীৰ ওচৰত পৰাজয় মানি লব লগা হ'ল। ইয়াতেই মণিমুগ্ধৰ চৰিত্ৰলৈ ট্ৰেজিক পৰিণতি নামি আহিছে। নাটকৰ চতুৰ্থ অঙ্কৰ ৰূপালীম আছিল পৰিস্থিতিৰ মেৰপাকত মণিমুগ্ধৰ হাতৰ চিকাৰ; কিন্তু ষষ্ঠ অঙ্কৰ ৰূপালীম প্ৰেমৰ সমস্ত গৌৰৱেৰে তেওঁৰ হাতে ঢুকি পোৱাৰ বহু ওপৰলৈ উঠি গৈছে। মণিমুগ্ধ মুখামুখি হ'ল এটা সম্পূৰ্ণ নতুন আৰু আচহুৱা পৰিবেশৰ। ৰূপালীমে তেওঁৰ প্ৰেমৰ একান্ত পাত্ৰ মায়াৰ'ক আসন্ন মৃত্যুৰ কবলৰ পৰা ৰক্ষা কৰিবৰ অৰ্থে আৰু অন্য বহুজনৰ মঙ্গলাৰ্থে নাৰী জীৱনৰ চূড়ান্ত মূল্য দান কৰিবলৈ প্ৰস্তুত হ'ল। সেই মূল্য গ্ৰহণ কৰিবলৈ হাত মেলি উঠি মণিমুগ্ধই অনুভৱ কৰিলে, প্ৰেমৰ সুবাসৰিক্ত ৰূপৰ উপভোগ-চেষ্টা মদিৰাবিহীন শূন্যপাত্ৰ চুম্বন কৰিবলৈ লোৱাৰ দৰেই অৰ্থহীন। সেই চেতনাৰ সূৰ্যোদয় ঘটিল মণিমুগ্ধৰ মনৰ দিগন্তত। ৰূপৰ সমুদ্ৰত গা-ধুবলৈ গৈ মণিমুগ্ধই দেখা পালে সাগৰ সঁচাসঁচিকৈয়ে বিৰাট। কেৱল মুগ্ধ হলেই সাগৰ তলিৰ মণি-মুকুতাৰ পোহাৰ খুচৰি কোনেও মুঠিয়ে মুঠিয়ে বুটলি আনিব নোৱাৰে। মণিমুগ্ধৰ চৰিত্ৰত জিলিকি উঠিল, দূৰৰ দিগন্তত উদ্ভা-

সিত প্ৰভাতৰ পূৰেৰুণ। কামাতুৰ নিৰ্দয়ৰ বুকুত দয়াৰ সঞ্চাৰ—এয়েই মণিমুগ্ধৰ চৰিত্ৰৰ বিচিত্ৰতা।

অৱশ্যে নাটকৰ আন দুটা পুৰুষ চৰিত্ৰ মায়াব' আৰু জুনাফা আদিৰ সৃষ্টিত পূৰ্বসূৰীৰ অনুৰূপ চৰিত্ৰ কল্পনাৰ দূৰান্বয়ী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। মায়াব' চৰিত্ৰক নাট্যকাৰে অক্ষমৰূপে দেখুৱাইছে। নাটকৰ আৰম্ভণিতে নাট্যকাৰে মায়াব'ক বাঘৰ মূৰ আনিবলৈ যোৱাৰ নিচিনা দুঃসাহসিক কামলৈ আগবাঢ়ি যোৱা দেখুৱাইছে। অৱশ্যে যি জাতিৰ লোকে এগৰাকী অসতী বুলি ভবা নাৰীক জীৱন্তে পুৰি মাৰিব পাৰে, তেনে জাতিৰ এজন বীৰ ডেকাই প্ৰেমৰ নিমিত্তে বাঘৰ মূৰ আনিব যোৱাটো একো অসম্ভৱ নহয়। কিন্তু ৰূপালীমক অগ্নিদগ্ধ কৰোঁতে মায়াব'ই প্ৰেমিক হিচাপে ৰূপালীমক উদ্ধাৰ কৰিবলৈ চেষ্টা নকৰাটোহে আচৰিত নহৈ নোৱাৰি। প্ৰকৃত প্ৰেমিকৰ বাবে এনে চৰিত্ৰ চিত্ৰণ প্ৰশংসনীয় নহয়।

জুনাফা চৰিত্ৰৰ বিকাশ নাই, প্ৰকাশহে আছে। এনে চৰিত্ৰই বিশেষ শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিলেও স্বকীয়তা বৰ্জিত নহয়, সজীৱ ব্যক্তিত্বৰ দ্বাৰা উজ্জ্বল।

জ্যোতিপ্ৰসাদ এজন নাট্যকাৰেই নাছিল, এজন কবিও আছিল। গতিকে নাটবোৰত তেওঁ ব্যৱহাৰ কৰা সংলাপবোৰত মাজে সময়ে কাব্যিকতাৰ গোন্ধ পোৱা যায়। অৱশ্যে তেওঁ কবি হোৱা হেতু সংলাপবোৰত কাব্যিকতা প্ৰকাশ পোৱাটো একো আচৰিত কথা নহয়। ৰূপালীমে মায়াব'ক কোৱা (১ম অঙ্ক) কথাৰ মাজতো কাব্যিকতাৰ গোন্ধ পাওঁ। —"তোমাৰ পেঁপাৰ মাতবোৰে উৰি উৰি গৈ মোক আগভেটি ধৰি আহিবলৈ নিদিয়ে—সিহঁতৰ মাজে মাজে বাট কাটি আহোঁতে বেলি হ'ল আকৌ।" সেইদৰে ৰূপালীমে মায়াব'ৰ পেপাঁটো ভাঙি পেলাওঁতে মায়াব'ই ৰূপালীমক কৈছিল—"তুমি বৰ অকৰুণ ৰূপালীম্! তুমি নিৰ্দয়া—"। আকৌ মনিমুগ্ধই ৰূপালীমক কৈছে—"মই তোমাক লৈ যাম সৌ দূৰণিলৈ। সৌৱা নীলাকাশৰ.... .... .... .... মিলন পিয়াসী বুকুৰ কম্পন।" সাধাৰণ খেতিয়কৰ ছোৱালী ৰূপালীমে এনে ধৰণৰ ভাষা বুজি নাপায় সঁচা কিন্তু ইয়াৰ পৰাই তেওঁলোকৰ মাজৰ কবি শিল্পীসুলভ সূক্ষ্ম অনুভূতিৰ আভাস পোৱা যায়—যিহে তেওঁলোকৰ সাধাৰণ উদগ্ৰ মানবীয় বাসনাকো এটা নতুন পোহৰ দিছে। অৱশ্যে এই সংলাপবোৰ একালে যেনেকৈ কাব্যগন্ধী, আনকালে অযথা দীঘল। তেনেদৰে প্ৰেমিক-প্ৰেমিকা মায়াব' আৰু ৰূপালীমৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ নাট্যকাৰে আকাশৰ পৰা পৃথিৱীৰ গছলৈকে থকা গোটেই সৌন্দৰ্য্য লিখনীৰ হাকুটিৰে টানি অনাও পৰিলক্ষিত হয়। নাটকখনৰ চতুৰ্থ অঙ্কত মণিমুগ্ধই যেতিয়া ৰূপালীমক সুধিছে ৰূপালীমে মায়াব'ক কিমান ভাল পায় বুলি, তেতিয়া ৰূপালীমৰ মুখেৰেই নাট্যকাৰে এনে ধৰণৰকৈ বৰ্ণনা দিছে য'ত নেকি জ্যোতিপ্ৰসাদৰ দ.ৰ ৰ্যিৰ ক্ষেত্ৰতহে এনে



কাব্যিকতা প্ৰকাশ পোৱা সম্ভৱ। এজনী ৰূপালীমে মায়াব'ক কিমান ভাল পায় তাকে বৰ্ণনা কৰিবলৈ নাট্যকাৰে যি উপমা ব্যৱহাৰ কৰিছে তাৰ তুলনা বিচাৰি পাবলৈ টান। সেইদৰে এগৰাকী নিৰক্ষৰ আজলী জনজাতীয় গাভৰুৰ সম্পৰ্ক প্ৰকৃতিৰ লগতেই হোৱা বাবে প্ৰকৃতিৰ পৰাই উপমা বিচাৰি পোৱাটো ৰূপালীমৰ বা স্বাভাৱিক হৈ পৰিছে। অৱশ্যে নাটকৰ তৃতীয় অঙ্কত ব্যৱহৃত—"সৌৱা তোমাৰ পৰ্বতৰ.... .... .... ....উচ্চাৰণ নকৰিবা।"—এনে ধৰণৰ সংলাপ বলিষ্ঠ হ'লেও অভিনয়ৰ বাবে এনে দীঘলীয়া সংলাপ বৰ্জনীয়।

সেইদৰে গীতৰ ক্ষেত্ৰতো দেখা যায় যে—প্ৰাকৃতিক পৰিবেশৰ লগত গীতৰ সুৰৰ প্ৰতিধ্বনি আৰু বিষয়-বস্তুৰ সাদৃশ্যই এটি সপোনৰ মায়াময় পৰিবেশৰ সৃষ্টি কৰিছে। এই গীতবোৰ নাটকৰ পৰিবেশৰ লগত সঙ্গতি ৰাখি প্ৰয়োগ কৰা হৈছে।

এনেকৈয়ে নাট্যকাৰে নাটকখনত প্ৰেম আৰু ঈৰ্ষাৰ, সতীত্ব আৰু দেশপ্ৰেমৰ অৰিয়াঅৰি ভাববোৰৰ সংঘাত আৰু সংঘৰ্ষৰ মাজেৰে কাহিনীক আগবঢ়াই নিছে। 'কাৰেঙৰ লিগিৰী'ৰ দৰে এইখন নাটকত যুক্তি তৰ্কৰ অৱতাৰণা কৰা নাই। কিন্তু 'আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে' দেখুৱাবলৈ 'কাৰেঙৰ লিগিৰী'ত কৰাৰ দৰে এইখন নাটতো নাট্যকাৰে প্ৰয়াস কৰিছে। 'শোণিত কুঁৱৰী'ৰ দৰে ৰোমাণ্টিক পাৰিবেশ এটা নথকা নহয়; কিন্তু নানা ধৰণৰ ভাববোৰে প্ৰাধান্যৰ বাবে অৰিয়াঅৰি কৰাৰ ফলত সি তল পৰি গৈছে। সংস্কৃতি-সম্পন্ন হ'লেও সুন্দৰৰ দৰে বিপ্ৰেমী মনৰ অধিকাৰী মনিমুগ্ধ নহয়। তেওঁ বুদ্ধি জগতত নহয়; ভাব জগততহে বিচৰণ কৰে।

নাটকখনত কাহিনীতকৈ চৰিত্ৰৰ আকৰ্ষণ বেছি। নাট্যকাৰে কাহিনীৰ বৈচিত্ৰ্য আৰু সংহতিতকৈ অধিক দৃষ্টি নিক্ষেপ কৰিছে এই চৰিত্ৰবোৰৰ বৈচিত্ৰ্য প্ৰদৰ্শনৰ ওপৰতহে। চৰিত্ৰগত উদ্দেশ্য প্ৰদৰ্শন কৰিবৰ কাৰণে কোনো পৰিচিত পৌৰাণিক বা ঐতিহাসিক কাহিনী বাছি নলৈ মনেগঢ়া কাহিনী এটিক চৰিত্ৰ প্ৰকাশৰ মাধ্যমৰূপে লৈ কাহিনীৰ পটভূমি বাছি লৈছে পূৰ্ব-সীমান্তৰ সভ্য বৌদ্ধ জনজাতীয় সমাজৰ অনুৰূপ, কাম্পনিক সমাজ এখনত। নাটকখনৰ ৰূপালীমৰ চৰিত্ৰত জনজাতি গাভৰুৰ বাস্তৱধৰ্মী লক্ষণ প্ৰকাশ পালেও নায়কৰূপে মনিমুগ্ধত কিন্তু বাস্তৱ চৰিত্ৰতকৈ এটি কল্পনাপ্ৰৱণ ৰোমাণ্টিক চৰিত্ৰৰ লক্ষণহে প্ৰকাশ পাইছে।

আনহাতে কাহিনীৰ ফালে যদি লক্ষ্য কৰা যায় তেন্তে পঞ্চম অঙ্কৰ দৃশ্যটোৱে নাট্য-কাহিনী অগ্ৰসৰ হোৱাত বাধা প্ৰদান কৰা বুলিহে কব পাৰি। অৱশ্যে মায়াব' আৰু ৰূপালীমৰ মাজত হোৱা কথোপকথনে নাট্য-কাহিনীক পৰিণতিৰ পথত এখোজ আগবঢ়াই নিয়াত সহায় কৰিছে।

নাটকখনৰ জৰিয়তে নাট্যকাৰে কোনো আদৰ্শ চৰিত্ৰ প্ৰকাশ কৰিব খোজা নাই। সেয়েহে তেওঁ নায়ক-নায়িকাক আদৰ্শাত্মক

স্তৰলৈ উন্নীত কৰিব নিবিচাৰি চৰিত্ৰৰ বৈচিত্ৰ্য ফুটাই তুলিবলৈ প্ৰয়াস কৰিছে। যদিও ৰুকমী জনজাতিৰ পটভূমিত নাটকখন ৰচনা কৰা হৈছে তথাপি ইয়াত জনজাতীয় জীৱনৰ একো প্ৰতিচ্ছবি নাইবা সামাজিক ৰীতি-নীতিৰ কোনো আভাস পোৱা নাযায়। সেয়ে কাহিনীতকৈ চৰিত্ৰৰ আকৰ্ষণ বেছি হোৱা স্বাভাৱিক।

নাট্যকাৰৰ মূল তত্ব হৈছে মাথোন বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰ অঙ্কন কৰি মানুহৰ মানস সমীক্ষা দাঙি ধৰাহে। আমি কথাতে কওঁ যে "Many men many minds."—অৰ্থাৎ "মানুহটোৱে প্ৰতি মনটো, ধানটোৱে প্ৰতি কণটো।" বিচিত্ৰ এই জগতৰ বিচিত্ৰ এই মানৱ সমাজ। জগতৰ ভিন্ ভিন্ মানুহে যে কিমান ধৰণে চিন্তা কৰে, একেজন মানুহৰ মনতেই যে বিবিধ ভাবানুভূতি-ক্ৰিয়া চলি থাকে আৰু তেনে ভাব-অনুভূতিৰ ফলতে মানসিক বিবোধ বা সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে, তাকে নাট্যকাৰে চৰিত্ৰ সৃষ্টিৰ জৰিয়তে ৰূপায়ন কৰিছে। তেওঁৰ এই নাটকখনত কল্পনাপ্ৰৱণ ৰোমাণ্টিক দৃষ্টিৰহে নিখুঁত পৰিচয় পোৱা যায়। মুঠতে, ৰূপালীম নিঃসন্দেহে জ্যোতিপ্ৰসাদৰ মহত্তম নাটক; যি মহত্ব তুলনীয় হ'ব পাৰে বিশ্ব-সাহিত্যৰ গৰিমাময় নাটকৃতিৰ লগতহে। *

*( বিভিন্ন প্ৰবন্ধ-আলোচনাৰ সহায়ত )



প্ৰসঙ্গ ঃ

# নাৰী জাগৰণ আৰু অসমৰ নাৰী সমাজ

*মালামনি বৰা*
স্নাতক প্ৰথম বৰ্ষ (দিবা)

অসমত নাৰী জাগৰণৰ আৰম্ভনি, প্ৰভাৱ আৰু পৰিসৰৰ বিস্তৃত আলোচনাৰ প্ৰয়োজনীয়তা আহি পৰিছে। যোৱা দুটি দশকৰ পৰা অসমত নাৰীৰ আত্ম-সচেতনতা বহু পৰিমাণে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। যিকোনো সামাজিক অবিচাৰৰ বিৰুদ্ধে তেওঁলোক প্ৰতিবাদমুখৰ হৈছে, কিন্তু অদ্যপৰিমিত সমাজ তথা দেশে নাৰীসকলৰ প্ৰয়োজনীয় নিৰাপত্তা নিশ্চিত কৰিব পৰা নাই। দেশৰ আইন-শৃংখলা আৰু ব্যয়বহুল ন্যায় ব্যৱস্থাইও যথোপযুক্ত সুফল প্ৰদান কৰিব পৰা নাই। নাৰীয়ে আজি শংকাহীন ভাবে ৰাজপথত ফুৰিব নোৱাৰে—ই অতি দুঃখজনক ঘটনা। কিশোৰী, নাবালিকাৰ পৰা বয়সস্থা মহিলাইও নিজকে যিকোনো ঠাইতে নিৰাপদ বুলি আশ্বস্ত হ'ব নোৱাৰা পৰিবেশটো চিন্তনীয়। উদাহৰণ স্বৰূপে ১৯৯২ চনৰ প্ৰথম চৰি মাহৰ ভিতৰতে দেশখনত নাৰী ধৰ্ষণ, নাৰী অপহৰণ আৰু যৌতুক প্ৰথাৰ বলি হোৱা ৬৩৩৭ টা ঘটনাই পৰিবেশটোৰ ভয়াবহতাৰ ইঙ্গিত বহন কৰিছে।

একবিংশ শতিকাত খোজ দিয়াৰ প্ৰাক্ মুহূৰ্ততো অসমৰ বৃহদাংশ নাৰীয়ে যৌতুক, অন্ধবিশ্বাস, পুৰণি ৰীতি-নীতিৰ আলান্ধকলীয়া সীমাবদ্ধতাত জীৱন পাত কৰিব লগা হৈছে। নাৰীয়ে সমগ্ৰ জীৱন কালত বিভিন্ন ভূমিকাত নিজকে খাপ খুৱাই লব লাগে। স্বামী গৃহত পত্নী হিচাপে বয়সস্থসকলৰ পৰা বিবিধ আও-পুৰণি বাধা নিষেধৰ সন্মুখীন হয় আৰু এইবোৰ প্ৰচলন কৰাত নাৰীৰ অৰিহণাই অধিক। বৰ্ত্তমানৰ শাহুৱেক তাহানী বোৱাৰী হৈ থাকোঁতে তেতিয়াৰ শাহুৱেকৰ আঙুলিৰ অনুকৰণত অভ্যস্ত বাবেই এতিয়াৰ বোৱাৰীজনীয়ে তেনে নিৰ্দেশ মানিবই লাগিব—তেনে মানসিকতা কোনো কালেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। শাহুৱে গৰকা বোৱাৰীৰ প্ৰমাণপত্ৰখনে পিছে নাৰী চেতনাক নাৰীয়েই সংকুচিত কৰি ৰখাৰ ছবিহে স্পষ্ট কৰে। অৱশ্যে একাংশ শিক্ষিতা তথা বৃত্তিধাৰী মহিলাই আৰ্থিক স্বাৱলম্বিতাৰ ভেটি গঢ়িছে আৰু স্বচ্ছন্দ জীৱন কটাইছে। কিন্তু এগৰাকী বা

ছুগৰাকী বিশেষ ভাৱে আগবাঢ়ি যোৱা বা উচ্চ শিক্ষা পোৱা বা দেশ চলাব পৰা নেত্ৰী হ'লেই সকলো নাৰী শিক্ষিতা হ'ল বুলি ধৰিব নালাগে। কিয়নো এই শ্ৰেণীৰ লগতে সকলোৱেই নিষ্পেষণৰ পৰা মুক্ত হৈছে বুলিবও নোৱাৰি।

আমাৰ সমাজৰ নাৰীসকল পুৰুষৰ দ্বাৰা লাঞ্ছিতা, বঞ্চিতা, ধৰ্ষিতা আৰু বহুসময়ত নিৰ্য্যাতিতা হোৱাৰ গুৰিত মহিলাই জড়িত হৈ থকা দেখা যায়। উদাহৰণ স্বৰূপে মাহী আইৰ শাস্তি বা শাহু-ননদৰ পৰা প্ৰত্যক্ষভাৱে নিৰ্য্যাতন পোৱাৰ উপৰিও পৰোক্ষভাৱেও কোনো মহিলাৰ উচটনিত পুৰুষে নাৰীৰ ওপৰত অত্যাচাৰ কৰা দেখা যায়। তদুপৰি নিম্নশ্ৰেণীৰ মহিলাৰ ওপৰত উচ্চশ্ৰেণীৰ মহিলাই কৰা অত্যাচাৰৰ প্ৰমাণ নতুনকৈ দিয়াৰ প্ৰয়োজন নহয়। আমাৰ সমাজত মহিলা ডক্তৰ, মহিলা ইঞ্জিনিয়াৰ, শিক্ষাবিদ দিনক দিনে বৃদ্ধি পাই অহা সত্বেও নাৰীৰ ওপৰত হোৱা নিৰ্য্যাতন বন্ধ কৰিব পৰা নাই। প্ৰকৃততে নাৰীৰ প্ৰতি অৱজ্ঞাৰ ভাবটো সৰুকালৰে গঢ় লৈ উঠে। আমাৰ সমাজত সৰহ সংখ্যক পৰিয়ালতে লৰাটোৱে কিছুমান বিশেষ সুবিধা লাভ কৰে - যিটো ছোৱালীজনীৰ ক্ষেত্ৰত দিয়া নহয়। তদুপৰি ছোৱালীজনীক সৰুৰে পৰা কৰ্তৃত্ব মানি চলিবলৈ শিকোৱা হয়, ফলত ছোৱালীৰ মাজত হীনমন্যতাৰ সৃষ্টি হয় অৰ্থাৎ নিজকে এজন লৰাতকৈ শাৰীৰিক তথা মানসিক ভাৱে দুৰ্বল বুলি ভাবিবলৈ লয় আৰু লৰাই সৰুৰেপৰা ছোৱালীক নিজতকৈ হেয় বুলি ভাবিবলৈ শিকে। এই প্ৰক্ৰিয়া চলি থাকোঁতে—সমাজৰ এটি অংগস্বৰূপ হৈ পৰা বয়সলৈ সেই মনোবৃত্তি লৰাজনৰ মনোজগতত মহীৰুহ ৰূপ ধাৰণ কৰে আৰু নাৰীক অবলা অসহায়া দুৰ্বলা হিচাপে গণ্য কৰাৰ প্ৰবৃত্তিটো সম্প্ৰসাৰিত হয় সমাজৰ বিভিন্ন স্তৰলৈ। অন্যহাতে পৰিয়ালত পুত্ৰসন্তান জন্ম হোৱাত যি ধৰণৰ গুৰুত্ব দিয়া হয় সিয়ে স্বাভাৱিকতে পৰিয়ালৰ লৰাজনক নিজকে অধিক গুৰুত্বপূৰ্ণ বুলি ভবাৰ সুযোগ দিয়ে।

নাৰীক বিভিন্ন প্ৰকাৰে অৱদমন কৰাৰ প্ৰক্ৰিয়াটো হঠাতে আহি পৰা নাই। সভ্যতাৰ ৰথৰ চকৰী ঘূৰাৰ তালে তালে নাৰীৰ ওপৰত অত্যাচাৰ-নিষ্পেষণ বাঢ়ি আহি এটা সময়ত নাৰী পাকঘৰত বন্দী হৈ পৰিব লগা হৈছে। নাৰীক বিভিন্ন বিশেষণেৰে বিভূষিত কৰি বন্দী কৰা হ'ল ঘৰৰ চাৰিবেৰৰ মাজত সন্তান জন্ম দিয়া, লালন-পালন কৰা যন্ত্ৰ হিচাপে। এককথাত কবলৈ গলে নাৰী ইতিমধ্যে সমাজৰ শক্তিশালী পুৰুষশ্ৰেণীৰ হাতৰ পুতলা স্বৰূপ হৈ পৰিল। আৰ্থিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত হয়তো নাৰীক কৰা অৱদমনৰ প্ৰক্ৰিয়াটো ভিন্ন অৰ্থত ৰূপ বেলেগ হ'ব পাৰে। তথাপিও সমাজৰ উচ্চ শ্ৰেণীয়েই হওঁক—মধ্যবিত্ত বা নিম্ন শ্ৰেণীয়েই হওঁক, কোনো স্তৰৰ নাৰীয়েই শোষণমুক্ত নহয়। আৰু এইকথাৰ উপলব্ধি কৰিয়েই পৃথিৱীৰ অন্যান্য দেশৰ লগতে আজি ভাৰততো কিছু গনতান্ত্ৰিক মহিলা সংগঠনে গঢ় লৈ উঠিছে। নাৰী মুক্তিৰে জোৱাৰ তুলি এই সংগঠনসমূহে



ৰাজপথলৈ ওলাই আহিছে আৰু এই অন্যায়ৰ প্ৰতিকাৰৰ দাবী তুলিছে। পৃথিৱীৰ বিভিন্ন গণতান্ত্ৰিক মহিলা সংগঠনৰ কাৰ্য্যত গণতান্ত্ৰিক চেতনা সম্পন্ন পুৰুষেও সহযোগিতাৰ হাত আগবঢ়াই আহিছে। যিহেতু সকলো সচেতন ব্যক্তিয়ে অনুভৱ কৰিছে যে নাৰীৰ সামাজিক মুক্তি বাদ দি শ্ৰমজীৱী জনগণৰ সামাজিক মুক্তি অসম্ভৱ।

আমাৰ গ্ৰামাঞ্চল কৃষি প্ৰধান। সেয়ে অসমৰ সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্য ৰক্ষাত গ্ৰাম্যনাৰীয়ে যথেষ্ট ভূমিকা পালন কৰিছে। উৎপাদন ব্যৱস্থাত পুৰুষৰ আধিপত্য থাকিলেও কিছুমান বিধি বিধান মানি চলাটো নাৰীৰ ওপৰতে নিৰ্ভৰশীল। তেওঁলোকে পুৰণি লোক বিশ্বাসসমূহক ৰক্ষণা-বেক্ষণ দিয়ে। তুলসী তলৰ চাকিগছিৰ পৰা আৰম্ভ কৰি বিহুৰ বিহুৱানখনিলৈকে নাৰীৰ কৰ্ত্তব্য আৰু দায়িত্ব পালিত হৈ আহিছে। ইমানলৈকে ব্যস্ত থকা নাৰী গৰাকীৰ প্ৰতি কিন্তু পৰিয়ালৰ অন্যান্য সদস্যসকল সজাগ নহয়। আজিৰ নাৰীয়ে পুৰুষৰ সমানে নৈতিক চৰিত্ৰ অক্ষুণ্ণ ৰাখি সকলো কামেই চম্ভালি লবলৈ সমৰ্থবান; কিন্তু তেওঁলোকৰ সুপ্ত প্ৰতিভাৰ বিকাশ হ'বলৈ সামাজিক ভাৱে সুযোগ দিয়া নহয়।

আধুনিক যুগৰ সমাজ জীৱনত নাৰীৰ মৰ্য্যাদা আৰু স্থান সম্পৰ্কত অনেক যুক্তি-তৰ্কৰ অৱতাৰণা কৰা হৈছে। দেখা গৈছে—পুৰুষপ্ৰধান সমাজত নাৰীৰ প্ৰমূল্যবোধ প্ৰকৃতাৰ্থত স্বীকৃত হোৱা নাই। নাৰী আজিও পূৰ্বৰ দৰেই পদদলিত। এইটো কথা সত্য যে নাৰীসকল নিজেই নিজৰ মুক্তিৰ সৈনিক হোৱাটো বাঞ্ছনীয়। বহু সময়ত এই 'মুক্তি' শব্দটোৱে মানুহৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰে। আজিৰ বহুতো জীয়াৰী-বোৱাৰীয়ে মুক্তি বা স্বাধীনতাৰ অপপ্ৰয়োগ কৰা দেখা গৈছে! মুক্তিৰ নামত অশালীন সাজ-পাৰৰ মাজেৰে দেহ প্ৰদৰ্শন কৰি নিজক পুৰুষৰ লালসাৰ অগ্নিত জাপি দিছে। তাৰ বাবে বহুতো নাৰীক অসৎলোকে পণ্য হিচাপে ব্যৱহাৰ কৰাৰ সুযোগ পাইছে। নাৰীক লাজ-কাজ এৰি নিজৰ দেহ প্ৰদৰ্শন কৰা কামুক পুতলা ৰূপে সমাজত দাঙি ধৰি নিজৰ ব্যৱসায়িক মুনাফা আদায় কৰাৰ উপৰিও সমগ্ৰ নাৰী জাতিৰ প্ৰতি সামাজিক মৰ্য্যাদা-বোধ বহু পৰিমাণে কমাই পেলাইছে। তাৰ ফলস্বৰূপে নাৰীৰ ওপৰত চলা অসামাজিক অত্যাচাৰ/ব্যভিচাৰ বাঢ়ি আহিছে। গতিকে নাৰী সংগঠন সমূহে নাৰী মুক্তিৰ নামত চলা এই বিভ্ৰান্তি আঁতৰাই নাৰীৰ গণতান্ত্ৰিক মুক্তিৰ পথ দেখুৱাই অহাৰ প্ৰয়োজন হৈ পৰিছে।

নাৰী মুক্তিৰ প্ৰথম পদক্ষেপ হিচাপে নাৰীক সামাজিক উৎপাদনশীল শ্ৰমত অংশ গ্ৰহণ কৰোৱাত গুৰুত্ব দিব লাগিব। পুৰণি সমাজৰ অৰ্থনৈতিক ব্যৱস্থাত থকাৰ দৰে নাৰী সমাজক প্ৰত্যক্ষ উৎপাদন ব্যৱস্থাত জড়িত হ'বলৈ আগ্ৰহী আৰু উপযুক্ত কৰি তুলিব লাগিব। সামাজিক উৎপাদনশীল কৰ্মত অংশ গ্ৰহণ কৰাৰ

লগে লগে নাৰীসকলৰ ব্যক্তিত্বৰো বিকাশ ঘটে আৰু সমাজৰ বাস্তৱ ৰূপ সম্পৰ্কে সঠিক দৃষ্টিভংগী গঢ়ি উঠাত সহায়ক হ'ব। নাৰীৰ এই অৱস্থাৰ পৰিবৰ্ত্তন ঘটোৱাৰ বাবে কৰা প্ৰচেষ্টাত নাৰীৰ দায়িত্বই অধিক। নাৰীসকল অধিক আত্মসচেতন হোৱা প্ৰয়োজন। তেওঁলোকৰ কামৰ মাজেদি তেওঁলোকে প্ৰতিপন্ন কৰিব লাগিব যে তেওঁলোক পুৰুষতকৈ কোনো গুণে কম নহয়। প্ৰতি গৰাকী মাতৃয়ে তেওঁৰ কন্যা সন্তানটো যে পুত্ৰ সন্তানটোতকৈ কম গুৰুত্বপূৰ্ণ নহয়, এই কথা সকলো পৰা বুজিবলৈ দিব লাগিব। নিৰক্ষৰ নাৰী সকলকো আত্মসচেতন কৰাৰ দায়িত্ব শিক্ষিত নাৰীসকলৰ। সমাজখন যিহেতু নাৰী-পুৰুষ উভয়ৰদ্বাৰা গঠিত সেয়ে এই ক্ষেত্ৰত দায়িত্বও উভয়ৰে সমান। সাধাৰণতে দেখা যায় নাৰীৰ কোনো মৰ্য্যাদা হানিৰ ঘটনা ঘটিলে নাৰী সংগঠনবোৰেই প্ৰতিবাদ কৰে। সচেতন পুৰুষসকলৰ মাজতো সামান্য সংখ্যকেহে এইক্ষেত্ৰত প্ৰতিবাদ কৰা দেখা যায়। সৰহ সংখ্যকেই এইবোৰ ক্ষেত্ৰত নীৰৱতা অৱলম্বন কৰে। সেয়েহে উপযুক্ত শিক্ষাৰ জৰিয়তে পুৰুষ-নাৰী উভয়ে পৰস্পৰৰ বিবেকবুদ্ধিক সন্মান জনাই ভৱিষ্যতৰ সুন্দৰ সমাজ গঢ়িব লাগিব। দুখৰ কথা যে নাৰী জীৱনৰ বিচিত্ৰ ভূমিকাৰ লগত আমাৰ সমাজৰ সুস্থ চিন্তা চেতনাৰ প্ৰতিফলন ঘটা নাই। বিশেষকৈ বিভিন্ন কৰ্মক্ষেত্ৰত নাৰীয়ে বিভিন্ন ভূমিকা পালন কৰিব লাগে আৰু এনে হোৱাৰ ফলত নাৰীৰ ভিতৰৰ নেদেখা বিষাদ-বেদনাৰ বা বঞ্চনাৰ সুৰটোৰ প্ৰকাশ নঘটে, সেয়ে নাৰীয়ে সামাজিক ব্যৱস্থাৰ বশৱৰ্ত্তী হৈয়ে ভিতৰৰ অৱস্থাটো বাহিৰত উদঙাই দেখুৱাব নোৱাৰে। পৰিবৰ্ত্তনশীল সমাজখনত পুৰণি ধ্যান-ধাৰণাৰ ঠাইত চিন্তা-স্ৰোতৰ সৃষ্টি কৰিবলৈ হ'লে নাৰীৰ মনত আত্ম-প্ৰত্যয়ৰ ভাব গঢ়ি তুলিব লাগিব। তেতিয়াহে তেওঁলোকৰ অস্তিত্ব আৰু ভূমিকা অপৰিহাৰ্য্য হ'ব আৰু তেওঁলোকৰ প্ৰতি থকা তৰল ধাৰণাবোৰো অন্ত পৰিব।

শেহতীয়াকৈ নাৰী অধ্যয়ন এটি বিষয় হিচাপে পৰিগণিত হৈছে আৰু নাৰী-পুৰুষৰ (কাৰ্য্যক্ষেত্ৰত) ভিন্নতা দূৰ কৰাৰ অৰ্থে পৃথিৱীৰ উন্নত দেশত "নাৰী অধ্যয়ন" বিষয়টোৱে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। নাৰীয়ে কেৱল সন্তান উৎপাদন আৰু কৃষি উৎপাদনতহে ব্যস্ত থাকিব লাগিব, এনে ধাৰণাৰ দ্বাৰাই পুৰুষে নাৰীক পূৰ্বৰে পৰা দমন কৰি ৰাখিলে। সেইদৰে বুৰঞ্জীৰ পাতো কেৱল ৰজা-মহাৰজাৰ কাহিনীৰে ভৰপূৰ, কিন্তু নাৰীৰ অৱস্থিতিৰ বিস্তৃত উল্লেখ নাই। সমাজ শাস্ত্ৰ আৰু দৰ্শনতো নাৰীৰ সামগ্ৰিক উল্লেখ নাই। তেনেকৈ নৃতত্ত্ব বিভাগতো নাৰী-পুৰুষ দুয়োৰে অধ্যয়ন হ'ব লাগে যদিও নৃতত্ত্ববিদসকলে অতি কৌশলেৰে নাৰীৰ দিশটো অৱহেলা কৰি আহিছে। কিন্তু এতিয়া নাৰী অধ্যয়নৰ এটা বিষয় পৰিছেগৈ —ই সৌভাগ্যৰ কথা। অনাদি কালৰে পৰা পুৰুষে সৃষ্টি কৰাত যদি কাৰকৰ ভূমিকা গ্ৰহণ কৰিছে তেন্তে নাৰীয়েও ধাৰক-বাহক হিচাপে সৃষ্টি ৰক্ষাত সমানে অৰিহণা যোগাই আহিছে। গতিকে এখন সমাজ নিয়াৰিকৈ চলিবলৈ পুৰুষ নাৰীৰ সহযোগিতা অন-স্বীকাৰ্য্য।

০ ০ ০



# হেম বৰুৱাৰ লেখনিত এভুমুকি

বৰ্ষামণি দত্ত
স্নাতক ২য় বৰ্ষ

আধুনিক অসমৰ আধুনিক ভাষা-সাহিত্যই জন্ম লাভ কৰিছে উনবিংশ শতিকাত। এই উনবিংশ শতিকাৰ পৰা বিংশ শতিকাৰ প্ৰথম ছোৱালৈ অসমৰ ভাষা-সাহিত্যই চৰম দুৰ্যোগৰ সন্মুখীন হয়। এই সময় ছোৱাতে অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি জীয়াই ৰাখিবলৈ সক্ষম হয় অসমীয়া ভাষা-সাহিত্যৰ কেবাজনো কাণ্ডাৰীয়ে। এই বীৰ-সন্তানসকলৰ ভিতৰত সাহিত্যিক, ৰাজনীতিবিদ হেম বৰুৱাও অন্যতম।

অসমীয়া ভাষা-সাহিত্যৰ এক স্বকীয়া বৈশিষ্ট্য বিৰাজমান। অতীতৰ পৰাই অসমীয়া ভাষা-সাহিত্যই স্বকীয়া স্থান পাই আহিছে। সংস্কৃত দেৱভাষাৰ পৰা "ৰামায়ণ" ভাৰতীয় আঞ্চলিক ভাষা অসমীয়ালৈ প্ৰথম ভাঙনি কৰে মাধৱ কন্দলীয়ে। সময়ে অসমীয়া ভাষা-সাহিত্যক বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন কৰাইছে। তথাপিও অসমীয়া ভাষা ম্লান হৈ যোৱা নাই। ১৮২৬ চনত ইংৰাজ কোম্পানীয়ে অসম অধিকাৰ কৰি অসমীয়া-ভাষা-সাহিত্যৰ প্ৰাণ নাশৰ সৃষ্টি কৰিছিল। অসমত ইংৰাজ শাসক কোম্পানীৰ কু-অভিসন্ধিত পৰি ১৮৩৬ খৃষ্টাব্দৰ পৰা ১৮৭৩ খৃঃলৈ অসমীয়া ভাষা অসমৰ স্কুল-আদালতৰ পৰা বিতাৰিত হয়। এই কালছোৱাত ইংৰাসকলে অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্যৰ বিষয়ে কোনো গুৰুত্ব নিদিলে। সেইসময়তে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ অহা খৃষ্টান মিছনাৰীসকলৰ আপাশুধীয়া চেষ্টাত অসমীয়া ভাষা পূৰ্বৰ স্থানত স্থলাভিষিক্ত হ'ল। এই সময় ছোৱাৰ ভাষা-সাহিত্যৰ দুৰ্য্যোগে অসমীয়াৰ মনত নতুন সাঁচ বহুৱালে। জন্ম পালে ন-ন লেখক-লেখিকা আৰু সৃষ্টি হ'ল ন সাহিত্যৰ নতুন ৰেঙনি।

কুৰি শতিকাৰ আৰম্ভনিত অসমত নতুন ৰবি উদয় হ'ল। জন্ম হ'ল ভাষা-সাহিত্যৰ অনেক ৰথী-মহাৰথী। এইসকলৰ মাজৰে অন্যতম হ'ল অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী পুৰুষ হেম বৰুৱাৰ জন্ম হয় তেজপুৰত ১৯১৫ চনৰ ২২ এপ্ৰিলত॥

হেম বৰুৱা অসমৰ সিংহ পুৰুষ।

অসমৰ হেৰোৱা গৌৰৱ পুনৰ উদ্ধাৰৰ বাবে গোটেই জীৱন অতিবাহিত কৰে। স্বাধীনতা আন্দোলনত হেম বৰুৱাই সক্রিয় অংশ গ্রহণ কৰিছিল। ৰাজনীতিবিদ হিচাবেই নহয়, সাহিত্যিক হিচাবে হেম বৰুৱা প্রতিজন অসমীয়াৰে চিৰ পূজ্য। বহুতো সমস্যাৰ মাজেৰেই বৰুৱাদেৱে বিভিন্ন ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা বৰুৱাদেৱৰ অৱদানৰ সামান্য বেঙনি পাবলৈ হ'লে তেখেতৰ ৰচিত মূল্যবান গ্রন্থৰাজিৰ বিশ্লেষণ কৰাটো সমীচীন হ'ব আৰু তেনেবোৰ গ্রন্থ প্রণয়নৰ বাবে তেখেতে হাড় ভঙা পৰিশ্রম কৰিবলগীয়া হৈছিল। বৰুৱাদেৱে কবিতা, চুটি গল্প, প্রবন্ধ, ভ্রমণ কাহিনী আদি অতি সহজ সৰল ভাষাৰে সকলোৰে বোধগম্য কৰি ৰচনা কৰিছিল।

কলেজীয়া ছাত্র অৱস্থাতে বৰুৱাদেৱৰ লেখনিয়ে ঠন ধৰি উঠে। তেখেতৰ "হিয়াৰ মিলনেই" নামৰ চুটি গল্পটো প্রথম প্রকাশ পায়। ইয়াৰ পাছত তেখেতে "গোপাঁছাৰ" 'নেকলেছ' গল্পৰ অসমীয়া অনুবাদ কৰে। এইদৰেই সূচনা হয় বৰুৱাদেৱৰ লেখনীৰ। তেখেতৰ ৰচনা "আধুনিক সাহিত্য", "স্মৃতিৰ পাপৰি", "সান মিহলি" আৰু "আচুফুল" নামৰ প্রবন্ধমূলক গ্রন্থ ৰচনাই তেখেতক এজন চিন্তাবিদ সমালোচক হিচাবে প্রতিষ্ঠা কৰে। এই গ্রন্থসমূহৰ ভিতৰত 'আধুনিক সাহিত্য' সাম্প্রতিক কালত বিশ্ব সাহিত্যৰ পৰিবৰ্ত্তন ধাৰাৰ বাৰ্ত্তা বহন কৰা প্রথম গ্রন্থ। এই গ্রন্থই অসমীয়া সাহিত্যত অভিনৱ স্থান দখল কৰিছে। ইয়াৰ ভাষা আৰু শব্দৰ মধুৰ প্রয়োগে গ্রন্থখন সুখপাঠ্য কৰি তুলিছে।

প্রবন্ধ সংকলনত বৰুৱাদেৱে অসমীয়া ভাষাতে অকল ব্যুৎপত্তি লাভ কৰা নাছিল, ইংৰাজী ভাষাত স্নাতকোত্তৰ ডিগ্রী লাভ কৰা বৰুৱাদেৱে ইংৰাজী সাহিত্যতো যথেষ্ট খ্যাতি লাভ কৰিছিল। ইংৰাজী ভাষাৰ জৰিয়তে অসমীয়া সাহিত্যক অইন ৰাষ্ট্ৰৰ সাহিত্যৰ লগত খাপ খুৱাই অসমীয়া সাহিত্যৰ মৰ্য্যাদা বৃদ্ধি কৰিছিল।

"Hindustan Standard" কাকতত প্রকাশিত 'August Revolution in Assam' প্রবন্ধটি ভাৰতৰ বিভিন্ন ভাষাৰ কাকতত প্রকাশিত হৈছিল। প্রবন্ধটো যুগুতাইছিল স্বাধীনতা আন্দোলনত অসমৰ ভূমিকাৰ পটভূমিত। স্বাধীন মনা অসমীয়াই কাৰো দাসত্বৰ শিকলিৰে বান্ধ খাব খোজা নাছিল। এই শিকলি চিঙাৰ বাবে অসমৰ বীৰ-বীৰাঙ্গনাই কৰা কাৰ্য্যৰ আভাস উক্ত প্রবন্ধটিত সন্নিবিষ্ট কৰিছিল।

"The Read River and the Blue Hill" নামৰ গ্রন্থখন অসম আৰু অসমীয়াৰ ঐতিহ্যৰ প্রতীক। মনোৰম প্রাকৃতিক সৌন্দৰ্য্যৰে অসম ভূমি জাতিস্কাৰ। এইবোৰে অসমৰ পুৰণি সাংস্কৃতিক বহন সানি আহিছে।

'The fair and Festival of Assam' নামৰ গ্রন্থখন হেম বৰুৱা আৰু জে, দি, ব্ৰাভেজাহৰ যুটীয়া ৰচনা। ইয়াৰ



মাজত হেম বৰুৱাই সুমুৱাই ৰাখিছিল অসমীয়া কলা-কৃষ্টিক। বিশেষকৈ অসমীয়াৰ অতি মৰমৰ উৎসৱ বাপতি সাহোন স্বৰূপ বিহু, ধৰ্মীয় উৎসৱ দুৰ্গাপূজা, জনজাতীয় লোকৰ থলুৱা উৎসৱ, ভূটিয়া মেলা আদিৰ সুন্দৰ ৰসাত্মক বিশ্লেষণ আগবঢ়াইছে।

"Idle hours" নামৰ প্রবন্ধ সংকলনো সাহিত্য-সংস্কৃতিৰে সমল। 'Assamese literature' গ্রন্থত বৰুৱাদেৱে প্রয়োগ কৰা ভাষা সাৱলীল আৰু শ্রুতি মধুৰ। অসমীয়া ভাষা-সাহিত্য বিষয়ক এই গ্রন্থখন অসমীয়া সাহিত্যৰ প্ৰাণ স্বৰূপ। আকৌ সাহিত্য একাডেমীয়ে প্রকাশ কৰা 'Makers of Indian literature' গ্রন্থ মালাৰ অন্তৰ্ভুক্ত 'Laksminath Bezbaru' ত তেখেতে অসমীয়া সাহিত্যৰ ওজা ৰসৰাজ বেজবৰুৱাৰ চমু জীৱনী, প্রবন্ধ সাহিত্য, গল্প, কবিতা আদিৰ আলোচনা কৰিছে। হেম বৰুৱাৰ গ্রন্থসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী নকৰাকৈ থকা নাই।

ইয়াৰ পিছত বৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ শক্তিশালী অৱদান হ'ল ভ্রমণ কাহিনীসমূহ। তেখেতৰ বিদেশ ভ্রমণ কৰি পোৱা অভিজ্ঞতাবোৰেও অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

বৰুৱাৰ "সাগৰ দেখিছা" নামৰ ভ্রমণ কাহিনীৰ কিতাপখন আমেৰিকাৰ বিভিন্ন ঠাই ভ্রমণ কৰি পোৱা অভিজ্ঞতাৰ সমল। এই কিতাপখনিৰে তেখেতে আমেৰিকাৰ নিচিনা উন্নতিশীল দেশৰ সজীৱ বৰ্ণনাৰে অসমীয়া সাহিত্যক উন্নত কৰাৰ চেষ্টা কৰিছিল।

"ৰঙা কৰবীৰ ফুল" নামৰ কিতাপখন বিশ্বৰ প্রথম সমাবাদী ৰাষ্ট্ৰ ৰাছিয়াৰ ভ্রমণ কাহিনী। ইয়াত ৰাছিয়াৰ বিভিন্ন চহৰ ভ্রমণ কৰি পোৱা অভিজ্ঞতাবোৰ সন্নিবিষ্ট কৰা আছে। এই কিতাপখনত ৰাছিয়াৰ বুকুত ঘটা মহান বিপ্লৱৰ আদৰ্শ, ৰুচবাসীৰ বীৰত্ব, সাহিত্য-সাংস্কৃতিক দিশত আগবঢ়াৰ দিশসমূহ বিশ্লেষণ কৰা আছে।

'ইজৰাইল'ও তেওঁৰ এখন অন্যতম মনোৰম ভ্রমণ কাহিনী। ইহুদীৰ দেশ ইজৰাইল ভ্রমণ কৰাৰ পিছত এই পুথিখন লিখে। ইজৰাইলৰ জন্ম হয় ১৯৪৮ চনত। গদ্যত লিখা হ'লেও 'সাগৰ দেখিছা'ৰ দৰে এই পুথিখনৰো এটা কাব্যিক মূল্য আছে।

'মেকং নৈ দেখিলো' কিতাপখনত বৰুৱাদেৱে থাইলেণ্ড, মালয়েছিয়া, চিঙ্গাপুৰ, কম্বোদিয়া আৰু লাওচ এই পাঁচখন দেশৰ ভ্রমণ কাহিনীৰ অভিজ্ঞতা সন্নিবিষ্ট কৰিছে।

'ব্ৰহ্মদেশৰ নাটঘৰ', 'ব্ৰহ্মদেশৰ জিলমিল' ব্ৰহ্মদেশ ভ্রমণ কৰি তাৰ ৰঙ্গমঞ্চৰ ওপৰত আলোকপাত কৰি লিখা বৰুৱাদেৱৰ আন দুখন মূল্যবান পুথি। তেখেতৰ এই কিতাপ দুখনিৰে ব্ৰহ্মদেশৰ কলা-কৃষ্টি অসমৰ ৰঙ্গমঞ্চলৈ আগবঢ়োৱা এক বিশেষ অৱদান।

বৰুৱাদেৱে ভ্রমণ কাহিনীৰে অসমীয়া সাহিত্য যথেষ্ট চহকী কৰি থৈ গৈছে। মৌমাখিয়ে নানা ফুলৰ পৰা মৌ ৰস সংগ্রহ কৰি

মৌচাক সজাৰ দৰে, বৰুৱাদেৱেও দেশ-বিদেশৰ সাহিত্যৰ মৌ-ৰস পান কৰি অসমীয়া সাহিত্যৰ মৌচাক সাজিছিল। ভ্ৰমণ কাহিনী ৰচনাত বৰুৱাদেৱৰ সাৰ্থকতা পৰিলক্ষিত হয়। ৰসাল, সাৱলীল আৰু সূক্ষ্ম দৃষ্টিভঙ্গীৰে বৰুৱাদেৱে ভ্ৰমণ সাহিত্যক জনপ্ৰিয় কৰি তুলিছে।

বিভিন্ন বিষয়ৰ উপৰিও বৰুৱাদেৱে কবিতাবো সৃষ্টি কৰিছিল। আধুনিক কবিতাৰ আন্দোলনত বৰুৱা আছিল একনিষ্ঠ পূজাৰী। "দৌল পূৰ্ণিমা", "গুৱাহাটী ১৯৪৪" আদি কবিতা পুথিও ৰচনা কৰে। বৰুৱাদেৱৰ এই কবিতাত বিপ্লৱী মনোভাৱৰ পৰিচয় পোৱা যায়। তেখেতে মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা কিছু প্ৰভাবান্বিত হৈছিল। তেখেতৰ কবিতাত মানুহৰ জীৱনৰ ক্ষুধা প্ৰতিধ্বনিত হৈছিল।

বৰুৱাদেৱে আলোচনী আদিও সম্পাদনা কৰিছিল।

ৰাজনৈতিক নেতা, সংসদী সদস্য ৰূপে লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ ফল স্বৰূপ হ'ল "ডাক পখিলী"। দেশ-বিদেশৰ সাহিত্যৰ অভিজ্ঞতাৰে চহকী হেম বৰুৱাৰ লেখনিয়ে আছিল তেখেতৰ ব্ৰত। এই সম্পৰ্কত ডঃ ৰাধাকৃষ্ণণে হেম বৰুৱাক কৈছিল— "I am glad that you write, nothing ultimately lasts except your writing" হেন বৰুৱা আছিল একেধাৰে ৰাজনীতিবিদ, কবি, সাহিত্যিক, সমালোচক। একান্ত কৰ্তব্য নিষ্ঠাৰে জীৱনত বহুতো ঘাত-প্ৰতিঘাতৰ মাজেদি লেখনি ধৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। ইয়াৰ বাবে তেখেতে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। হেম বৰুৱাৰ এই আদৰ্শ আৰু কৰ্ম প্ৰেৰণা অসমীয়াৰ বাবে জীৱন্ত আদৰ্শ হৈ ৰ'ব।



# চিত্ৰকৰ পল গগাঁ

মৌচুমী শইকীয়া
স্নাতক ১ম বাৰ্ষিক (দিবা)

বিশ্ব ইতিহাসৰ পাতত যিসকল ব্যক্তিৰ নাম অবিস্মৰণীয় ভাৱে লিপিবদ্ধ হৈ আছে, সেইসকলৰ মাজত এনে কিছুমান দৃঢ়মনা সাহসী শিল্পী আছে যাৰ বিশ্বজোৰা খ্যাতিৰ বাবে সাধনাৰ পথ জীৱনৰ প্ৰথমছোৱাত ৰুদ্ধ হৈ আছিল। জীৱন-নিৰ্বাহৰ অশেষ ঘাত-প্ৰতিঘাতৰ বেষ্টনীৰ মাজত আবদ্ধ থাকিও অহৰহ স্বকীয় প্ৰচেষ্টা আৰু সাধনাৰ দ্বাৰা চিত্ৰকলাৰ ইতিহাসত মহান শিল্পীৰ শাৰীত স্থান লবলৈ সমৰ্থ হোৱা দুগৰাকী স্বনামধন্য ব্যক্তি হ'ল অ'ৰি মাটিচ (Henri Matisse) আৰু পল গগাঁ (Paul Gangauin)। উল্লেখযোগ্য যে, জীৱনৰ নানা সংঘাতেৰে বিধ্বিত এই শিল্পীদ্বয়ে কুৰি-বছৰ বয়স পৰ্য্যন্ত চিত্ৰকলাত মনোনিবেশেই কৰা নাছিল। ঐক্যান্তিক শিল্প-সাধনাৰে সুফল লাভ কৰা পল গগাঁৰ সমগ্ৰ জীৱনটো আছিল উত্থান-পতনৰ এক অপূৰ্ব সংমিশ্ৰন।

১৮৪৮ চনৰ ৭ জুন তাৰিখে পেৰিচত পল গগাঁৰ জীৱনৰ শুভাৰম্ভ হয়, কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত তিনি বছৰ বয়সতে পিতৃহীন হোৱাত, মাতৃয়ে তেওঁক অশেষ কষ্টেৰে লালন-পালন কৰে। জীৱন-নিৰ্বাহৰ দায়বদ্ধতাই তেওঁক ১৭ বছৰ বয়সতেই নৌ-বাহিনীত যোগ দিবলৈ বাধ্য কৰালে। নিজৰ কৃতিত্বৰ গুণত তেওঁ দ্বিতীয় লেফ্‌টেনাণ্ট পদলৈ উন্নীত হৈ ফৰাচী নৌবাহিনী সেৱা কৰাৰ পিছত ১৮৭১ চনত পেৰিচলৈ প্ৰত্যাৱৰ্ত্তন কৰি এখন ফাৰ্মত সোনাই উপাৰ্জনৰ পথ বাছি লয়। প্ৰকৃতাৰ্থত কবলৈ গ'লে, গগাঁৰ শিল্পী-জীৱনৰ পাতনি তেতিয়াৰ পৰাই সূচিত হ'বলৈ ধৰে। কাৰণ গগাঁৰ নতুন অভিভাৱকজন আছিল এজন চিত্ৰ সংগ্ৰাহক। তেওঁৰ সংগৃহীত ছবিবোৰে গগাঁৰ দৃষ্টি বাৰুকৈয়ে আকৰ্ষন কৰিলে। সোণত সুৱগা চৰাৰ দৰে অভিভাৱকজনে গগাঁৰ ছবিৰ প্ৰতি থকা অত্যুৎসাহক উদ্দীপনা যোগাই তেওঁৰ আত্মপ্ৰকাশৰ পথ প্ৰশস্ত কৰি দিলে।

১৮৭৩ চনত গগাঁই এজনী ডেনিছ ছোৱালীৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। স্বামীৰ চিত্ৰৰ প্ৰতি থকা অনুৰাগৰ কথা তেওঁৰ পত্নীয়ে তিনি বছৰৰ পিছতহে জানিব পৰাটোও

এক আশ্চৰ্য্যৰ বিষয় বুলি কব পাৰি। ১৮৭৬ চনত গগাঁই আঁকা এখন প্ৰাকৃতিক দৃশ্যৰ ছবিৰ সফলতাই তেওঁক অধিক উৎসাহ-উদ্দীপনা যোগালে। পিছাৰো (Pissarro), চেজাঁ (Cizanne) আৰু ইম্প্ৰেশ্যনিষ্ট সকলৰ ছবিৰ সৈতেও তেওঁৰ পৰিচয় হ'ল। ১৮৮১ চনত তেওঁ এগৰাকী বিবস্ত্ৰা নাৰীৰ চিত্ৰ আঁকি অভূতপূৰ্ব্ব সাফল্য লাভ কৰিলে আৰু তাৰ পিছৰ পৰাই চিত্ৰকলাকে জীৱিকাৰ মাধ্যম হিচাবে লৈ আগৰ কামো ত্যাগ কৰিলে। স্বীকাৰ কৰিব লাগিব যে তেওঁৰ শিল্পী-জীৱনৰ অন্যতম মূলধন হ'ল ত্যাগ, দৃঢ়তা আৰু সাধনা। ১৮৮৫ চনত তেওঁ আঁকা "Cows at the watering place" ছবিখনত ইম্প্ৰেশ্যনিজমৰ প্ৰভাৱ পৰা দেখা যায়। বাৰ্নাৰ্ড নামৰ এজন চিত্ৰকৰৰ যোগেদি গগাঁই লগ পালে ল'ট্ৰেক, চ্যুৰা আদি প্ৰমুখ চিত্ৰকাৰসকলক। তেওঁ ভিনচেণ্ট ভেনগগৰ সৈতেও কাম কৰাৰ সুবিধা পাইছিল, কিন্তু তেওঁৰ সৈতে গগাঁৰ মতানৈক্য হৈছিল; কিয়নো গগাঁই প্ৰশংসা কৰা শিল্পীসকলৰ প্ৰতি গগৰ সহানুভূতি নাছিল আৰু গগে প্ৰশংসা কৰা শিল্পীসকলৰ প্ৰতি গগাঁৰ সহানুভূতি নাছিল।

১৮৯১ চনত আদিম জীৱন যাপন কৰা অধিবাসীসকলৰ এক বাসস্থান টাহিটি নামৰ দ্বীপলৈ গৈ গগাঁই হাততে স্বৰ্গ চুকি পোৱা যেন পালে। গগাঁই সদায় নগ্ন মডেলৰ অনুসন্ধানত আছিল। সেয়ে আদিম বিষয়-বস্তু উপস্থাপন কৰিবলৈ তেওঁ নিজৰ কৰি ল'লে এটি টাহিটিয়ান ছোৱালীক। কোৱা বাহুল্য, অনুন্নত টাহিটি নামৰ ঠাইতে গগাঁই অধিকাংশ ছবি সৃষ্টি কৰিছিল। গগাঁ আছিল অনন্য-সৃজনী প্ৰতিভাৰ এক বিৰল উদাহৰণ। তেওঁ অতীৱ সাহসেৰে পৰম্পৰাগত ধাৰা সলনি কৰি চিত্ৰকলাত এক নতুন ধাৰাৰ প্ৰৱৰ্ত্তন কৰিলে। তেওঁৰ চিত্ৰৰ বিষয়বস্তুবোৰ সহজভাৱে অংকন কৰা। তেওঁৰ শৈলী আছিল অনন্য-সাধাৰণ। নতুনত্বৰ সন্ধানৰ বাবে তেওঁ কটু সমালোচনাৰো বলি হবলগীয়া হৈছিল। তেওঁৰ চিত্ৰকলাৰ অন্যতম বৈশিষ্ট্য হ'ল ক'লা আৰু সঙ্গীতৰ সামঞ্জস্য। অমৰ শিল্পী ডেলাক্ৰোৱা (Delacroix) আৰু চেজাঁৰ প্ৰভাৱে গগাঁক প্ৰভূত পৰিমাণে প্ৰেৰণা যোগাইছিল বুলি ক'লে অত্যুক্তি কৰা নহয়। দাৰিদ্ৰ পীড়িত জীৱন সাৱটি লৈও এইজনা মহান শিল্পীয়ে চিত্ৰকলা জগতলৈ অনবদ্য অবদান আগবঢ়াইছিল। তেওঁৰ "The moon and the Earth" এখন প্ৰতীকবাদী ছবি। তেওঁ আঁকা এখন বিখ্যাত ছবি হ'ল—"Where do we come from? What are we? Where we are going? দুঃখৰ বিষয় যে এই ছবিখনৰ সৃষ্টিৰ প্ৰাক্‌মুহূৰ্ত্তত তেওঁ পুত্ৰ শোক পাই আৰ্চেনিক খাইছিল। কিন্তু ভাগ্যবশতঃ তেওঁৰ জীৱন ৰক্ষা কৰিব পৰা হ'ল।

তেওঁৰ অনবদ্য সৃষ্টিসমূহৰ ভিতৰত "দি ইয়েল'ক্ৰাইষ্ট, লা বেলা এঞ্জেল," "দ্য ভিজান আফটাৰ দ্য চাৰ্মন" "ৰাইদাৰচ অন দ্য বিচ" "গাৰ্ল বিথ এ ফ্লায়াৰ" ইত্যাদি উল্লেখনীয়।

প্ৰাকৃতিক দুৰ্যোগত ১৯০৩ চনত গগাঁই নতুনকৈ ক্ৰয় কৰা এটা ঘৰ বিনষ্ট হয়। টাহিটিয়ান সকলৰ সপক্ষে কোৱাৰ বাবে গগাঁক অভিযুক্ত কৰি তিনিমাহ কাৰাদণ্ড বিহা হয়। পিচে আপীল কৰিবলৈ নৌ পাওঁতেই গগাঁ ১৯০৩ চনৰ ৮মে তাৰিখে স্বৰ্গগামী হয়।

০ ০ ০

# মুক্তামালা

১ "বিজ্ঞানৰ প্ৰত্যেক শাখাই দৰ্শন হিচাবে আৰম্ভ হয় আৰু কলা হিচাবে শেষ হয়।"

— উইল ডুৰাণ্ট

২। "সুখেই যদি জীৱনৰ লক্ষ্য হয় তেনেহ'লে আমাৰ আদৰ্শ হ'ল-হেঁতেন কুকুৰ, মেকুৰী, গৰু, ভেড়া।"

— আইনষ্টাইন

৩। "আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় দি থকা চহা খেতিয়কজন বেছি ডাঙৰ মানুহ।"

- বেঞ্জামিন ফ্ৰেঙ্কলিন

৪। "এটি সূৰ্যোদয় জীৱনৰ আৰম্ভণি। প্ৰতিটো সূৰ্য্যাস্ত জীৱনৰ শেষ। এই কম সময়ৰ ভিতৰত প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰাৰ উপৰিও পৰোপকাৰী কামৰ খতিয়ান ৰাখি থব লাগে।"

— ৰাস্কিন

৫। "সৌন্দৰ্য্য আৰ্টৰ এটা অপৰিহাৰ্য্য অংগ। সৌন্দৰ্য্যহীন আৰ্টৰ কোনো অস্তিত্ব নাই, থাকিবও নোৱাৰে।"

— ডি, জি বেলিনস্কি

৬। "জগতৰ ভাল বা বেয়া কোনো কথা নাই। মানুহৰ মনেহে মাথো ভাল বেয়াৰ সৃষ্টি কৰে।"

-শ্বেকছ্‌পীয়েৰ

সংগ্ৰহ : অমি হাজৰিকা, স্নাতক ২য় বৰ্ষ॥

# সমাজ সংস্কাৰক

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

ৰুমী হাজৰিকা
স্নাতক ১ম বৰ্ষ

শ্ৰীমন্ত শঙ্কৰদেৱ ত্ৰিভুবন বন্দন দৈৱকী-নন্দন কংস নিধনকাৰী কৃষ্ণৰেই অংশ। তেওঁ অসমীয়া জাতিৰ প্ৰাণৰো প্ৰাণ, হিয়াৰ আমঠু। যিসময়ত অসমীয়া জাতি, সংস্কৃতি, ভাষা, কৃষ্টি, ধৰ্ম আৰু সমাজ জীৱনৰ বিভিন্ন প্ৰকাৰৰ শোষণ চলিছিল, মানুহে মানুহক অতি গৰ্হিত ব্যৱহাৰ কৰিছিল, মানুহে মানুহৰ মাজত অলৌকিক চিন্তাৰ আঁত বোৱাই দি মানুহক পথভ্ৰষ্ট কৰিছিল, জনসাধাৰণ প্ৰকৃত জ্ঞানৰ পৰা বঞ্চিত হৈছিল— সেই সময়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ লিখনিৰে সকলোকে জ্ঞান চক্ষু মুকলি কৰি দিয়ে।

মহাপুৰুষৰ প্ৰতিভাৰ মহত্বৰ আভাস পাবলৈ হ'লে আমি সেই সময়ৰ অসমীয়া সমাজৰ প্ৰকৃত অৱস্থা কি আছিল তাক ভাল-কৈ চাব লাগিব। বিভিন্ন পুথি, বুৰঞ্জীৰ বিৱৰণ, কামৰূপ শাসনাৱলী, তামৰ ফলি আদিৰ পৰা জানিব পাৰি যে নৱম শতিকাৰ পৰা একাদশ শতিকালৈ অসম-কামৰূপত শৈৱ ধৰ্মৰ প্ৰাধান্য আছিল। একাদশ শতিকাৰ শেষৰ ফালে দুৰ্গাদিৰো পূজাৰ প্ৰচলন প্ৰৱল ভাৱে চলিছিল। ভাৰতৰ ৫১ খন পীঠৰ প্ৰধান শক্তিপীঠ কামাখ্যা অতীজৰ পৰা শক্তি পূজাৰ কেন্দ্ৰ স্থল আছিল। অসমৰ পূৱফালে চুতীয়া সকলৰ মাজত কেঁচাই খাইতী গোঁসানীৰ পূজা চলিছিল। তদুপৰি সেই সময়ত বজ্ৰযান, কালচক্ৰযান, বৌদ্ধতান্ত্ৰিক, ধাম-ধামীয়া, শাক্তপন্থ, সহজপন্থ আদিৰ দুৰ্ঘোৰ প্ৰভাৱ আছিল। নানা ৰকমৰ বলি বিধান আছিল। সেয়েহে দৈত্যাৰি ঠাকুৰে লিখিছে—

"ই দেশত পূৰ্বকালে নাছিল ভকতি।
নানা ধৰ্ম-কৰ্ম লোকে কৰিল সম্প্ৰতি॥
নানা দেৱ পূজয় কৰয় বলি দান।
হংস ছাগ পাৰ কাটে সহস্ৰ প্ৰমাণ॥
তপ জপ যজ্ঞ দান তীৰ্থ স্নান কৰে।
ঘোৰ নৰকত পৰি পৰি সবে মৰে॥

জ্ঞান সংকলনী তন্ত্ৰই মত দিছে—
'মাতৃ যোনিং পৰিত্যজ্য বিহৰেৎ সৰ্বযোনিষু।'
অৰ্থাৎ জন্মদাতৃ মাকৰ বাহিৰে সকলো নাৰীকে সম্ভোগ কৰিব পাৰে। এনে ব্যভিচাৰী ধৰ্ম ব্যৱস্থাৰ ফল স্বৰূপেই মানৱ জাতিৰ নৈতিক অধঃপতনে চূড়ান্ত অৱস্থা পাইছিল।

এডৱাৰ্ড গেইটৰ অসম বুৰঞ্জী আৰু দৰং ৰাজবংশাৱলীত সেই সময়ত ধৰ্মৰ নামত চলা জঘন্য আচাৰ-নীতিৰ কথা বৰ্ণনা কৰা আছে। তেনে এক সামাজিক আৰু ধৰ্মীয় পৰিবেশৰ মাজতেই সৰ্বগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ ধৰাত অৱতীৰ্ণ হয়।

মহাপুৰুষে এটা যুগান্তকাৰী বিপ্লৱ আনিছিল। মানৱে ধৰা সমাজখন নিকা কৰিবলৈ বিভিন্ন উপায় হাতত লৈছিল। তেওঁ প্ৰথমে ধৰ্ম সংস্কাৰৰ বাবে কাম হাতত লয়। তেওঁ জনসমাজত এইটো প্ৰচাৰ কৰিলে যে একমাত্ৰ ঈশ্বৰক একমনে, একধ্যানে আৰাধনা কৰিলে সকলো পাপ নাশ হয়।

মহাপুৰুষ শঙ্কৰদেৱৰ মতে জন্মগত ভাৱে মানুহৰ কোনো উচ্চ-নীচ ভেদাভেদ থাকিব নোৱাৰে। তেওঁ সকলো প্ৰাণীকে আত্মসম দেখিবলৈ কৈছে—

"সমস্ত প্ৰাণীক দেখিবেক আত্মসম।
উপায় মধ্যত ইটো অতি মুখ্যতম॥
কুকুৰ চণ্ডাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥"

সকলো জাতি-অজাতিৰ সামাজিক চেতনা জাগ্ৰত কৰাৰ আন উপাদানবোৰ হ'ল— বিভিন্ন পুথি প্ৰণয়ন, ভাওনা পতা, দৌল পতা। তেওঁ আৰু তেওঁৰ অনুগামী সকলে ৰচনা কৰা সাহিত্যৰাজি অসমীয়া জাতিৰ মূল্যবান সম্পদ। সেই সময়তে ৰচিত গীত-পদ, নাট, কীৰ্ত্তন, বৰগীত দশম, ভাগৱত, গীতা, ভক্তি-ৰত্নাকৰ আদি গ্ৰন্থ অসমীয়া সাহিত্যৰ মণি-মুক্তা স্বৰূপ। জনতাৰ চক্ষুৰ অন্তৰালত থকা বস্তুবোৰ তেতিয়াৰ পৰা মানুহৰ দৃষ্টি গোচৰ হোৱাত জনসমাজত চেতনা আহি পৰে। শঙ্কৰদেৱে সাম্য-মৈত্ৰী ভাৱৰ দ্বাৰা জাতি-উপজাতিৰ সকলোকে একতাৰ দোলেৰে বান্ধিলে।

"অসমীয়া সমাজৰ প্ৰকৃত বুৰঞ্জী, অস-মীয়া জাতীয়তাৰ স্বৰূপ ইতিহাস বাস্তৱতে শঙ্কৰদেৱৰ বিস্তৃত জীৱনী মাত্ৰ।" তেওঁ প্ৰথমে সাম্য-মৈত্ৰীৰ মহান বাণী প্ৰচাৰ কৰে।

"কুকুৰ খায় হেন দেহ গণে।
সিয়ো শুদ্ধ হোৱে হৰি কীৰ্ত্তনে॥
চাণ্ডালো হৰি নাম লৱে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ॥"

স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধীয়ে অস্পৃশ্যতা বৰ্জনৰ যি আন্দোলন কৰিব লগা হৈছিল, মহাপুৰুষ শঙ্কৰদেৱে আজিৰে পৰা পাঁচশ বছৰৰ আগতে সেই আন্দোলন কৰিছিল। তেওঁ সকলো শ্ৰেণীৰ লোকক ধৰ্ম দান কৰিছিল।

মহাপুৰুষজনাই ভাগৱতৰ পৰা এক-শৰণ ধৰ্ম প্ৰচাৰ কৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বি-শেষে সকলোকে সমান স্থান দি অসমীয়া সমা-জৰ মাজত নতুন জীৱনী শক্তি দান কৰিলে। অসমৰ জাতীয় জীৱনলৈ এক বৈপ্লৱিক পৰি-বৰ্তন আনিলে। সমাজৰ মাজৰ পৰা ধৰ্মৰ নামত চলা কু-সংস্কাৰ, ব্যভিচাৰ, জাতি-ভেদ

ভাব ক্ৰমান্বয়ে আঁতৰি গ'ল। হিংসাবাদৰ ঠাইত মানুহৰ মনত পৰমানন্দ লাভৰ পথ সুগম হ'ল।

জাতি-ধৰ্ম নিৰ্বিশেষে সকলো মানুহৰ সমান স্থানৰ স্বীকৃতি শ্ৰীমন্ত শঙ্কৰদেৱে যেতিয়া সমাজত ঘোষণা কৰিলে, তেতিয়াই বিশেষকৈ পিছপৰা শ্ৰেণীৰ লোকসকলে নৱবৈষ্ণৱ ধৰ্মৰ মহান গুৰু শঙ্কৰদেৱৰ যোগে অসমৰ সামাজিক ইতিহাসত প্ৰথমবাৰৰ বাবে প্ৰাপ্যস্থান লাভ কৰিলে। শঙ্কৰদেৱ জনতাৰ পৰিত্ৰাণ কৰ্তা হৈ পৰিল। তেওঁৰ সমাজৰ বিশৃঙ্খলতা নাই, মানুহৰ মাজত পৰস্পৰ প্ৰেম আৰু একতাৰ বান্ধোনেৰে ধ্বংসমুখী অসমীয়া সমাজ সংস্কাৰ কৰি নতুনকৈ গঢ় দিলে। গুৰুজনাৰ মহান অবদান অসমীয়া ভাষা-সাহিত্য, জাতীয় কৃষ্টি-সংস্কৃতি আৰু সভ্যতাৰ যুগমীয়া উজ্জ্বল বন্তি। গুৰুজনাৰ চেষ্টাৰ ফলতেই আজিও অসমীয়া জাতিয়ে নিজৰ স্বকীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি আৰু সভ্যতাৰ মৌলিক বৈশিষ্ট্য লৈ জীয়াই থকাৰ সমল লাভ কৰিছে।

মহাপুৰুষজনাৰ গোটেই জীৱন সাধনাৰ ফলত অসমীয়া সমাজৰ এটি সুন্দৰ ৰাজ-আলি গঢ়ি উঠিল। মানুহৰ মাজত ধৰ্ম-সংস্কৃতি আৰু নানা আলাপ-আলোচনাৰ মাজেৰে শুদ্ধ আচাৰ-ব্যৱহাৰ, একতা আৰু আপোন ভাব আনিবৰ বাবে মহাপুৰুষে সমূহীয়া প্ৰাৰ্থনাগৃহ নামঘৰৰ প্ৰৱৰ্তন কৰিলে। গায়ন-বায়ন, সূত্ৰধাৰ, নাম লগোৱা, বিলনীয়া আদি বিষয়-ববীয়াৰ ব্যৱস্থা কৰাই সমাজৰ একো একোটা গোট তেখেতসকলৰ পৰামৰ্শৰে চলোৱাৰ ব্যৱস্থা গুৰুজনাৰে অৱদান।

স্নানৰ নিয়ম, শয়নৰ নিয়ম আদি নীতি-নিয়মো গুৰু বাক্য হিচাবে পালন কৰি স্বাস্থ্য, ধন, মন সকলো শুচিকৈ ৰখাৰ ব্যৱস্থা দিলে।

সাংস্কৃতিক দিশত যাতে সমাজ আগবাঢ়ি যায় তাৰ বাবে নানা গীত, মাত, নাট, ৰচনা কৰিলে। ইয়াৰ লগে লগে খোল-তাল লৈ ভাওনা পতাৰ দিহা কৰিলে। অসমীয়া সমাজৰ জখলাটোৰ তলৰ খাপত গাঁৱে-ভূঞে নামঘৰ আৰু সৰ্বোচ খাপত সত্ৰ স্থাপনৰ এই গণতান্ত্ৰিক সামাজিক পদ্ধতিটো ইমান দৃঢ় হৈ পৰিল যে সেই যুগৰ ৰাজতন্ত্ৰৰ অৱসান, তাৰ পাছত বৃটিছ সাম্ৰাজ্যবাদৰ উপনিবেশ স্থাপন, শেষত ভাৰতৰ স্বাধীনতা আদি ৰাজনৈতিক পৰিবৰ্ত্তনেও তাক আজিও লৰচৰ কৰাব কৰাব পৰা নাই।

ব্যয়-বহুল যাগ-যজ্ঞ আৰু হিংসাত্মক বলি-বিধানৰ পৰিবৰ্ত্তে তেওঁৰ ধৰ্মমত আটাইতকৈ সহজ, সহিষ্ণু সৰল হোৱাৰ উপৰিও আৰ্থিক দিশত দুৰ্বল লোকৰ বাবেও পালনীয় আছিল। পৃথিৱীৰ উন্নত সু-সভ্য জাতি এটা জীয়াই থাকিবলৈ যিখিনি সম্বলৰ প্ৰয়োজন গুৰুজনাই ধৰ্ম, ভাষা, সাহিত্য, দৰ্শন, কলা, সংস্কৃতি, নাট, গীত আদি দান কৰি গণতন্ত্ৰ-সাম্যবাদ সমন্বয়ৰ মহান আদৰ্শৰে অসমীয়া জাতিক বিশ্বৰ শ্ৰেষ্ঠ জাতিসমূহৰ আগশাৰীত অধিষ্ঠিত কৰি থৈ গৈছে। আজি অসমীয়া জাতিয়ে অস্তিত্ব বিপৰ্য্যয়ৰ সন্ধিক্ষণত আত্মৰক্ষা কৰিবলৈ হ'লে মহাপুৰুষৰ সেই আদৰ্শাৱলী স্মৰণ কৰিলেই নহ'ব, বাস্তৱ জীৱনত সেইবোৰ আখৰে আখৰে পালন কৰিব লাগিব; কাৰণ অসমীয়াৰ এই সঙ্কট কালত একমাত্ৰ ত্ৰাণকৰ্ত্তা মাথো শ্ৰীমন্ত শঙ্কৰদেৱহে। *

* বিভিন্ন লেখকৰ গ্ৰন্থ-প্ৰৱন্ধাদিৰ সহায়ত যুগুত কৰা হৈছে।



---

১। মানুহে ভুল স্বীকাৰ কৰিবলৈ লাজ পোৱা উচিত নহয়। এই কামে মানুহক অতীততকৈ বৰ্ত্তমানে তেওঁক অধিক জ্ঞানী হোৱাটোকেই বুজায়।

*- আলেকজেণ্ডাৰ পোপ -*

২। মুখৰ সৌন্দৰ্য্যৰ লগত অন্তৰৰ সৌন্দৰ্য্য মিল নাথাকিলে কোনো নাৰীয়েই সুন্দৰ হ'ব নোৱাৰে। **—বাৰ্ণাডশ্ব—**

৩। জীৱন সংগ্ৰামৰ পদে পদে বাধা নাথাকিলে সংগ্ৰামৰ অৰ্থ কি হ'ল? সহজতে পোৱা কোনো বস্তুৱে তৃপ্তি নাথাকে। তৃপ্তি কষ্টসাধ্য বস্তু এটাৰ ওপৰতহে পোৱা যায়। **—টমাছ হাৰ্ডি—**

৪। যি সকলে নিজ কথামতে কাম নকৰে, তেওঁলোকৰ কথাবোৰ গোন্ধ নোহোৱা ধুনীয়া ফুলৰ দৰে, কিন্তু ফলহীন। **—বুদ্ধদেৱ—**

৫। যিয়ে এবাৰ বিশ্বাসঘাতকতা কৰিছে তেওঁক বিশ্বাসত নলবা।

**—শ্বেক্সপীয়েৰ—**

৬। কেতিয়াও ভুল নকৰাৰ ওপৰতেই সাফল্য নিৰ্ভৰ নকৰে, সাফল্য নিৰ্ভৰ কৰে একেটা ভুলকেই দ্বিতীয়বাৰ নকৰাৰ ওপৰতহে।

**—এইচ. ডব্লিউ, শ্ব—**

৭। আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰি লবা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। **—ছক্ৰেটিছ—**

**সংগ্ৰহ— স্বৰ্ণালী ভৰালী,** স্নাতক 'দ্বিতীয় বাৰ্ষিক'।

# গল্প ঃ

"গল্প-উপন্যাসত
সামাজিক বাস্তৱ চিত্রিত কৰিবলৈ যাওঁতে
গল্পকাৰ বা ঔপন্যাসিকে কেৱল কিছুমান
নিৰ্জীৱ তথ্য বা সূত্ৰ প্ৰতিফলিত নকৰে।
সমাজৰ চলমান জীৱনত
তেওঁ যিবোৰ সৎ বা সুন্দৰ উপাদান
আৱিষ্কাৰ কৰে আৰু যিবোৰ
অকল্যাণ তথা ক্ষয়ৰ বীজাণু দেখা পায়—
সেইবোৰো তেওঁৰ বিৱৰণত পৰিস্ফুট হৈ উঠে।
অৱশ্যে শেহান্তৰত গল্প-লেখক বা ঔপন্যাসিকৰ
এই সক্ৰিয় সহাঁৰি এক শ্ৰেণী-সচেতনাৰে
কম-বেছি পৰিমাণে
শক্তিশালী আৰু সচেতন পৰিণতি।"

ড° হীৰেণ গোহাঁই

# মই আৰু গল্প নিলিখো


*নিৰুপ্ৰভা ভূঞা*
স্নাতক ১ম বৰ্ষ (দিবা শাখা)


— নাই, আকৌ ইংৰাজী চাৰ্ নাই। পুনৰ একেটা চিন্তাতে ডুবি ৰলো।

— কেইদিন মানৰ পৰা মই গল্প এটা লিখিবৰ বাবে এটা সুন্দৰ সুঠাম প্লট বিচাৰি বিভিন্ন সমস্যাবোৰ মনত পেলাই ভবা-গুণা কৰি আছো। কলেজৰ আলোচনী ওলাব; অন্ততঃ আলোচনীৰ পাতত এভুমুকি মাৰিবৰ বৰ ইচ্ছা, পিছে গল্পই বা লিখিম কি প্লটেৰে!

কবিতা এটাকে লিখিম নেকি? অৱশ্যে কবিতাওতো কম নহয়! এটা কবিতা হবলৈ হ'লে কবিতাটোৰ লগত কবিৰ একাত্মতা আৰু এটা পৰিবেশ লাগে। এইটো লিখো বুলি লিখা বিভাগৰ নহয়। ই এটা মানুহৰ চৰম আবেগৰ লিখিত সাক্ষী। কবিতা লিখিলে এটা ভাব লাগে; নাই মোৰ একো ভাব নাহিল। কবিতা লিখা নহ'ল।

বাৰু কবিতা নিলিখোৱে যেনিবা; প্ৰবন্ধ এটাকে অন্ততঃ লিখিব পাৰো নহয়! পিছে লিখিম কেনেকৈ? অন্যৰ কিবা প্ৰবন্ধৰ "সহায় লৈ" বুলিয়ে লিখো নেকি? এহ্ সহায় যেনিবা লমেই, নিজত্ব নহ'লে আলোচনীত প্ৰকাশ পোৱাটোনো কি ডাঙৰ কথা! দিনে দিনে ভাল ভাল প্ৰবন্ধবোৰ দেখোন কাগজে-পত্ৰে ছপা হৈ ওলায়েই থাকে। ঠিক একে কথা। তাতে নিজে এটা প্ৰবন্ধ লিখিবলৈও বৰ কষ্ট হ'ব। কাৰণ মই ভালকৈ জানো যে—প্ৰবন্ধ এটা পৰিষ্কাৰ কৈ বুজিবলৈ যোৱা মানে মোৰ পক্ষে ডাঙৰ সমস্যা, তাতে বৈজ্ঞানিক যুগত বৈজ্ঞানিক দৃষ্টি ভংগীৰেহে লিখিব লাগিব। লিখিমেই বা কি? বিষয়টোনো কি লম? নাই ইমান দীঘলীয়া বিজ্ঞানৰ কৰ্চ্ এটা ডিঙিত মেৰাই লব নোখোজো। বিজ্ঞানহে যি—এটা ৰ'মাই নাগাচাকি হিৰোচিমা চাৰখাৰ কৰি দিলে—তাতে মোৰ কলমে-কাগজে বিজ্ঞানৰ ৰসেৰে মৌ সাজিবলৈ গৈ ব'মা যে নাসাজিব তাৰ কি মানে আছে? বিজ্ঞানৰ বিষয় বাদ। মানে প্ৰবন্ধ ক্লচ্।

প্ৰবন্ধ যেনিবা নিলিখিলোৱেই। অন্ততঃ কিবা এটা লিখিব লাগিব। কলেজৰ

সহ-পাঠীয়ে কৈছে, 'চশ্মা, কিবা এটা লিখিব দেই, আপুনি নতুনকৈ আহিছে, কিবা এটা লিখা-মেলা কৰিলে ভাল········কবিতা নতুবা গল্প········ ।'

এহ্, বৰ বিপাঙত পেলালা হে'ৰা । তাতে মোৰো মনটোও হ'বলা কম ? লক্-লকাই আছে নকৈছো তোমাৰ আলোচনীৰ কথা শুনি । ইনাগে স্মৃতি ৰওক বা নৰওক মোৰ আক্ষেপ নাই । মাত্ৰ আলোচনীৰ পাতত লুকা-ভাকু খেলিবলৈ পালে ধন্য হ'ম নহয়, হেৰা ! হেৰা মন কৰা মোৰ যে হেঁপাহ কা আৰু !

সিদ্ধান্ত ! ওঁ সিদ্ধান্ত এটা লাগে । কবিতা নিলিখো, প্ৰবন্ধ নিলিখো আৰু কিবা-কিবিও নিলিখো । সিদ্ধান্ত হ'ল—গল্প এটাকে লিখিম ।

গল্পটোৰ প্লটটো নো কেনে ধৰণৰ হ'ব ! অন্ততঃ এটা সুন্দৰ কাহিনীৰ দৰকাৰ । কিছু নিৰ্দিষ্ট মানুহ আৰু কিছু ঘটনাৰ লগতহে মোৰ পৰিচয় । তাৰো আমনিদায়ক বিভিন্ন বিন্যাস । নিলিখো বুলি ভাবিলেও অত' দিনৰ মূৰত সুবিধা এটা পাইছো যেতিয়া তাকো জানো এৰি দিব পৰা যায় ।

নাই—কোনো এটা সিদ্ধান্তলৈ আহিব পৰা নাই । সকৰে পৰাই মই হেনো পঢ়া-শুনা কৰাত বেয়া আছিলো । ইংৰাজী যদিও নোৱাৰিছিলো তথাপি চাৰে মোক খুব ভাল পাইছিল । চাৰে একেবাৰে দুটা ক্লাচ কৰি আহি তৃতীয় ক্লাচ কৰে আৰু ভাগৰত গৰমত তেওঁ টোপনিয়াই থাকে । কোনোৱে চাৰক মূৰ পিটিকি দিয়ে, কোনোৱে খিৰিকীৰে জপিয়াই বগৰি, অমিতা বিচাৰি যায় । মোৰ কিন্তু চাৰৰ তলত পাৰ্মেনেন্ট্ প'ষ্ট্—বিচনীৰে চাৰক বিচা । চাৰক বিচি দিলেই ইংৰাজী কবিতা মুখস্থ বা পাঠ পঢ়াৰ পৰা হাত সাৰোঁ । ইংৰাজীলৈ মোৰ বংশগত ভয় । সেয়ে ইংৰাজী ক্লাচত "হাত সৰা" ফৰমূলা ব্যৱহাৰ কৰো । সেয়ে হেনো মই বৰ্ত্তমানো ইংৰাজীত ডাহেঁচিয়া । মূৰা-মূৰি নম্বৰৰ তালিকাৰে কোনো-ৰকম পাছ ।

পিছে এইটোনো এটা প্লট হ'ল নে ? এইটো কোনো ধৰণৰ প্লট হ'ব নোৱাৰে, কাৰণ ইয়াত আমেজ লগা কোনো বিন্যাস নাই । মই মূঠতে বিচাৰো মোৰ গল্পটো পঢ়ি যেন কোনোৱে আমেজ পাওক । কিন্তু এইটোক লৈ এটা আমেজ লগা "কিবা" লিখিব নোৱাৰি পায় ! এইটো বয়সত মানে কলেজত পঢ়ি থকা কালত, লগৰ ছাত্ৰ-ছাত্ৰীৰ পৰা কৰমৰ্দন, Thanks পাবলৈ এনে এটা প্লট লৈ গল্প লিখাৰ কোনো যুক্তি থাকিব নোৱাৰে ।

তেন্তে দেখোন এটা প্ৰেম কাহিনীকে লিখিব পাৰি । বৰ্ত্তমান ল'ৰা-ছোৱালীবোৰ এনে ধৰণৰ কাহিনীলৈহে সম্পূৰ্ণ ৰূপে ব্যস্ত । অঁ, এহাল ডেকা-গাভৰুৰ প্ৰেম কাহিনীৰে দেখোন আৰম্ভ কৰিব পাৰি ।

— প্ৰেমিক-প্ৰেমিকা দুয়ো প্ৰেমৰ মাজ-মজিয়াত । দুয়ো ভিন্ন ধৰ্মৰ; ভিন্ন সামাজিক পৰিবেশ । ব্যৰ্থ প্ৰেম । নায়ক নতুবা



নায়িকা আপোনঘাটি হ'ব পাৰে । অথবা স্মৃতিক ৰোমন্থন কৰি কোনো এজনে বলিয়া জীৱন কটাব পাৰে বা কোনো এজনে সুখত দিন কটাব পাৰে । অৱশ্যে যদি লেখক সহানুভূতিশীল হয় তেনেহলে নায়ক-নায়িকাৰ সকলো বাধা-বিঘিনিক তুচ্চ কৰিবলৈ উদ্-গনি দি দুয়োকে লক্ষ্য স্থানত উপনীত কৰা-বও পাৰি ।

পিছে জীৱনৰ ঘটনা-দুৰ্ঘটনাবোৰ ইমান সহজ নহয় । তেন্তে পিংকিয়ে পেন্দিক ভাল পাইছিল নে ? এইটো যে এটা সংজ্ঞা দিব নোৱাৰা অনুভূতিৰ এক অস্পষ্ট প্ৰতীক । অৱশ্যে কৈছিল তাই ; তোক মই মোৰ দাদাৰ দৰে ভাল পাওঁ, তোৰ প্ৰস্তাৱত মই সন্মতি দিব নোৱাৰিম, কাৰণ মোৰ মতত বিয়া হ'ব নোৱাৰিম । ঘৰৰ সকলোৰে সন্মতি লাগিব । অৱশ্যে এতিয়া মোৰ বিয়াৰ সময় নহয় এতিয়া মই পঢ়ি আছো আৰু পঢ়িম । পঢ়ি উঠি কিবা এটাত মূৰ গুজি ঘৰখনৰ উন্নতিত অৰিহণা যোগাব লাগে । তই মোৰ বাটত যাতে কোনো বাধা-বিঘিনি নান ।'

পেন্দি আঁতৰি গ'ল, কিন্তু সুদা হাতে নহয় । পিংকিৰ সত্বাক লৈ গ'ল । পিংকিক পেন্দিয়ে হত্যা কৰিহে এৰিলে । পিংকিৰ শৰীৰত হত্যা কৰা নাই, কৰিলে তাইৰ সত্বাক । সমাজৰ চকুত পেন্দিয়ে প্ৰচাৰ কৰিলে—'তাই মোৰ পত্নী ! তাইক মই মোৰ আঙুলি কাটি শিৰত ফোঁট দি মোৰ কৰি থৈছো । তাই মোৰ ········ । কাগজৰ জুইক সাক্ষী কৰি তাইক মোৰ কৰি লোৱা হ'ল, তাইক আনৰ বাবে দিয়া নহয়····'

পিংকিয়ে এই অপপ্ৰচাৰত মাথো হাঁহিছিল । নাহাঁহি কৰিব কি ? সেই অপবাদে তাইৰ উন্নতিত সহাঁৰিহে জনালে । তাই সেই অপবাদবোৰলৈ ভ্ৰূক্ষেপ নাই । কাৰণ তাই নিজকে ভালদৰে বুজে আৰু নিজকে তাই চিনি পায় । পিংকিয়ে মোক কৈছিল এদিন—'জানা চশ্মা, তাৰ যে আঙুলিটো কটা, সেইটো আচলতে ক'ৰবাত কিবা কাটোতহে কটা···· ···· ।'

এহ্ । প্ৰথম যৌৱনত কোনোবা এজন ডেকাই কোনো এজনী গাভৰুৰ মনত প্ৰণয়ৰ আলোড়নৰ সৃষ্টি কৰাতোনে কি ডাঙৰ কথা ! সেই বুলি এইটোকে লৈ এটা গল্প লিখিব নোৱাৰি নহয় । চৰেই হাঁহিব । অৱশ্যে একেবাৰে নোৱাৰি নহয়, পাৰি ; কিন্তু পঢ়া শুনাৰ বয়সত চেঙেলীয়া ল'ৰা-ছোৱালীৰ দৰে গতানুগতিক পেন্‌পেনিয়া প্ৰেমৰ কাহিনী লিখাটো ঠিক নহয় ।

আজি-কালি প্ৰায়ে যুৱ সমাজত উশৃংখলতাক লৈ বজাৰ গৰম কৰা আলোচনা শুনিবলৈ পোৱা যায় । ইয়াকে লৈও এটা গল্প লিখিব পাৰি দেখোন । আলিবাটত চালি ধৰি থকা, জপৰা চুলিত ব্ৰেক্‌ব্ৰাছ দি চিলচিলিয়া পেণ্ট চাৰ্ট পৰিহিত উদাসীন, নিলিপ্ত যুৱক কিম্বা আধাতকৈও বেছি অংশ নিৰাভৰণ উৎকৎ যৌন-গান্ধী সাজ-পোচাক পৰিহিতা অনেক কলেজীয়া ছাত্ৰী কিম্বা যুৱতী

লগ পাইছো। সময়ে-অসময়ে পথৰ দাঁতিত, কোনোৱা পাণ-দোকানৰ সমুখত বৈ জুম পাতি থকা কলেজিয়েট্‌সকলক দেখি আহিছো। সিহঁতৰ মানসিকতা আৰু সিহঁতৰ মাজৰ পৰা অহা অশ্লীল আৰু ইটো সিটো ৰহণ লগোৱা ৰোমাণ্টিক ভাৱধাৰাৰ সোঁত বোৱা মই দেখিছো, শুনিছো। এই চামকে লৈ এটা গল্প লিখিম নেকি ?

পিছ মুহূৰ্ত্ততে মই দেখা পালো, ভৱিষ্যতে এই চাম কলেজিয়েট্‌ যুৱ সমাজৰ পৰা হ'ব লগা সন্ত্ৰাসবাদ। মই ভয়ত শিঁয়ৰি উঠিলো। বৰ্ত্তমান এক উত্তেজনা পূৰ্ণ ৰাজনৈতিক পৰিবেশত ইহঁতৰ পৰা হোৱা সমস্যাবোৰে দেশখনক কেঁকোৰাৰ দৰে খুলি খুলি খাইছে। ইহঁতক লৈ গল্প লিখা মানে হাতৰ কুঠাৰ ভৰিত মাৰি লোৱা। এইদৰে আৰু গল্প লিখা নহ'ব। এইবোৰ পেন্‌ পেনিয়া প্লটেৰে কি গল্প লিখি দিম ! লাজত পৰাৰ বাহিৰে কোনেও একো মালা নিপিন্ধাই হেৰ' !

টং........টং........কৰি বাজি উঠা শব্দৰ হেল্লোলত চিন্তাৰ আঁত হেৰাই গ'ল। চেষ্টা কৰিও কি ভাবি আছিলো মনলৈ আনিব নোৱাৰিলে। লচ্‌পচ্‌ কৈ বান্ধৱী কেইজনী উঠি গুচি গ'ল দুপৰীয়াৰ টিফিন্‌ লবলৈ। মইও বহাৰ পৰা উঠি এভাগুৰি এটা মাৰি বান্ধৱী এজনীৰ সতে বাহিৰলৈ ওলাই আহিলো। বাহিৰৰ জগতখনক বৰ নতুন নতুন লাগিল।

০ ০ ০

---

*"যি অৰ্থনীতিৰ দ্বাৰা জনতাই সংস্কৃতি গঢ়িবলৈ সুবিধা নাপায় সেই অৰ্থনীতি অনুপযোগী। সি সংস্কৃতিক অৰ্থনীতি নহয়। সি দুষ্কৃতিমূলক অৰ্থনীতি।"*

*— জ্যোতিপ্ৰসাদ ॥*

# এক অভিনয়

মেৰী তামুলী
স্নাতক ২য় বৰ্ষ (দিবা)

ক'ৰবাৰ পৰা নিস্তব্ধতা ভেদ কৰি অহা দুই বজাৰ সময় সংকেতে গভীৰ নিশাক ৰাককৈ সচকিত কৰি তুলিলে। হোষ্টেলৰ সকলোৱেই শুই পৰিছে। অলপতে কলেজৰ পৰীক্ষা শেষ হৈ যোৱাৰ বাবে দুই বজালৈ পঢ়াৰ আৱশ্যক কোনোৱে অনুভৱ কৰা নাই। তাতে আকৌ ঠাণ্ডাও পেলাইছে বেছিকৈ। নদীৰ পাৰত কলেজখন হোৱাৰ বাবে ঠাণ্ডাও বেছিকৈ অনুভৱ কৰা যায়। মোৰ ৰুমমেট্‌ মেৰীজনীও শুই পৰিছে।

কিন্তু মইহে অকলে সাৰে আছো। মোক বাৰে বাৰে আমনি কৰিব ধৰিছে অলপ আগতে মেৰীয়ে কৈ যোৱা তাইৰ বিগত দিনৰ কথাবোৰে। মেৰীজনীলৈ আজি মোৰ খুব পুতৌ উপজিছে। তাই বৰ সহজ-সৰল ছোৱালী। সকলোৰে লগত সমানে মিলিব পাৰে। যাৰ লগত যেনেকৈ কথা পাতিলে ভাল হয় তেনেদৰে তাই কথা পাতে। কলেজৰ উৎসৱ আদিত খেলা-ধূলা, নাচ-গান, গল্প-কবিতা আদি যিহৰে প্ৰতিযোগিতা হয় সেই সকলোতে তাই যোগ দিয়ে। আৰু তাইৰ উৎসাহ অনুযায়ী সম্মান সহকাৰে পুৰস্কাৰো পায়। এই বছৰৰ বছৰেকীয়া তৰ্ক-প্ৰতিয়োগিতাত মেৰীয়ে শ্ৰেষ্ঠ প্ৰতিযোগীৰ যোগ্যতা অৰ্জন কৰিছে। সেই কাৰণে তাইক কলেজৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলে ভাল পায়।

তাইৰ মন এক চঞ্চল পখীৰ দৰে। হোষ্টেলৰ কোনো ছোৱালীকে তাই দুখ মনে থাকিব নিদিছিল। কিন্তু আচৰিত সেই চঞ্চলা ৰঙিলী মেৰীজনীৰো হৃদয়ত যে একুৰা জুই জ্বলি আছে কোনে জানে ? তাইও যে কান্দিব জানে, দুখ কৰিব জানে—সেই কথা কোনেও ভাবিব নোৱাৰে। কিন্তু আজি তাইৰ পৰিবৰ্ত্তনে মোক বৰ আচৰিত কৰিছে। ৰাতিপুৱাৰ পৰা তাই আজি গম্ভীৰ হৈ পৰিছে। তাই সহজ হ'ব খুজিও যেন সহজ হ'ব পৰা নাই। নিশা ভাত খাই উঠি আগৰ দৰে সকলো ছোৱালীয়ে লগ হৈ কথা পাতিব ধৰিলে। কোনো কোনোৱে সিহঁতৰ প্ৰেমিকৰ কথাকৈ ৰং কৰিছে, কোনোৱে পঢ়া বা আন বাহিৰা কথা

পাতি আত্ম-তৃপ্তি লাভ কৰি ভৱিষ্যতৰ এক ৰঙীন কল্পনা সৃষ্টি কৰিছে। কিন্তু মেৰীয়ে আজি আনদিনাৰ দৰে কাৰো কথাত ভাগ লোৱা নাই। তাই এজনী সৰু ছোৱালীৰ দৰে আমাৰ কথাবোৰ একান্ত মনে শুনি গৈছে।

নিশা এঘাৰ মান বজাৰ লগে লগে সকলোৱে নিজৰ নিজৰ কমলৈ গৈ শুই পৰিল। কিন্তু মেৰী আৰু মই শোৱা নাছিলো। বিছনাত হঠাৎ মেৰীয়ে মোক কব ধৰিলে-"পলি, আমি সকলোৱে কল্পনাৰ লগত জড়িত হৈ ভৱিষ্যতৰ ৰঙীন সপোন বান্ধি কল্পনাক অতিকে আপোন কৰি লওঁ। কল্পনাবোৰ সঁচাকৈয়ে ৰঙীন, ভাল লাগে। আৰু সেই কল্পনাৰ মাধ্যমেৰে আমি চাওঁ এই জগতখনক। কিন্তু যদি আমি এই জগতখনক কল্পনাৰ মাধ্যমেৰে নাচাই বাস্তৱৰ মাধ্যমেৰে চাওঁ আমাৰ পথ নিশ্চয় ভুল নহব।" মেৰীৰ এনে অস্বাভাৱিক কথাবোৰ শুনি আচৰিত হ'লো। তাই কথাষাৰ কৈ মোক আৰু আচৰিত কৰি কান্দিব ধৰিলে। মই হতবুদ্ধি হৈ পৰিলো।

অলপ পিছতে মেৰী বাথৰুমলৈ গৈ মুখ হাত ধুই সহজ হ'বৰ চেষ্টা কৰি মোৰ ওচৰতে বহিল। "পলি' আজি মই কান্দিছো, মই মোৰ কান্দোন আজি বান্ধি ৰাখিব নোৱাৰিলো। ইমান দিনে কৰি অহা মোৰ পাপবোৰৰ বাবে মোৰ সহ্য হোৱা নাই। তুমি চাগে আচৰিত হৈছা—মোৰ কথাবোৰ শুনি মোৰ কান্দোন দেখি। ক'ম—তোমাক মই সকলো ক'ম। তুমি জানো শুনিবা? তুমি শুশুনিলেও আজি মই কৈ যাম। নহ'লে যে মই স্থিৰেৰে থাকিব নোৱাৰো।" হঠাৎ মেৰীৰ এনে পৰিবৰ্ত্তনে মোক বৰ আচৰিত কৰি তুলিলে। মই প্ৰত্যুত্তৰ কোনো দিব পৰা নাছিলো। মাথো তাইৰ মুখলৈকে চাই ৰলো। তাই কৈ গৈছিল—

"এদিন সন্ধিয়া পৰত মই অকলশৰে আগপিনৰ বাৰাণ্ডাত বহি আছিলো। জোনাকৰ স্নিগ্ধ পোহৰত ইমান ভাল লাগিছিল যে বাৰাণ্ডাৰ লাইটটোও জলাবৰ মন যোৱা নাছিল। অলপ পিছতে মই দেখা পালো আমাৰ পদূলিয়েদি কোনোবা এজন আহিব ধৰিছে। জোনাকৰ পোহৰতে দেখা পাইছিলো এজন অচিনাকি ল'ৰা। ল'ৰাজনে নিশ্চয় মোকো সেই জোনাকৰ পোহৰতে দেখা পাইছিল আৰু মোক উদ্দেশ্য কৰিয়ে সুধিছিল "চাৰ আছে নে?" মই ক'লো—"নাই অলপ আগতে বজাৰলৈ ওলাই গৈছে, আহিব এতিয়াই আপুনি অলপ সময় বহক।" ল'ৰাটোৱে কিবা এটা চিন্তা কৰি মোৰ সন্মুখত থকা চকীখনতে বহিল। মই উঠি গৈ লাইটটো জলাই দিলো। তাৰ পিছত আমি দুয়ো কিছু সময় কথা পাতিলো। তেওঁৰ কথাৰ পৰা গম পালো তেওঁৰ নাম প্ৰবাল বৰা। ঘৰ ডিব্ৰুগড়ত। ইয়াত তেওঁ মামাকমামীয়েকৰ লগত থাকে। মামাক-মামীয়েকৰ কোনো ল'ৰা-ছোৱালী নাই বাবে তেওঁকে নিজৰ ল'ৰাৰ দৰে ৰাখে। প্ৰবালৰ লগত এই অলপ সময় কথা পাতিয়ে মোৰ বৰ ভাল লাগিল।

তেতিয়া তেওঁ দ্বাদশ মান শ্ৰেণীৰ ছাত্ৰ আছিল। তেওঁ দেউতাৰ ওচৰত ইংৰাজী টিউচনৰ কাৰণে আহিছিল। মোৰ দেউতা আছিল স্থানীয় কলেজ এখনৰ অধ্যাপক। মই আছিলো দেউতাৰ একমাত্ৰ সন্তান। মই সৰু থাকোতেই নিষ্ঠুৰ নিয়তিৰ পৰিহাসত মোক আৰু দেউতাক এৰিথৈ মায়ে চিৰদিনৰ কাৰণে বিদায় ললে এই পৃথিৱীৰপৰা। সৰুতেই মাৰ মৰমৰ পৰা বঞ্চিত কাৰণেই নেকি দেউতাই মোক খুব মৰম কৰে। আমি এইদৰে কথা পাতি থাকোতেই দেউতা আহি পালে। দেউতা অহাত প্ৰবালে দেউতাৰ লগত টিউচনৰ কথা পাতি যোৱাৰ সময়ত মোৰ মাত লগাই গুচি গ'ল। দেউতাই প্ৰবালক পিছদিনাৰ পৰা আহিবলৈ ক'লে। প্ৰবাল যোৱাৰ পিছত মোৰ মনৰ দাপোণত বাৰে বাৰে তেওঁৰ প্ৰতিছবি ভাঁহিব ধৰিলে। প্ৰথম দেখাতেই প্ৰবালক মোৰ বৰ আপোন আপোন লাগিল। প্ৰবালৰ লগত এদিনতে যিমান কথা পাতিছিলো আন কাৰো লগত একেলগে ইমান কথাপতা মনত নাই। পিছদিনাৰ পৰা প্ৰবাল আহিছিল। প্ৰায়ে মোক বাহিৰত দেখি মোলৈ চাই চিনাকি হাঁহি এটা মাৰি ভিতৰলৈ সোমাই গৈছিল। দেউতাই প্ৰবালৰ লগতে মোকো সদায় ইংৰাজী শিকাইছিল, কাৰণ দেউতাই অন্য সময়ত মোক পঢ়াবলৈ সময় পোৱা নাছিল। মই আছিলো তেতিয়া দশমমান শ্ৰেণীৰ ছাত্ৰী। প্ৰবাল আৰু মোৰ মাজৰ সম্পৰ্ক ক্ৰমান্বয়ে গঢ় হৈ আহিব ধৰিলে। প্ৰবাল এদিন নাহিলেই মোৰ ভাল নলগা হ'ল। মই প্ৰবালৰ লগত প্ৰবালৰ মামাক-মামীয়েকৰ ঘৰলৈও গ'লো। মামীৰ মৰম পাই মোৰ মাৰ হেৰোৱা মৰম ঘূৰাই পোৱাৰ নিচিনা লাগিল। কেতিয়াবা মামীয়ে নতুন বস্তু কৰিলে প্ৰবাল টিউচনলৈ আহোঁতে মোলৈ দি পঠাইছিল। দেউতাইও মোক প্ৰবালৰ লগত কৰা ঘনিষ্ঠতাৰ বাবে বাধা দিয়া নাছিল। কিয়নো মই শান্তিত থকাটোকে দেউতাই বিচাৰে। মই কৰবাত দুখ পাম বুলিয়েই হয়তো মোৰ কোনো কথাতে দেউতাই বাধা দিয়া নাছিল।

এটা সময়ত আমাৰ দুয়োৰে পৰীক্ষা শেষ হ'ল। পৰীক্ষাৰ পিছতো প্ৰবাল আমাৰ ঘৰলৈ আহিবলৈ এৰা নাছিল। কেইদিনমান অহা দেৰি হ'লেই মই প্ৰবালৰ ওচৰত অভিমান কৰি নমতাকৈ থাকো আৰু প্ৰবালেও মোৰ অভিমান বুজি নিজকেই দোষী বুলি স্বীকাৰ কৰে। তাৰপিছত আমাৰ পৰীক্ষাৰ ৰিজাল্ট দিলে আৰু আমি ভালদৰেই পৰীক্ষাত উত্তীৰ্ণ হলো। মই এড্মিচন্ ল'লো নগাওঁ ছোৱালী কলেজত। প্ৰথম মই হোষ্টেললৈ আহিবৰ দিনা প্ৰবালেও মোক বাছষ্টেণ্ডলৈ আগবঢ়াবলৈ আহিছিল। মই নগাঁৱত থাকি পঢ়িবলৈ অহাত প্ৰবাল সুখী হোৱা নাছিল। সেই দিনা প্ৰবালে আগৰ দৰে মোলৈ চাই হঁহা নাছিল। মই তেওঁৰ মুখলৈ চাই গম পালো তাৰ চকু ৰঙচুৱা, চলচলীয়া হৈ উঠিছিল। তেওঁ মোৰ পিনে চোৱা নাছিল। মোৰো জানো কি হৈছিল প্ৰবালক মাতিবলৈ সাহস গোটাব নোৱাৰিলো। গাড়ী চলিবৰ সময়ত

প্ৰবালে এবাৰ মোলৈ অতি ক্লান্তভাৱে ঘূৰি চাইছিল, মোৰ চকুৰেদি বৈ আহিছিল দুধাৰি অশ্ৰু। কিন্তু আমাৰ দুয়োৰে কথা কোৱা নহ'ল। ময়ো এক গধূৰ বোজালৈ হোষ্টেল পালো। তাৰ পিচত আমাৰ চিঠিৰ আদান-প্ৰদান হ'ব ধৰিলে। বন্ধৰ সুযোগ সুবিধা পালেই ঘৰলৈ বুলি ৰাওনা হওঁ। মই অহাৰ উমান পালেই প্ৰবাল দৌৰি অহিছিল মোৰ ওচৰলৈ। তাৰ পিছত আমাৰ যে কিমান কথা, কিমান হাঁহি।

কিন্তু আমাৰ সেই হাঁহি নিষ্ঠুৰ নিয়তিয়ে চাই থাকিব নোৱাৰিলে। নিয়তিৰ সহ্য নহ'ল আমাৰ আনন্দ! নিয়তিৰ হৃদয়ত জ্বলি উঠিল হিংসাৰ দাৱানল! এদিন ভৰ দুপৰীয়া হোষ্টেললৈ টেলিগ্ৰাম আহিল দেউতাৰ পৰা, মই অতি সোনকালে ঘৰলৈ যাব লাগে। টেলিগ্ৰামৰ আগমনে মোৰ বুকু কঁপালে। এক অজান আশঙ্কাত মনটো সেমেকি উঠিল। মনত নানা ধৰণৰ প্ৰশ্নৰ আবিৰ্ভাৱ হ'ব ধৰিলে। টেলিগ্ৰাম পোৱাৰ পিছদিনাই ঘৰলৈ গ'লো। নানা খেলি-মেলিৰ মাজেৰে ঘৰ পালো। মই ঘৰগৈ যেতিয়া পাওঁ তেতিয়া দেউতা ঘৰত নাছিল। আমাৰ ঘৰত থকা কাঞ্চাৰ পৰা গম পালো দেউতা হস্পিতাললৈ গৈছে। প্ৰবাল ডিব্ৰুগড়ৰ ঘৰলৈ গৈছিল। তাৰ পৰা ঘূৰি আহোঁতে মটৰ দুৰ্ঘটনাত আহত হৈ প্ৰবাল হস্পিটেলত আছে। দেউতাহঁত যাওঁতে প্ৰবালে জ্ঞান ঘূৰাই পোৱা নাছিল। অলপ সময়ৰ পিছত প্ৰবালে জ্ঞান ঘূৰাই পাই চকু মেলি লাহে লাহে চাৰিওপিনে চাব ধৰিলে। তাৰ-পিছত মোক 'মেৰী-মেৰী' বুলি মাতিব ধৰিলে। আৰু তেওঁ বাৰে বাৰে মামীক কবলৈ ধৰিলেঃ মামী মেৰী ক'ত? মই মেৰীক চাওঁ, মোক মেৰীক লাগে, মেৰীক এবাৰ মাতি দিয়ক না মামী। —এই বুলি তেওঁ পাগলৰ দৰে চিঞৰিব ধৰিলৈ। তেতিয়া দেউতাই প্ৰবালৰ অৱস্থা বুজি মোলৈ টেলিগ্ৰাম কৰে। কাঞ্চাৰ পৰা সকলো খবৰ শুনি মই হস্পিতাললৈ গ'লো। মই ইমাৰজিঞ্চি হলৰ প্ৰথম ৱাৰ্ডত দেউতাহঁতক দেখি তালৈ গ'লো। আৰু তালৈ গৈ যি দেখিছিলো, উস্ কি অসহ্যকৰ! ভাবিবই নোৱাৰি পলি। দেউতাহঁতে তেতিয়া যি প্ৰবালক আগত লৈ বৈ আছিল সেয়া যেন মোৰ প্ৰবাল নহয়, অন্য কোনোবা প্ৰবাল। মই গোটেইখন অন্ধকাৰ অনুভৱ কৰিব ধৰিলো। প্ৰবালেও নিশ্চয় মই যোৱাৰ উমান পাইছিল। মই মাত্ৰ দেখি-ছিলো, প্ৰবালে মোলৈ অপলক দৃষ্টিৰে চাই আছিল আৰু মই ৰিণি-ৰিণি শুনিবলৈ পাইছো প্ৰবালৰ এবাৰি মাত "মেৰী।" তাৰ বাহিৰে যে মই আৰু একো দেখা নাই, কাৰো মাত শুনা নাই। মোৰ মূৰটো ঘূৰোৱা যেন অনুভৱ কৰিলো। তেতিয়া মই 'প্ৰবাল' বুলি চিঞৰি প্ৰবালৰ বুকুৰ মাজত পৰি গ'লো।

তাৰ পিছত মোৰ আৰু একো মনত নাই। মই যেতিয়াই জ্ঞান ঘূৰাই পাওঁ তেতিয়া আৰু প্ৰবাল মোৰ ওচৰত নাছিল। প্ৰবাল বহু দূৰলৈ মোৰ ওচৰৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল। চোৱা পলি, প্ৰবাল ইমান নিষ্ঠুৰ। এই বিশাল জগতখনত মোক অকলে এৰি থৈ গ'ল। তেওঁনো ভাবিব নালাগে নে মই যে তেওঁৰ অবিহনে থাকিব নোৱাৰো। প্ৰবাল গুচি যোৱাৰ পিছত মই পাগলৰ দৰে হ'লো। খাবলৈ-শুবলৈ মন নোযোৱা হ'ল। কথা কবৰ মন নাযায়। প্ৰবালৰ লগত কথা নাপাতি আনৰ লগত কথা পাতিলে কিজানি প্ৰবালে দুখ পায় তাৰ বাবে ভয় লাগে। দেউতা, মামা-মামীয়ে বহুত বুজাই-বঢ়াই হোষ্টে-ললৈ পঠালে। হোষ্টেলতো মন নবহা হ'ল। বাৰে বাৰে প্ৰবাল আৰু মোৰ অতীতৰ স্মৃতি-বোৰে আমনি কৰিব ধৰিলে। মই লাহে লাহে বহু যত্ন কৰিব ধৰিলো হাঁহিবলৈ, লগৰ ছোৱালীৰ লগত মিলিবলৈ। আৰু এনেদৰে চলি আছো সকলোৰে লগত লগ হৈ এক মিছা হাঁহিৰে। মোৰ এই মিছা পৰি-বৰ্ত্তনেৰে দেউতা, মামা-মাহীহঁতকো এক শান্তিৰ পথলৈ ঘূৰাই আনিব পাৰিছো। দেউতা, মামা-মামীৰ সীমাহীন মৰমৰ বাবে আজি মই এই অভিনয় কৰিব লগা হৈছে।"

"এইবাৰ পূজাৰ বন্ধত ঘৰলৈ যাওঁতে গম পালো মামীয়ে মোলৈ এটা ল'ৰা চাইছে। কিন্তু পলি, মই জানো পাৰিম প্ৰবালৰ বাহিৰে আনৰ লগত সংসাৰ কৰিব? পাৰিম জানো আন পুৰুষৰ সৈতে ভৱিষ্যতৰ ৰঙীন সপোন ৰচিব? প্ৰবালে বাৰু মোক কি ভাবিব? প্ৰবালৰ আত্মাই জানো শান্তি পাব? প্ৰবালে জানো মোক মুক্ত মনে বিদায় দিব? মই প্ৰবালক এৰি গ'লে জানো প্ৰবালে মোক ক্ষমা কৰিব? উস্ পলি, কি যান্ত্ৰণা মই নোৱাৰো প্ৰবালক অকলে এৰি থৈ যাবলৈ। প্ৰবাল নিষ্ঠুৰ হ'লেও মই প্ৰবালৰ প্ৰতি নিষ্ঠুৰ নহওঁ। মই কৈ দিম পলি, মই কৈ দিম— 'মই সদায় প্ৰবালৰ আৰু—আৰু প্ৰবাল সদায় মোৰ।" এই বুলি মোক সাৱটি ধৰি কান্দিব ধৰিলে। অৱশেষত কান্দি-কান্দি ভাগৰি পৰি মোৰ কোচতে টোপনি গ'ল। মেৰী-জনীলৈ আজি খুব দুখ লাগিছে। এইজনী মেৰীয়ে আনৰ সঁহাৰি নিবিচৰাকৈয়ে তাই জীৱনৰ দুখৰ বোজা অকলশৰে কঢ়িয়াই লৈ ফুৰিছে।

০ ০ ০

# অপূৰ্ণ বাসনা

ডলি বৰুৱা
স্নাতক ২য় বৰ্ষ (দিবা শাখা)

ঃ জিমি ঃ আন্ধাৰে-মুন্ধাৰে অকলে বহি আছ যে! সময় কিমান হ'ল খবৰ আছে? পঢ়া-শুনা নাই হবলা?

হঠাৎ যেন টোপনিৰ পৰাহে সাৰ পালো। পিছলৈ ঘূৰি চাই দেখোঁ ৰিমি বা। ৰিমি বাৰ পৰা টৰ্চটো লৈ হাতৰ ঘড়ীটো চালো। ৭ বাজিবলৈ মাত্ৰ ৫ মিঃ বাকী। লৰালৰিকৈ ভিতৰ পালোহি। হাত-মুখ ধুই মোৰ ৰুম পালোহি। ভাবিলো কি পঢ়ো। English Poetry খনকে উলিয়াই ললো। কিন্তু কিতাপখন মেলি একোকে নুবুজা যেন লাগিল। মাজতে ৰিমি বায়ে চাহ দি গ'ল। যাওঁতে কৈ গ'ল "কিতাপখন মেলি চাই থাকিলেই পঢ়া হ'লনে? গা বেয়া লাগিছে যদি পঢ়িব নালাগে।"

ৰিমি বাই এইবাৰ এম, এ ফাইনেল দিব দৰ্শনত। মই স্নাতক দ্বিতীয় বাৰ্ষিক আৰু ভাইটি ক্লাছ টেনত। কলেজলৈ গৈ এটা খবৰ পাই মনটো বৰ বেয়া লাগি আছে। খবৰটোৱে প্ৰায় তিনি বছৰৰ আগৰ ঘটনা এটা মনত পেলাই দিলে। তেতিয়া মই উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী।

এদিন সন্ধিয়া ৰিমিবা, মই আৰু ভাইটি পদূলিলৈ ওলাই গৈছিলো। চ'ত মাহৰ শেষ। ৰিব্ ৰিব্‌কৈ বতাহ বলিছিল। ভাল লাগিছিল বাস্তাত ফুৰি। হঠাতে আমাৰ নিচেই কাষতে এম্বেচেদৰ গাড়ী এখন বৈ গৈছিল। গাড়ীৰ পৰা এজন যুৱক নামি আহি হাঁহি এটা মাৰি আমাক কৈছিল।

ঃ কিহে ৰিমি-জিমি, বতাহ খাইছা? আৰে এইটো দেখোন মস্ত এটা হৈ গ'ল!

তেতিয়াহে আমি চিনিব পাৰিলো আশীষদাক। আশীষদা মানে গায়ক আশীষ দত্ত। আমাৰ ঘৰৰ সমুখতে আশীষৰ বন্ধু এজনৰ ঘৰ। তালৈ তেওঁ প্ৰায়ে আহি থাকে। সেয়ে আমাৰ লগত ভাল চিনাকি। তাৰ পাছতে গাড়ীৰপৰা নামি আহিছিল চুৰিদাৰ-কামিজ পৰিহিতা যুৱতী এজনী। খুব ধুনীয়া আছিল ছোৱালীজনী। চুলি কোছাও বৰ দীঘল আছিল। আশীষদাই চিনাকি কৰি দিছিল আমাৰ লগত। খুব ভাল গান গায়। আগতে বৰ্ষাৰ গান শুনিছিলো। কিন্তু এতিয়া মানুহজনীকে লগ পাই খুব ভাল লাগিছিল। আশীষ আৰু বৰ্ষাই গাড়ীখনক বিদায় দি আমাক মাত লগাই আশীষৰ বন্ধুৰ ঘৰলৈ সোমাই গৈছিল। আমিও ঘৰলৈ গুচি আহিছিলো।

পিছদিনা আশীষ আমাৰ ঘৰলৈ আহি মা-দেউতাৰ লগত কথা-বতৰা পাতি আমাকো ইটো-সিটো কৈ বেছ হুলস্থূল কৰিছিল। আশীষৰ বন্ধু প্ৰকাশৰ মাক-দেউতাক কোনো নাছিল। আছিল মাথো এজনী ভনীয়েক তাপসী আৰু ভায়েক বিকাশ। সেয়ে হয়তো দুয়োৰে মাজত খুব আন্তৰিকতা আছিল। আশীষৰো মাক-দেউতাক সৰুতেই ঢুকাইছিল। ঘাট-মাউৰা আশীষক একমাত্ৰ খুড়ায়েকেই ডাঙৰ-দীঘল কৰিলে। আশীষৰ ঘৰুৱা অৱস্থা বৰ ভাল নাছিল। তথাপি আৰ্থিক দিশত জুকলা খুড়াকে কোনোমতে আশীষক মেট্ৰিক পাছ কৰালে। তাৰ পিছত টিউচন কৰি কৰিয়েই গ্ৰেজুৱেচন্‌টো ললে। আশীষে সৰুৰে পৰাই সুন্দৰ গান গাইছিল। মেট্ৰিক পাছ কৰাৰ পাছত আশষে গুৱাহাটীতে আছিল। তেতিয়াই চিনাকি হয় বৰ্ষা পালৰ লগত। আশীষে বৰ্ষাক টিউচন্ লৈছিল। তেতিয়া আশীষ বিঃ বৰুৱা কলেজৰ ১ম বাৰ্ষিকৰ ছাত্ৰ আছিল আৰু বৰ্ষা আছিল একে কলেজৰ উচ্চতৰ মাধ্যমিক ১ম শ্ৰেণীৰ ছাত্ৰী। বৰ্ষাইও ভাল গান গাইছিল। দুয়ো একেলগে বহু অনুষ্ঠানত গান গাইছিল। সংগীতে দুয়োকে ওচৰ চপাই আনিছিল। ক্ৰমান্বয়ে দুয়োৰে মাজৰ এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। বৰ্ষাৰ দেউতাক মহিন্দাৰ পাল আছিল আভিজাত্যৰ গৌৰৱৰে গৌৰৱান্বিত চহকী লোক, যাৰ মানত টকাই হ'ল সৰ্বস্ব। গতিকে এনে এজন দেউতাকৰ ছোৱালী হিচাবে বৰ্ষাও দেউতাকৰ নিচিনাই হ'ব লাগিছিল। কিন্তু নহ'ল! বৰ্ষা আছিল দেউতাকৰ সম্পূৰ্ণ বিপৰীত। মহিন্দৰ পালে জীয়েক আৰু আশীষৰ মাজত গঢ়ি উঠা সম্পৰ্কক নিঃশেষ কৰিবৰ বাবে আপ্ৰাণ চেষ্টা কৰিলে। বৰ্ষা হৈ পৰিল গৃহবন্দী। এদিন এজন কোটিপতিৰ ল'ৰাৰ লগত বৰ্ষাৰ বিয়াৰ বন্দবস্ত কৰিলে। ল'ৰাজনৰ স্বভাৱ আছিল অত্যন্ত লেতেৰা। বৰ্ষাই সকলো বোৰ জানিও নীৰৱে চকুলো টোকাৰ বাহিৰে আন উপায় নাছিল। হঠাতে এদিন সুবিধা পাই বৰ্ষা পলাই আহি আশীষৰ লগ লাগিল। আশীষে বহুতো বুজাইও বৰ্ষাক পুনৰ ঘৰলৈ পঠাব নোৱাৰিলে। শেষত উপায় নাপাই বৰ্ষাক লগত লৈ আশীষো পলাই ফুৰিছিল। কাৰণ সিহঁতে গম পাইছিল যে সিহঁতক পুলিচে বিচাৰি চলাথ কৰিছে। এইদৰে এদিন আশীষ-বৰ্ষা আমাৰ ইয়াত মানে শিৱসাগৰ পাইছিলহি। শিৱসাগৰতে আছিল প্ৰায় এমাহমান। সেই কেইটা দিনতে বৰ্ষাৰ লগত আমাৰ মানে মোৰ আৰু ৰিমিবাৰ বেছ আন্তৰিকতা গঢ়ি উঠিছিল। মা-দেউতাইও বৰ মৰম কৰিছিল সিহঁতক। এদিন গধূলিতে কেইবাখনো গাড়ী ৰোৱাৰ শব্দ শুনিছিলো। আমি

সকলো আগফালৰ বাৰাণ্ডালৈ ওলাই গৈছিলো। ৫/৬ খন মান গাড়ীত পুলিচ আহিছিল। ইতিমধ্যে পুলিচে বৰ্ষাহঁতৰ কথা গম পাই গৈছিল। চুটটাই পৰিহিত ভদ্ৰলোক এজন গাড়ীৰপৰা নামি সোমাই গৈছিল প্ৰকাশহঁতৰ ঘৰলৈ। সেই-সময়ত আৰু কোন কোন আহিছিল মোৰ মনত নাছিল। মাথো মনত আছিল বহুত পুলিচ আৰু প্ৰকাণ্ড চেহেৰাৰ সেই মানুহজনক। পাছতহে জানিছিলো সেইজন বৰ্ষাৰ দেউতাক। পুলিচে ঘৰটো ঘেৰাও কৰি দুৱাৰত আঘাত কৰিছিল। দুৱাৰ খুলি প্ৰকাশ হতভম্ব হৈ ৰৈ গৈছিল। মানুহজনে প্ৰকাশক ঠেলি থৈ ভিতৰলৈ দপ্-দপাই সোমাই গৈছিল, পিচে পিচে পুলিচ। তাৰ পাছতে শুনিছিলো বৰ্ষাৰ গগণ ফলা চিঞৰ। ভয়ত মোৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। কিন্তু কৰ্ত্তব্য-বিমুখ হৈ প্ৰকাশ বাহিৰত ৰৈ আছিল। তাৰ পাছতে ভদ্ৰলোকজনে বৰ্ষাক দীঘল চুলি কোছাত ধৰি টানি বাহিৰলৈ উলিয়াই আনি গটিয়াই-ভুকুৱাই গাড়ীত উঠাইছিল। আশীষকো কেইজনমান পুলিচে ধৰি আনি আন এখন গাড়ীত উঠাই লৈছিল। তাৰ পাছত গাড়ীবোৰ এখনৰ পাছত এখনকৈ গুচি গৈছিল। বহুত সময়লৈ মোৰ কাণত বাজি আছিল বৰ্ষাৰ "আশীষদা, আশীষদা" চিঞৰ। মায়ে কান্দিছিল। মই আৰু বিমি-বা নীৰৱে আহি নিজৰ পঢ়া টেবুলত বহি আছিলো। কিন্তু পঢ়িব পৰা নাছিলো। দেউতায়ো নীৰৱে আগকালে বাৰাণ্ডাত বহি আছিল। তাৰপাছত তিনিবছৰে একো খবৰ-খাতি পোৱা নাছিল। দিন যোৱাৰ লগে লগে কথাবোৰ লাহে লাহে পাহৰি গৈছিলো যদিও প্ৰায়ে মনলৈ আহিছিল বৰ্ষাক টানি অনাৰ সেই মৰ্মভেদী দৃশ্যটো।

আজি এসপ্তাহ মানৰ আগতে হঠাতে কবৰাৰ পৰা আশীষদা ওলাইছিলহি। সেই-দিনা সন্ধিয়া মই আৰু ভাইটি পঢ়া টেবুলত বহিছিলো। মা-দেউতাই আগকালৰ কোঠাত বহি কিবা কথা পাতি আছিল। বিমবিা তেতিয়া ইউনিভাৰচিটিত। এনেতে গম পাইছিলো কোনোবা এজনে মাহঁতৰ লগত কথা পাতিছে। কাণ দুখন সজাগ কৰি গম লৈছিলো কোন হ'ব পাৰে! ধৰিব পৰা নাছিলো। সৰু-সুৰা দুই-এটা কথাৰ বাহিৰে বিশেষ কথা পতা নাছিল। অলপ পাছতেই মই পঢ়ি থকা কোঠাটোলৈ এজন মানুহ সোমাই আহি মোক সুধিছিল:

: জিমি পঢ়িছা?

অবাক বিস্ময়ত মই বোবা হৈ গৈছিলো। সেইজন দেখোন আশীষদা। মই একো কব পৰা নাছিলো। মাথো অবাক হৈ চাইছিলো আশীষদালৈ। টেবুলৰ কাষৰ বিচনাখনতে ঘপকৈ বহি পৰিছিল আশীষদা। এসময়ৰ সুন্দৰ যুৱক আশীষৰ এমুখ দীঘল দাড়ি, অতি খীন দুৰ্বল চেহেৰা, হনু ওলোৱা গাল, বেদনা-সিক্ত চকু দুটি, অযত্নত ৰঙা পৰা দীঘল হৈ পৰা চুলি আৰু অপৰিপাটি সাজ-পোছাক দেখি মই দুখত ম্ৰিয়মান হৈ পৰিছিলো। অলপ পাছত আশীষদাই 'যাও'—বুলি বহাৰ



উঠাত মা আৰু দেউতাই জোৰকৈ চাহ খাবলৈ বুলি যাব দিয়া নাছিল। প্ৰায় ১০ মিনিট-মান সময় কোনেও একো কথা কোৱা নাছিল। তেওঁৰ আগৰ ছুলস্থুলীয়া স্বভাৱটো তেতিয়া নাছিল। আশীষদাই এবাৰ কৈছিল:

: মোক একো নোসোধা নেকি জিমি? মোৰ তেতিয়াহে সম্বিত ঘূৰি আহিছিল। কোনোমতে সুধিলো:

: আশীষদা, আপোনাৰ ভালনে?

তলমূৰ কৰিয়েই তেওঁ উত্তৰ দিছিল:

: 'জীয়াই আছো কোনোমতে।' মই আৰু কি সুধিম ভাবি নাপাই কিতাপৰ পাত এটাকে লিৰিকি-বিদাৰি থাকিলো। মায়ে একাপ চাহ আৰু কিবা কিবি দি গ'লহি। বহুত বাৰ কোৱাৰ পাছতহে এ কে শোহাই চাহকাপ পি থলে আৰু একোকে নাখালে। বাকী বস্তুখিনি অলপ মোক আৰু অলপ ভাই-টিক দি পুনৰ আগৰ ঠাইতে বহিলহি। মা আহি ইতিমধ্যে দুৱাৰৰ কাষতে ৰৈছিলহি। আশীষদাই হঠাৎ কৈ উঠিল:

: জিমি, বৰ্ষাৰ কথা একো নোসোধা নেকি? মা আৰু মই নিৰ্বোধৰ দৰে কেৱল চাইছিলো তেওঁলৈ! আমি যেন বোবা হৈ গৈছো। লাহে লাহে আশীষে কৈ গৈছিল বৰ্ষাৰ কথা। পুলিচে ধৰি নিয়াৰ পিছৰ কথা যিখিনি আমি গম পোৱা নাছিলো।

শিৱসাগৰৰ পৰা লৈ গৈ আশীষক গুৱাহাটীতে জেলত ভৰাই থৈছিল এবছৰৰ বাবে আৰু বৰ্ষাক ঘৰলৈ লৈ গৈছিল। চিনাকি উকীল এজন তিনিমাহৰ পাছত কোনোমতে জেলৰ পৰা উলিয়াই আনি আশীষক নিজৰ ঘৰতে আশ্ৰয় দিছিল। তাতে থাকিয়ে তেওঁ পুনৰ গান গাবলৈ আৰম্ভ কৰিছিল। সেই তিনিমাহৰ ভিতৰত বৰ্ষাৰ বিয়া হৈ গৈছিল। আশীষে কোৱা মতে বৰ্ষা হেনো বৰ্ত্তমান ভীষণ সুখী। বৰ্ষাৰ এবছৰীয়া ল'ৰা এটিও আছে। আশীষে বৰ্ষাৰ সুখ দেখি নিজেও সুখ অনুভব কৰে। তাৰ পাছত কৈছিল:

: দুদিন পাছত মই কলিকতালৈ যাম ৰেকৰ্ডিঙৰ কাৰণে। সেয়েহে আহিলো চিনাকি মানুহবোৰক মাত দি যাওঁ বুলি।

অলপ ৰৈ পুনৰ কৈছিল—

: ইয়াৰ পাছত মই আৰু গান নাগাওঁ। চাকৰি কৰিম আৰু খাম।

তাৰ পাছত আশীষ গুচি গৈছিল। সেই বিদায়ে হৈছিল চিৰ বিদায়। কাৰণ দুদিনমান পাছত শুনিছিলো কলিকতালৈ যাওঁতে ৰেল দুৰ্ঘটনাত আশীষৰ মৃত্যু হৈছিল। কথাটো শুনি বৰ দুখ লাগিছিল। আৰু আজি কলেজত শুনা খবৰটোৱে সেই দুখ দুগুণে বৃদ্ধি কৰিছিল। আমাৰ কলেজত বৰ্ষাৰ মাহী-য়েকৰ ছোৱালী এজনী পঢ়ে।

আজি ছোৱালীজনীৰে সৈতে চিনাকি হ'লো। যোৱা কালি তাইৰ গুৱাহাটীৰ জেঠা-য়েকৰ জীয়েক এজনীয়ে আত্মহত্যা কৰিলে। তাকে তাই আমাৰ আগত কৈছিল। ক্লাছ্ অফ্ থকাত আমিও কিয় আত্মহত্যা কৰিলে সেই কথা জানিব বিচৰাত তাই যি ক'লে

তাকে শুনি মই কান্দি পেলালো। কাৰণ সেই আত্মহত্যা কৰা ছোৱালীজনী বৰ্ষাৰ বাহিৰে আন কোনো নাছিল। আশীষৰ মৃত্যুৰ বাতৰি পাই বৰ্ষাই বিভলভাৰেৰে নিজৰ মূৰত গুলি কৰি মৃত্যুক সাৱটি ল'লে। আজি বাৰে বাৰে মনত পৰিছে বৰ্ষা নামৰ সেই সুন্দৰী ছোৱালীজনীলৈ। চকুৰ আগত ভাঁহি উঠিছে বৰ্ষাক দেউতাকে চুলিত ধৰি টানি অনা সেই দৃশ্যটোলৈ। আশীষে কোৱাৰ দৰে বৰ্ষা সুখী নাছিল। গিৰিয়েকৰ পৰা পোৱা মানসিক আৰু শাৰীৰিক অত্যাচাৰ সহ্য কৰিও তাই জীয়াই আছিল আশীষ জীয়াই থকাৰ বাবেই।

কথাবোৰ ভাবি থকোতেই কিমান সময় পাৰ হৈ গ'ল গমেই নাপালো। মায়ে ভাত খাবলৈ মতাত ঘড়ীটো চাই দেখো দহ বাজিবৰ হ'ল। ৰিমিবা যোৱা কালি ঘৰলৈ আহিছে। অনিচ্ছা সত্বেও মা আৰু ৰিমিবাৰ কথা পেলাব নোৱাৰি ভাতৰ পাতত বহিলো। দেউতা আৰু ভাইটি ইতিমধ্যে বিচনাত পৰিল। ৰিমিবাই ক'লে -

: কি হৈছে তোৰ আজি ? ভাত নাখাই কিবোবনো ভাবি আছ ?

মা আৰু ৰিমিবালৈ চালো। দুয়ো খোৱাত ব্যস্ত। কোনোমতে ক'লো :

: আজি এটা বৰ বেয়া খবৰ পালো।

: কি খবৰ ? দুয়োজনীয়ে প্ৰায় একেলগেই সুধিলে। কলেজত শুনি অহা কথাখিনি ক'লো। দেখিলো মায়ে ভাতৰ কাঁহীত পানী ঢালি উঠি গ'ল আৰু বস্তু-বাহানি সামৰাত লাগিল। ৰিমিবাই চকু দুটা ডাঙৰকৈ মেলি মোলৈ চাই থাকিল আৰু ভাতৰ পাতৰ পৰা উঠি গ'ল। ময়ো বাচন কেইটা লৈ কলৰ পাৰ পালোগৈ। ৰিমিবা আৰু মই একেলগে শুলো। বাতি একোনীবো টোপনি অহা নাছিল। ৰিমিবাই মাত দিলে :

: 'জিমি, অ' জিমি।'

: 'হুঁ। মই সঁহাৰি দিলো'।

: 'কি ভাৱিছ ? তোৰ টোপনি অহা নাই ?'

মই একো নামাতিলো। অলপ ৰৈ আকৌ ক'লে :-

: 'মইও আশীষদা আৰু বৰ্ষাৰ কথাই ভাৱি আছো। সিহঁত মৰিল ভালেই হ'ল বুজিছ। সিহঁতৰ আত্মা দুটাৰতো মিলন হ'ল।' মই কি কম ভাৱি নাপালো। টোপনি যাবলৈ চেষ্টা কৰিলো। কেতিয়া টোপনি গ'ল কব নোৱাৰোঁ। পুৱা বহুত দেৰিকৈহে সাৰ পালো।

° ° °

# অনুৰাগ


জয়া প্ৰভা বড়ো
স্নাতক ১ম বৰ্ষ (পুৱা)


এতিয়া মই ঔষধ নাখাওঁ। আপুনি যাওক, অলপ সময়ৰ পিছত মই নিজেই ঔষধ খাম। — চিটি নাৰ্চিং হ'মৰ দুই নম্বৰ কেবিনত থকা নীনাই নাৰ্চ গৰাকীক এই বুলি কৈ হাতত লৈ থকা মেগাজিনখনৰ পাত লুটিয়াব ধৰিলে।

: নীনা, তুমি ঔষধ এতিয়াই খাব লাগিব, নহ'লে মই ডাঃ চলিহাক ইনফৰ্ম কৰিম। — নাৰ্চ গৰাকীয়ে কৃত্ৰিম খঙেৰে ক'লে।

: আপুনি যাক ইনফৰ্ম কৰে কৰক। কিন্তু মই এতিয়া ভগৱান আহিলেও ঔষধ নাখাওঁ। — নীনাই খঙেৰে ক'লে।

এনেতে ডাঃ নীলাভ চলিহা নীনাৰ কেবিনলৈ সোমাই আহিল।

: নীনা, ন' আৰগিউমেণ্ট্‌চ্‌ এণ্ড্‌ ড্ৰিংক্‌ য়'ৰ মেডিচিন্‌ লাইক্‌ এ গুড্‌ গাৰ্ল। — নীলাভে মৰমেৰে ক'লে। নীনাই পোন্দোৱা-পোন্দিকৈ নীলাভৰ ফালে চাই নাৰ্চে কাপত বাকী দিয়া ঔষধখিনি একেঢোকে গিলিলে।

নাৰ্চগৰাকীয়ে ঔষধৰ ট্ৰেখন লৈ নীনাৰ কেবিনৰ পৰা যাবলৈ ধৰাত নীলাভে ক'লে — চিষ্টাৰ, আজিৰ পৰা যদি নীনাই ঔষধ খোৱা লৈ আপোনাৰ সৈতে তৰ্কাতৰ্কি কৰে, তেনেহ'লে লগে লগে আপুনি মোক ইনফৰ্ম কৰিব। — চিষ্টাৰ গৰাকীয়ে হাঁহি হাঁহি কমৰ পৰা ওলাই গ'ল।

নীলাভে নীনাৰ পাল্‌চ; ব্লাড্‌প্ৰেচাৰ বডি্‌ টেম্পেৰেচাৰ চেক্‌ কৰি, সকলো নৰ্মেল পালে।

: তুমি আৰু দুদিনমান পিছতেই ঘৰলৈ যাব পাৰিবা। —প্ৰেচ্‌ক্ৰিপ্‌চন্‌খন লিখি থকাৰ মাজতেই নীলাভে ক'লে।

নীনাই একো নক'লে। মাথো এবাৰ করুণ চাৱনিৰে নীলাভৰ ফালে চাই মুখখন বেৰৰ ফালে ঘূৰাই দিলে। প্ৰেচ্‌ক্ৰিপ্‌চন্‌-খন হাতত লৈ নীলাভে কিছুসময় অপলক নেত্ৰেৰে নীনালৈ চাই ৰ'ল।

: তুমি যদি বেয়া নোপোৱা কথা এটা কওঁ। — নীলাভে অতি কোমল স্বৰেৰে নীনাক

সুধিলে।

ঃ কওক। — নীনাই নীলাভৰ ফালে মুখখন ঘূৰাই লাহেকৈ ক'লে।

ঃ তুমি সদায় কিয় ইমান বিষণ্ণ মনেৰে থাকা? তোমাৰতো ইমান ডাঙৰ বেমাৰ হোৱা নাই যাক লৈ তুমি ইমান চিন্তিত হ'ব লগা হৈছে। তুমি এই নার্চিংহ'মত থকা প্ৰায় পোন্ধৰ দিন মানেই হ'ল, কিন্তু এদিনো মই তোমাক কাৰোবাৰ লগত হাঁহি মাতি অলপ মুকলিমূৰীয়াকৈ কথা পতা দেখা নাপালো। মাজে মাজে মানুহৰ লগত অলপ মুকলিমূৰীয়াকৈ কথা পাতিবাচোন হাঁহি-ধেমালি কৰিবা। তেহে তোমাৰ গা-মন ভালে থাকিব। তুমিতো নিজেই জানা মেণ্টেল্ ষ্ট্ৰেইনৰ পৰা মানুহৰ কিমান বেমাৰ-আজাৰ হয়।—কথাখিনি কৈ নীলাভ কিছু সময় নিশ্চুপ হৈ ৰ'ল।

ঃ মই কোৱা কথাখিনি বাৰু তোমাৰ মূৰত সোমাইছেনে? — নীলাভে নীনাৰ চকুলৈ চাই সুধিলে।

নীনাই একো উত্তৰ নিদিলে। মাথো বেৰত আঁৰি থোৱা পেইণ্টিংখনলৈ চালে।

নীলাভে পুনাই একো কোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। নীনাক লাহেকৈ যাওঁ বুলি কৈ সি তাইৰ কেবিনৰ পৰা ওলাই আহিল।

নীনাই একেথৰে নীলাভ যোৱাৰ ফালে চাই ৰ'ল।

সুন্দৰ সুঠাম চেহেৰাৰ ২৫-২৬ বছৰ বয়সীয়া ডাঃ নীলাভ চলিহাই এই নার্চিংহ'মখনত কাম কৰা মাত্ৰ এমাহহে হৈছে। তেওঁ অসম মেডিকেল কলেজত মেডিচিন্ বিভাগত পি, জি, কৰি আছে। সপ্ৰতিভ ডাঃ চলিহাক তেওঁৰ ধেমেলীয়া আৰু মৰমীয়াল স্বভাৱটোৰ কাৰণে নার্চিংহ'মখনত কাম কৰা সকলোৱে ভাল পায়। ডাঃ চলিহাৰ এটা ডাঙৰ গুণ আছে যে তেওঁ অতি কম সময়ৰ ভিতৰতেই যিকোনো মানুহকে নিজৰ আপোন কৰি লব পাৰে।

নীনাই নীলাভক এই নার্চিংহ'ম্খনত প্ৰথম লগ পাইছে। নীনাই কব নোৱাৰাকৈয়ে এই কেইদিনৰ ভিতৰতে ডাঃ নীলাভে তাইৰ অন্তৰত নিগাজীকৈ থিতাপি ললে। নীনাৰ নীলাভক বৰ ভাল লাগে। নীলাভ এদিন নাহিলেই তাইৰ মনটো দেখোন কেনেবা কেনেবা লাগে। অথচ তাই নীলাভক মুখ ফুটাই একো কব নোৱাৰে, নীলাভক তাইৰ সন্মুখলৈ আহিলেই কিবা এক অজান লাজে তাইক হেঁচি ধৰে।

নাৰ্চিংহ'ম্খনৰ প্ৰায় ভাগ ডাক্তৰেই তাইৰ মাৰ অসম মেডিকেল্ কলেজৰ ভাইচ প্ৰিন্সিপাল শ্ৰীমতী অলকানন্দা গোস্বামীৰ লগৰ। সেই হিচাপে তাইক সকলোবোৰেই খুব মৰম কৰে। কিন্তু তাই নিজেই বুজি নাপায় তাইৰ কেৱল নীলাভকহে কিয় ইমান ভাল লাগে।

নীনা গোস্বামী কলিকতাৰ আৰ, জি, কৰ মেডিকেল কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী। তাই বন্ধত ঘৰলৈ আহিছে। ঘৰলৈ অহাৰ



প্ৰায় চাৰিদিনৰ পিছতেই টাইফয়েডত আক্ৰান্ত হ'ল। যোৱা মাহত মাৰু কিবা দুমহীয়া ট্ৰেইনিং এটাত লণ্ডনলৈ যোৱাত তাইক চোৱা-চিতা কৰা অসুবিধা হয় বাবেই দেউতাকে তাইক নার্চিং হ'মত থৈছে। তাইৰ নার্চিং হ'মত থকাৰ ইচ্ছা নাছিল যদিও বাপেকৰ কথাত থাকিব লগা হয়। ব্যৱসায়িক সংক্ৰান্তত ব্যস্ত থাকিব লগা হোৱা বাবে দেউতাকে তাইক নার্চিং হ'মলৈ মাত্ৰ এবাৰেই ভিজিট্ কৰিবলৈ আহে, তাকো মাত্ৰ পাঁচ-দহ মিনিটৰ বাবেহে। দেউতাক-মাকৰ ব্যস্ততা দেখি তাইৰ বৰ দুখ লাগে।

তাই সৰুৰে পৰা হোষ্টেলতেই আছে। বছৰটোত মাত্ৰ দুমাহ মানহে তাই ঘৰত থাকিবলৈ পায়। তাই বন্ধত ঘৰলৈ আহিলেও দেউতাক-মাক দুয়োৱে তাইৰ কাৰণে সময়েই উলিয়াব নোৱাৰে।

বন্ধৰ শেষত যেতিয়া তাই হোষ্টেললৈ ঘূৰি যায়, তেতিয়া হোষ্টেলৰ সকলো ছোৱালীয়ে একেলগে বহি ঘৰত বন্ধৰ দিনকেইটাত কোনে কি কৰিলে তাকে আলোচনা কৰে। যেতিয়া নীনাৰ পাল পৰে, তেতিয়া তাই মাথো কয়, "এইবাৰ মামা-পাপা খুব বিজী থকা বাবে বন্ধৰ দিনবেইটাত সিমান স্ফূৰ্ত্তি কৰা নহ'ল। তাই হোষ্টেলত থকা আজি প্ৰায় পোন্ধৰ বছৰেই হ'ল। কিন্তু তাই সদায় বন্ধৰ শেষত হোষ্টেললৈ গৈ লগৰ বন্ধু-বান্ধৱীক এই একেটা উত্তৰকেই দিব লগা হয়।

নীনাই মনতে ভাবিলে এইবাৰ বন্ধৰ পিছত হোষ্টেললৈ গৈ তাই লগৰ ছোৱালী-বোৰক ডাঃ নীলাভৰ কথা কব। এই নার্চিং হ'মখনত থাকি কি অভিজ্ঞতা হ'ল তাক কব।

সন্ধিয়া ৰাউণ্ড্ দিবলৈ আহোঁতেই ডাঃ বিমল শৰ্মাই তাইক অহা কালিলৈ ৰিলিজ দিয়া হ'ব বুলি কৈ গ'ল। ৰিলিজ দিয়াৰ কথা শুনি তাইৰ বুকুখনৰ কোনোবা এঠাইত বিষোৱা যেন অনুভৱ কৰিলে।

সন্ধিয়া ৮ বজাত খাছীয়া চিষ্টাৰ ভেলেন্চা আহিল তাইক বেজী দিবলৈ। আগদিনা বেজী দিয়াৰ সময়ত তাই সদায় চিঞৰ বাখৰ কৰে। কিন্তু আজি তাই অলপো নিচিঞৰিলে। বেজী দি চিষ্টাৰ গৰাকী নীনাৰ কেবিনৰ পৰা ওলাই যাব ধৰোতেই ডাঃ নীলাভ ভিতৰলৈ সোমাই আহিল।

ঃ চিষ্টাৰ, আজি নীনাই বেজী লোৱাৰ সময়ত কন্দা নাইনে? — নীলাভে চিষ্টাৰক সুধিলে।

ঃ নাই কন্দা, অহা কালিলৈ যামগৈ যে সেয়ে যোৱাৰ আগদিনা কাৰো খং নুঠাও বুলিয়েই কান্দি চিঞৰ-বাখৰ কৰা নাই। — নীনাই হাঁহি হাঁহি নীলাভৰ ফালে চাই ক'লে।

ঃ যোৱাৰ আগদিনা ভাল ছোৱালী হৈ দেখুৱাব আহিছে! নীনাৰ ফালে কেৰাহিকৈ চাই নীলাভে ক'লে।

ঃ ড'ণ্ট্ ইউ ফিল্ ডেট্ উই উইল্ মিচ্ হাৰ্ ফ্ৰম টুমৰু। — চিষ্টাৰে নীনাৰ ফালে চাই নীলাভক সুধিলে।

নীলাভে একো নকলে, নীনাৰ ফালে মৰমসনা চাৱনিৰে চালে।

ঃ মই যাওঁ, ৩ নং ৱাৰ্ডত বেজী দিবলৈ আছে। – এইবুলি কৈ চিষ্টাৰগৰাকী নীনাৰ ৰুমৰ পৰা ওলাই আহিল।

নীলাভে নীনাৰ বিচনাৰ কাষতে থকা চকীখনতে বহিলে। নীলাভৰ মুখখন হঠাৎ বিমৰ্ষ হৈ পৰিল। নীনাই নীলাভলৈ চালে।

ঃ অহা কালিলৈ যাবাগৈ কাৰণে আজি ইমান হাঁহি আছা নহয়। — কিবা এক অব্যক্ত বেদনাই যেন নীলাভৰ কণ্ঠস্বৰ চেপি ধৰিলে।

নীনাই একো নকলে। দুয়ো কিছু-সময় মৌন হৈ ৰ'ল।

কিছুসময় নীৰৱতাৰ মাজেৰে পাৰ হৈ যোৱাত নীলাভে ধীৰে ধীৰে আবেগ বিজড়িত গাঢ় স্বৰৰে ক'লে ঃ "অহা কালিৰ পৰা বোধহয় তুমি এই নাৰ্চিং হ'মখন, এই কেবিনটো—সকলো পাহৰি যাবা।

নীলাভৰ ধুনীয়া মুখখনলৈ নীনাই কিছুসময় থৰ লাগি চাই ৰ'ল। নীনাৰ তাৰ লগত অলপ ধুষ্টালি কৰিবৰ মন গ'ল।

ঃ পাহৰি যোৱাটো নিতান্তই স্বাভাৱিক। কোনেনো নিজৰ বেমাৰৰ লগত সম্পৰ্ক থকা কথাবোৰ মনত পেলাই ভাল পায়। –তাই ইচ্ছা কৰিয়েই নীলাভৰ নো কি প্ৰতিক্ৰিয়া হয় তাকে চাবলৈ এইধৰণে ক'লে।

নীলাভে এক অবাক দৃষ্টিৰে নীনালৈ চালে। আৰু পিছমুহূৰ্ত্ততে মুখখন ঘূৰাই নিৰ্মল আকাশখনৰ ফালে উদাস দৃষ্টিৰে চাই ৰ'ল। কিছু সময়ৰ পিছত নীলাভে নিজকে নিজে কোৱাদি অস্ফুট স্বৰৰে ক'লে ঃ এৰা পাহৰি নোযোৱাটোহে অস্বাভাৱিক। নীলা-ভৰ কথাত নীনাই ৰস পাই সশব্দে হাঁহিবলৈ ধৰিলে।

নীনাৰ হাঁহিত নীলাভ অপ্ৰস্তুত হৈ পৰিল। সি অপ্ৰস্তুত হোৱা দেখি তাই আৰু বেছিকৈ হাঁহিবলৈ ধৰিলে।

ঃ পাগলৰ দৰে হাঁহিবলৈ তোমাক কিহে পাইছে। — নীলাভে বিৰক্তিৰে ক'লে।

ঃ হাঁহিলেও জগৰ আৰু নাহাঁহিলেও জগৰ। —নীনাই হাঁহি বন্ধ কৰি মুখখন ওফোন্দাই ক'লে।

ঃ বেয়া পালা। — নীলাভে লাহেকৈ সুধিলে।

নীনাই একো নামাতিলে। তাই গাৰুত মুখখন গুজি দি কন্দাৰ ভাও ধৰিলে।

ঃ এই পাগলী আৰে ········ মোৰ ফালে চোৱানা·······কান্দিছা কিয় ? প্লিজ্ নীনা প্লিজ্! এয়া চোৱা কাণত ধৰিছো, মই আৰু কেতিয়াও এনেকৈ নকওঁ, নে'ভাৰ্। —নীলাভে অনুনয়ৰ সুৰত কলে।

নীনাই খিক্‌খিকাই হাঁহি উঠিল।

ঃ তুমি বৰ দুষ্টু দেই। —নীলাভে হাঁহি হাঁহি ক'লে।

নীনা আৰু নীলাভ দুয়োৱে সশব্দে হাঁহিব ধৰিলে। হঠাৎ নীনা আৰু নীলাভ দুয়োয়ে হাঁহিবলৈ এৰি ইজনে সিজনলৈ তধা



লাগি চাই ৰ'ল।

কিছুসময় এনেদৰে থকাৰ পিছত, নীনাই নীলাভৰ চকুৰ পৰা দৃষ্টি আঁতৰাই আনি আকাশখনলৈ দৃষ্টি নিক্ষেপ কৰি আবেগ বিজ-ড়িত স্বৰেৰে ক'লে ঃ 'আপুনি ঠিকেই কৈছে। হয়তো মই এদিন সময়ৰ সোঁতত পাহৰি যাম এই নাৰ্চিংহ'মখনত থকাৰ কথা, মোৰ বেমাৰ হোৱাৰ কথা। কিন্তু মই পাহৰিব নোৱা-ৰিম···· ····। কথাষাৰ আধাতে এৰি নীনাই নীলাভৰ ফালে কিছুসময় তধা লাগি চাই আকৌ কবলৈ আৰম্ভ কৰিলেঃ -- মাথো সেই· জনক যিয়ে মোক সদায় ঔষধ নোখোৱাৰ বাবে গালি দিয়ে আৰু মন মাৰি থাকিলে খং কৰে। কথাখিনি কৈ হঠাৎ নীনা উচুপি উঠিল।

নীলাভ আৰু স্থিৰেৰে থাকিব নোৱা-ৰিলে, গভীৰ আবেগেৰে নীনাক আঁকোৱালি ললে। নীনা আৰু নীলাভক কোনোবাই যেন কাণে কাণে কৈ গ'ল—প্ৰেম ইমান মধুৰ, প্ৰেম ইমান সুন্দৰ, পূৰ্বে কেতিয়াবা উপলব্ধি কৰিছিলানে ?

০ ০ O

---

# মহৎ লোকৰ বাণী

(১) স্বাক্ষৰতা আৱশ্যকীয় কিন্তু কেৱল স্বাক্ষৰতাই শিক্ষা নহয়। যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সংযোগ নাথাকে, তেন্তে তেনে শিক্ষা অভিশাপহেই।

**—ৰাধাকৃষ্ণণ—**

(২) গতিয়েই জীৱনৰ শেষ লক্ষ্য নহয়। খোজ কাঢ়ি যোৱা মানুহে বেছি দেখিবলৈ পায় আৰু বেছি বছৰ জীয়াই থাকে।

**—মহাত্মা গান্ধী—**

(৩) খাবৰ বাবে পিন্ধিবৰ বাবে মানুহে সুন্দৰ ভাৱে যিহকে কৰে সেয়েই কৃষ্টি।

**—বিষ্ণু ৰাভা—**

(৪) মানুহ জন্মতেই দুষ্ট নহয়, সি বেমাৰী হোৱাৰ লেখীয়াকৈ পিচতহে দুষ্ট হয়।

**—ভল্টেয়াৰ—**

(৫) আপোনাৰ চৰিত্ৰটোনো কি নজনাটোৱেই হ'ল আপোনাৰ চৰিত্ৰ।

**—ডুলাইট অল মুডি—**

।। সংগ্ৰহ ঃ মনোদেৱী, স্নাতক ১ম বৰ্ষ ।।

# দৃঢ়তা

তৃষ্ণা শইকীয়া
উঃ মাঃ ২য় বাৰ্ষিক (দিবা)

টপ্ টপ্ টপ্ —

বৰষুণৰ পানী পৰাৰ এই শব্দটোৰ বাহিৰে গোটেই ঘৰখনেই নিৰ্জনতাত ডুব গৈ আছে। চাৰিওফালে এটা বিঙা বিঙা ভাব। ৱাল্ ক্লকৰ টিক্ টিক্ শব্দই এটা আচহুৱা পৰিবেশ প্ৰকট কৰি তুলিছে। প্ৰণামীৰ বাহিৰে তেতিয়া ঘৰত কোনোৱেই নাই। হঠাৎ তাই কাৰোবাৰ ভৰিৰ মৃদু শব্দ শুনিবলৈ পালে। অলপ পিছত কলিং বেলটো বাজি উঠিল। প্ৰণামী বিৰক্ত হ'ল। এই সময়ত কোন আহিল আকৌ ? তাতে ঘৰতো তাইৰ বাহিৰে কোনোৱেই নাই। ককায়েক কালিয়েই যোৰহাটলৈ গ'ল। তাইৰ ভয় ভয় লাগিল যদিও দৰজাখন খুলি দিলে। কিন্তু তাইক আচৰিত কৰি তাইৰ সন্মুখত থিয় দিলেহি প্ৰণামীৰ এসময়ৰ বান্ধৱী সংগ্ৰামীতা। নৱমৰ বান্ধৱীক পাই আনন্দৰ আতিশয্যাত দুয়ো দুয়োকে সাৱটি ধৰিলে। তাৰ পিছত সংগ্ৰামীতাই ক'লে 'বহিবলৈ নিদিয় নেকি ? নোকোৱাকৈয়ে বহিছো বাৰু দে। বাৰু তইঁত ভালে আছতো ?' সংগ্ৰামীতা এখন চোফাত বহি পৰিল। প্ৰণামীৰ তেতিয়াহে সম্বিত ঘূৰি আহিল প্ৰণামীয়ে তাইৰ প্ৰশ্নৰ কোনো উত্তৰ নিদি 'ক'ৰপৰা আহিলি, এতিয়া ক'ত আছ ইত্যাদি বহুতো প্ৰশ্নৰে তাইক ব্যতিব্যস্ত কৰি তুলিলে। প্ৰণামীৰ প্ৰশ্নবোৰৰ উত্তৰ দিব খুজিও তাই একোৱেই কব নোৱাৰিলে। তাই নিজকে সংযত কৰিব পৰা নাছিল যদিও সহজ হবলৈ যত্ন কৰি ওলোটাই প্ৰশ্ন কৰিলে, 'মাহঁত কলৈ গ'ল ? দেখা নাইচোন ! ঘৰত নাই নেকি ? প্ৰণামীয়ে ক'লে, 'মা নাই। ওচৰেৰে মানুহ এঘৰলৈ গৈছে। কিন্তু তই যে মোৰ প্ৰশ্নৰ উত্তৰ নিদিলি ?' এইবাৰ সংগ্ৰামীতাই আৰু নিজৰ চকুপানীক বাধা দি ৰাখিব নোৱাৰিলে। প্ৰণামীৰ গাত ধৰি তাই হুকহুককৈ কান্দি পেলালে। প্ৰণামী আচৰিত হৈ পৰিল। তাই ক'লে, 'তই কিয় কান্দিছ মিতা ? তোৰ কি হৈছে ? বৈ অহা চকুৰ পানীখিনি মচি তাই লাহে লাহে ক'লে, 'ক'ম, তোক সকলোবোৰ কম বুলিয়েই আজি মই তোৰ ওচৰলৈ আহিছো। কলেজীয়া জীৱনৰ কথাবোৰ মনত পৰিলে মই নিজকে পাহৰি যাওঁ অমী।' প্ৰণামীয়ে ভাৱি আচৰিত হ'ল - মীতাই এইবোৰ কি কৈছে ? সকলো সময়তে হাঁহিমুখে থকা বান্ধৱীজনীৰ চকুত আজি চকুৰ পানী কিয় ?

তাৰ পাছত, সংগ্ৰামীতাই এটা এটাকৈ কৈ গ'ল তাইৰ জীৱনেদি পাৰ হৈ যোৱা সৰু বৰ ধুমুহাৰ কথা, যি ধুমুহাই তাইৰ অন্তৰ ভাঙি চুৰমাৰ কৰি তাইক পঙ্গু কৰি গ'ল। তাই ক'লে, 'কলেজীয়া জীৱনৰ ৰঙীন স্বপ্নবোৰ যেন ক'ৰবাত হেৰাই গ'ল অমী। কি আছিল আৰু কি হৈ গ'ল ? হায়াৰ ছেকেণ্ডেৰীৰ ফাইনেল পৰীক্ষা দিয়েই তইঁত ইয়ালৈ বদলি হৈ আহিলি। মই তাতে থাকি গ'লো। তইঁত অহাৰ কেইমাহমানৰ পিছত নগাঁৱৰ পৰা আহি থকা অৱস্থাত এক্সিডেণ্ট হৈ দেউতাই আমাক নিঠৰুৱা কৰি চিৰদিনৰ বাবে গুচি গ'ল।' প্ৰণামীৰ দুচকুৰেদিও চকুলো বাগৰি আহিল। তাই ক'লে, 'এইবোৰ তই কি কৈছ মিতা ? তইতো মোক এখন চিঠিৰে জনাব পাৰিলিহেঁতেন।' 'চিঠি লিখাৰ ধৈৰ্য্য সেইদিনাই হেৰুৱাই পেলাইছিলো, যিদিনা দেউতা আমাৰ মাজৰ পৰা গুচি গৈছিল'। সংগ্ৰামীতাই ক'লে: "মই দশোদিশ অন্ধকাৰ দেখিলো। ঘৰৰ ডাঙৰ ছোৱালী হিচাপে ঘৰখনৰ দায়িত্ব মোৰ ওপৰতে পৰিল। মা আৰু একমাত্ৰ ভনীজনীৰ চিন্তাই মোৰ মন ভাৰাক্ৰান্ত কৰি তুলিলে। এটা চাকৰিৰ আশাত মই অফিচৰ দুৱাৰে-দুৱাৰে অনেক কাকুতি কৰিলো। যোৰহাটৰ এনে এটা অফিচ নাই য'ত মই চাকৰি বিচাৰি যোৱা নাই। কিন্তু কিছুমান লোলুপ চাৱনিৰ বাহিৰে মই একোকেই নাপালো। মই নিৰাশ হৈ পৰিলো।' তাই পুনৰ কান্দি উঠিল।

অলপ সময় কিবা চিন্তা কৰি পিক্কি থকা ঘড়ীটোলৈ চাই তাই পুনৰ কৈ উঠিল, 'সেই সময়তে মোৰ আকস্মিক ভাৱেই চিনাকি হ'ল বিপুল বৰুৱাৰ সৈতে।' প্ৰণামী যেন উচপ খাই উঠিল আৰু ক'লে,—'বিপুল বৰুৱা ? সেই যে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সস্থাৰ প্ৰেচিডেণ্ট্ ?' তাই ক'লে, 'তই ঠিকেই ধৰিছ ? তেওঁৰ সংস্পৰ্শলৈ আহি মই এটা নতুন পথ আৱিষ্কাৰ কৰিলো, যিটো পথ কাঁইটেৰে আবৃৰা যদিও তাতেই মই জীয়াই থকাৰ পথ বিচাৰি পালো। সমাজত এনেকুৱা ভদ্ৰলোক আছে যি ভদ্ৰলোকে মুখা পিন্ধি সৰ্বসাধাৰণ মানুহক শোষণ কৰি আছে।' প্ৰণামীয়ে নিৰ্বাক হৈ সকলোবোৰ কথা শুনি গ'ল। সংগ্ৰামীতাই ক'লে, - 'সৰ্বসাধাৰণ মানুহৰ ন্যায্য দাবীসমূহ পূৰণ কৰিবৰ বাবে সশস্ত্ৰ ভাৱে সংগ্ৰাম চলাই যাবলৈ আমাৰ দৰে এচাম যুৱক-যুৱতী প্ৰতিজ্ঞাবদ্ধ হৈ পৰিলো।'—এইবুলি কৈ তাই এটা গভীৰ হুমুনিয়াহ পেলালে।

'অ' তইঁতৰ মাহঁত দেখোন নেপালেহিয়েই।' সংগ্ৰামীতাই কৈ উঠিল। 'মা আহিবৰ হৈছেহি। তই অলপ বহ, মই একাপ চাহ কৰি আনো।' প্ৰণামী চাহৰ বাবে

ভিতৰলৈ গ'ল আৰু পুনৰ দুকাপ চাহ-বিস্কুট মিঠাই আদিৰে সৈতে লৈ সংগ্ৰামীতাৰ ওচৰ পালেহি। 'চাহ দিছো, খা' বুলি কৈ তায়ো একাপ চাহ তুলি ল'লে। চাহ খোৱাৰ পিছত প্ৰণামীৰ অনুৰোধ ক্ৰমে তাই সকৰুণ জীৱন ইতিহাসৰ শেষৰ ছোৱাও কবলৈ বাধ্য হ'ল।

তাই পুনৰ ক'লে,—'মাইঁতক বহুদিন ধৰি লগ পোৱা নাই। আজি কিয় জানো মালৈ মোৰ বৰকৈ মনত পৰিছে। শুনিছো এজন ধনী বঙালী ব্যৱসায়ীৰ লগত ভণ্টি পলাই গ'ল। মা বৰ্ত্তমান আমাৰ দূৰ সম্পৰ্কীয় খুৰাৰ লগতে আছে বুলি গম পাইছো। বুজিছ অমী, মোৰ সকলো আশা, আকাংখ্যা মাটিৰ লগত মিহলি হৈ গ'ল। আজি সমাজখনে মোক কয় মই চৰিত্ৰহীনা। কিন্তু মই মোৰ কৰ্ত্তব্য কৰি গৈছো। জাতীয় চেতনা থকা মানুহৰ আজিৰ দিনত বদনাম ওলোৱাটো একেবাৰেই স্বাভাৱিক। নাজানো আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিমনে নাই। কিন্তু মোৰ দৃঢ় বিশ্বাস আছে অমী, উদ্দেশ্য যদি মহৎ হয় চেষ্টাতো যদি ত্ৰুটি নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে। বাৰু মই এতিয়া যাওঁ। মাইঁত এতিয়াও আহি নেপালেহি। এটা বিশেষ কাম আছে, আকৌ কেতিয়া লগ পাম ঠিক নাই।' প্ৰণামীৰ অশেষ অনুৰোধ উপেক্ষা কৰি সংগ্ৰামীতা অহা বাটেৰেই ঘূৰি গ'ল। প্ৰণামীয়ে মাথো চকুৰ আঁতৰ নোহোৱালৈকে তাইলৈকে চাই থাকিল। লাহে লাহে প্ৰণামী তাইৰ কমলৈ আহিল। হাইপাৱাৰৰ বাল্বটো অফ কৰি দি ডিম লাইটটো জ্বলাই দিলে। বিচনাত বাগৰি দি সংগ্ৰামীতাৰ কথাবোৰ ভাৱি তাইৰ অন্তৰ হাঁহাকাৰ কৰি উঠিল। তাই চকুৰপানীক বাধা নিদি গাৰুত মূৰ গুজি তাতেই পৰি ৰ'ল। এখন অন্তৰত পুঞ্জীভূত হোৱা বেদনাৰ প্ৰাচীৰ এটা আন্ধাৰ কোঠালীতে আৱদ্ধ হৈ থাকিল। কোনেও নেদেখিলে, কোনেও নুবুজিলে…… ……

◦ ◦ ○



# অবিনাশৰ বিনাশ

*দীপামণি বৰা*
স্নাতক ২য় বাৰ্ষিক (দিবা)

(এক)

ঃ "বগাই বগাই" টেলিফোনৰ ৰিচিভাৰটো থেকেচা মাৰি থৈ অবিনাশে চিঞৰি উঠিল। কিবা এটা অজান আশংকাত অবিনাশৰ বুকুখন যেন হঠাৎ কঁপি উঠিল। টেলিফোনত শুনা কথাখিনি পুনৰবাৰ অবিনাশৰ কাণৰ কাষলৈ ভাঁহি আহিল আৰু লগে লগে নিজৰ অজ্ঞাতে কেইটামান ঘামৰ টোপাল অবিনাশৰ কপালত জিলিকি উঠিল।

ঃ "চাৰ"—হঠাৎ বগাইৰ মাতত অবিনাশ চক্খাই উঠিল।

ঃ "কিয় চাৰ ? কেলেই মাতিছিল ?"

ঃ "প্ৰশ্ন নকৰিবি। মই কোৱা মতেই কাম কৰ।"

ঃ "ঠিক আছে, চাৰ।" বগায়ে বিনম্ৰভাৱে মূৰ দুপিয়ালে।

ঃ "আৰু শুন।"

ঃ "কওক চাৰ।"

ঃ "প্ৰতিটো মানুহকে অহৰ্নিশে প্ৰস্তুত হৈ থাকিবলৈ কবি।"

ঃ "হ'ব চাৰ।" বগাইয়ে চমু উত্তৰ দিলে। বহুত কথাই সুধিবলগীয়া আছিল যদিও অবিনাশৰ অৱস্থাটো দেখিয়েই বগাইয়ে আৰু কোনো প্ৰশ্ন নকৰিলে।

( দুই )

ঃ "আপোনাৰ বহুমূলীয়া সময়খিনি নষ্ট কৰাৰ বাবে ক্ষমা কৰিব" বুলি অবিনাশে পুলিচ ইন্সপেক্টৰজনক ক'লে।

ঃ ইন্সপেক্টৰে ক'লে," সেইটোনো কি কথা। আপুনি কোনো চিন্তা নকৰিব। মাত্ৰ মোক সমস্যাটো কওক।"

ঃ অবিনাশে ক'লে "অলপ সময়ৰ আগতে কোনোবা এজনে মোক ফোনেৰে মৃত্যুৰ ধম্কি দিছে।"

ঃ "কোন আছিল সেই ব্যক্তিজন আপুনি জানেনে ?"

ঃ "নাজানো। নাম-ঠিকনা মোক একো কোৱা নাই।"

ঃ "ধম্কি ? মানে কেনে ধৰণৰ ধম্কি ?"

ঃ " আজি নিশা ঠিক বাৰ বজাৰ লগে লগে

তেওঁ হেনো আহি মোক হত্যা কৰিবই কৰিব।"

: "আচৰিত !"

"মোক কিবা উপায়েৰে বচাওক ইন্সপেক্টৰ ! —অবিনাশে কাতৰভাৱে অনুৰোধ কৰিলে।

: "আপুনি চিন্তা কৰাৰ কোনো কাৰণ নাই। আপোনাৰ সুৰক্ষাৰ সকলো ব্যৱস্থা মই কৰি দিম।" ইন্সপেক্টৰে উত্তৰ দিলে।

: "আপোনাৰ সহায়ৰ বাবে ই অনবৰতে আপোনাৰ কাষতে থাকিব। কিবা প্ৰয়োজন হ'লেই আপুনি ইয়াক ক'ব। 'ওচৰতে থিয় হৈ ৰৈ থকা বগাইলৈ দেখুৱাই অবিনাশে ইন্সপেক্টৰক ক'লে। পুলিচ ইন্সপেক্টৰেও কোনো উত্তৰ নিদি মাথোন এবাৰ বগাইৰ মুখলৈ চাই বিদায় লৈ গুচি গ'ল।

( তিনি )

নিশা ক্ৰমে গহীন হৈ আহিছিল। সময়ে যিমান আগবাঢ়ি গ'ল অবিনাশো সিমান বেছি চঞ্চল হৈ পৰিল। বিছনাৰ গাৰু তলত থকা ৰিভলভাৰটোৰ ওপৰত অবিনাশে এবাৰ হাত ফুৰাই চালে। ভয়াবহ নিৰ্জন নিশা আৰু কোঠাত দ্বিতীয় এজন ব্যক্তিৰ অনুপস্থিতিত অবিনাশ যেন এই মুহূৰ্তত আৰু বেছি দ্বিধাগ্ৰস্ত, শংকিত হৈ পৰিল।

হঠাৎ দূৰৈত টং টং কৈ হোৱা নিশা এঘাৰ বজাৰ সংকেত ধ্বনি ভাঁহি আহিল ঠিক সেই সময়তে টেলিফোনটোও সজোৰে বাজি উঠিল। অবিনাশে ভয়ে ভয়ে টেলিফোনটোলৈ চাই লাহে লাহে হাতখন আগবঢ়াই দিলে টেলিফোনটো দাঙি ধৰিবৰ বাবে।



"হেল্ল' হেল্ল' ."—অবিনাশে বলিয়াৰ দৰে চিঞৰি উঠিল কিন্তু, ইতিমধ্যে সিফালৰ কানেক্চন কাটি দিছিল।

: "বগাই !" টেলিফোনৰ ৰিচিভাৰটো থেকেচা মাৰি থৈ খং আৰু ভয়বিহ্বল কণ্ঠেৰে পুনৰ অবিনাশে চিঞৰি উঠিল।

: "চাৰ !"—দুৱাৰখন ঠেলি অবিনাশৰ কোঠালৈ সোমাই আহি বগাইয়ে মাত লগালে।

: "মোৰ কুকুৰবিলাক ঘৰৰ চাৰিওফালে এৰি দে।" বগাইলৈ চাই অবিনাশে বলিয়াৰ দৰে চিঞৰি আদেশ দিলে।

'হ'ব চাৰ" বুলি বগাইয়ে সন্মতিসূচক ভাৱে মূৰ দুপিয়ালে।

: "পুলিচৰ মানুহবিলাক ক'ত আছে ?" অবিনাশে সুধিলে।

: "আমাৰ ঘৰটোৰ চাৰিওফালে' বুলি বগাইয়ে উত্তৰ দিলে।

: "বেচ। আচ্ছা বাৰু এইটো ল।" অকস্মাৎ বগাইলৈ অবিনাশে এটা ৰিভলভাৰ আগবঢ়াই দিলে।

: হঠাৎ ৰিভলভাৰটো বগাইক দিয়া দেখি আচৰিত হৈ প্ৰশ্ন কৰিলে। "এইটো চাৰ ?"

: "এইটো লৈ তই মোৰ ওচৰত থিয় হৈ থাকিবি। প্ৰথমতে যা, কুকুৰবিলাকক মেলি দি আহগৈ।" —অবিনাশে উত্তৰ দিলে। বগায়ে ক্ষণিক পৰ ৰিভলভাৰটোলে চাই ৰ'ল। তাৰ পাছত অবিনাশৰ হাতৰ পৰা সেইটো লৈ সি কোঠাৰ বাহিৰলৈ ওলাই গ'ল।

( চাৰি )

: কাষতে থকা বগাইক উদ্দেশ্যি অবিনাশে মদৰ গিলাচ হাতত লৈ আৰামী চকীখনত ভালদৰে হেলনীয়াকৈ বহি ক'লে "বুজিছ, ক'ব নোৱাৰোঁ, মৰিম বুলি আজি মোৰ ইমান বেছি ভয় কিয় লাগিছে ?"

: "ময়ো আজি কিন্তু আপোনাক খুব বেছি বিচলিত হোৱা যেন দেখিছোঁ" বগাইয়ে ক'লে।

: "হত্যাকাৰী সি কোন হ'ব পাৰে ? অনাহকত মোক সি কিয় হত্যা কৰিব বিচাৰিছে"—গিলাচত শেষৰ মদকণ ঢোকা মাৰি খাই অবিনাশে পুনৰ প্ৰায় চিঞৰি উঠাৰ দৰে প্ৰশ্ন কৰিলে।

: বগায়ে ক'লে 'আপুনি কিমান ছোৱালী বলাৎকাৰ কৰি হত্যা কৰিছে তাৰযে কোনো আজিলৈকে সীমা সংখ্যা নাই। কিজানিবা আজি আপোনাক মৃত্যুৰ ভয় দেখুওৱা ব্যক্তিজন আপোনাৰ কবলত পৰি ধ্বংস হোৱা তেনে এজনী অভাগিনীৰ দুৰ্ভগীয়া ককায়েক, ভায়েক বা প্ৰেমিক তেনেকুৱাওতো হ'ব পাৰে।"

: "চাট্আপ্। বলাৎকাৰ কৰাৰ পাছতেই মই দেখোন সকলোবোৰ ছোৱালীকে হত্যা কৰি পেলাওঁ। গতিকে বাহিৰা মানুহে মোৰ সেই কুকীৰ্তি-কলাপৰ কথা গম পাব কেনেকৈ ?"—বুলি অবিনাশে খঙেৰে উত্তৰ দিলে। অবিনাশৰ কথা শেষ নৌহওতেই বাহিৰৰ চিকাৰী কুকুৰবোৰে একেলগে ভুকিবলৈ আৰম্ভ কৰিলে।

: "বাহিৰত কুকুৰৰ গগণ ফলা চিঞৰবোৰ শুনি অবিনাশে বহাৰপৰা জাপমাৰি উঠি ভয়ত চিঞৰি কৈ উঠিল—'বগাই, বগাই, সি, সি অহিছে বগাই।"

: "ভয় নকৰিব। বাৰ বাজিবলৈ এতিয়াও কিছু সময় বাকী আছেই।"

: বগাইৰ কথা শুনি অবিনাশে খং আৰু ভয়ত আতংকিত হৈ কবলৈ ধৰিলে—"তই, তই মোৰ লগত ধেমালি কৰিবলৈ আহিছ ?"

: ধেমালি মই কৰা নাই চাৰ। আপোনাক হত্যাকাৰীয়ে ঠিক বাৰ বজাত হত্যা কৰিব বুলি কোৱাৰ কাৰণেহে মই তেনেকৈ কৈছোঁ। মই জনা মতে সি তাৰ কথা ঠিকেই ৰাখিব। বগাইৰ কথা শুনি অবিনাশে খঙেৰে ক'লে – "তাৰ মানে ? তই হত্যাকাৰীৰ বিষয়ে কেনেকৈ জানিলি ?"

: "আচলতে মই সকলো জানো। কিন্তু আপুনি বেছিকৈ ভয় খাই কিবা হয় বুলিয়েই মই আপোনাক একো কোৱা নাই চাৰ"

: "তই কি জান ? ক,—মোক সকলোবোৰ কথা খুলি।" বুলি অবিনাশে বগাইক ধমক দিয়াৰ সুৰেৰে ক'লে।

: "আচলতে হত্যাকাৰীটোনা কোন মই ঠিকমতে ক'ব নোৱাৰিম। কিন্তু হত্যাকাৰীজন যে আপোনাৰ মানুহ সেইবিষয়ে নিচিন্ত থাকক"

: "কি ?" বগাইৰ কথাত অবিনাশে আচৰিত হৈ ক'লে— "তই কেনেকৈ জানিলি ?"

: "হয় চাৰ, আপুনি মাথোন চিন্তা নকৰিব ইয়াৰ সকলো ব্যৱস্থা মই কৰিম।"

: "মই তাৰ কি জগৰ লগালো, সি মোৰেই

মানুহ হৈ মোকে হত্যা কৰিব ।”

: “চাৰ. কালি আপুনি যিজনী কোমল বয়-সীয়া ছোৱালী বলাৎকাৰ কৰি হত্যা কৰিলে হত্যাকাৰী তাইৰেই ককায়েক ।”

: বগাইৰ কথা শুনি অবিনাশে কৈলে “কুকুৰে ইমান সাহস পালে ক'ত ? তাক এতিয়াই ধৰি আন যা, বেগতে যা ।”

: “কিন্তু যাবলৈ যে চাৰ সময় তেনেই তাকৰ ।”

: ‘কিয় ?”

: “চাৰ, কাৰণ বাৰ বাজিবলৈ আৰু মাত্ৰ কেইচেকেণ্ডমানহে বাকী ।”

: “চাট্ আপ্ । মই যি কৈছো কৰি যা, নহ'লে তোকো গুলিয়াই মাৰিম ।”

: “আপুনি মোক মাৰকেই বা কাটকেই এই মুহূৰ্ত্তত মই আপোনাক অকলে এৰি নাযাওঁ, কাৰণ বাৰ বাজিবলৈ এক ক্ষণহে বাকী আছে।” বগাইৰ কথা শুনাৰ লগে লগে অবিনাশে ঘড়ীলৈ চাই মৃত্যুৰ শংকাত কেঁপাবলৈ ধৰিলে আৰু ক্ৰমে বটলৰ অৱশিষ্ট মদকণো ডিঙিত ঢালি দিলে ।

ইফালে নিশাৰ বাৰ বজাৰ সংকেতে নিৰ্জনতা ভেদ কৰা হুৱোৰে কাণত পৰিল । লগে লগে এক অসহনীয় অপেক্ষাৰ অন্তত কঠিন হাতখনে খামুচি ধৰি থকা ৰিভলভাৰটো গৰজি উঠিল আৰু এটা এটাকৈ ছটা গুলিয়ে অবিনাশৰ দেহা থকা-সৰকা কৰিলে । তেজেৰে বাঙলী হৈ অবিনাশ মাটিত বাগৰি পৰিল । তেতিয়াও কঠিন হাতৰ তৰ্জনী আঙুলিটোৱে ৰিভলভাৰৰ টিগাৰটো টিপিয়েই আছিল ।

: “বগাই ! তুমি !!’ হঠাৎ পুলিচ ইন্সপেক্টৰৰ মাতত বগাই চক খাই উঠিল আৰু ক'লে—“হয় চাৰ, মই অবিনাশক বিনাশ কৰিলোঁ ।”

: “কিন্তু তুমি এই কামটো কিয় কৰিলা ।”

: “চাৰ, ই এটা জঘন্য জন্তু আছিল । প্ৰথমে ইয়াৰ সকলো কৰ্ম সহ্য কৰি আছিলো । কিন্তু, যেতিয়া সিদিনা মোৰ ভনীজনীও ইয়াৰ চিকাৰ হ'ল, তেতিয়া মই আৰু ইয়াক ক্ষমা কৰিব নোৱাৰিলোঁ ।’

: “বগাইৰ কথা শুনি পুলিচ ইন্সপেক্টৰে ক'লে, “তুমি যদি ইয়াক হত্যা কৰিম বুলি ভাবিছিলা তেনহ'লে ইমানবোৰ পৰিকল্পনা কৰি হত্যা কৰাৰ কাৰণ কি আছিল ? তুমিতো যি-কোনো সময়তেই ইয়াক হত্যা কৰিব পাৰিলা-হেতেঁন ? ইমান সময় অপেক্ষা কৰাৰ কাৰণেই নাছিল ।”

: পুলিচ ইন্সপেক্টৰৰ কথা শুনি বগায়ে ক'লে—“হয় চাৰ ! মই ইয়াক যিকোনো সময়তেই হত্যা কৰিব পাৰিলোহেতেন; কিন্তু সি তেতিয়া মৃত্যু যে ভয় লগা সে কথা গম নাপালেহেতেঁন । গতিকে ইমান সময় মই অপেক্ষা কৰাৰ বিনিময়ত মৃত্যু যে এক ভয়াবহ করুণ কাহিনী তাক তাকেই মই শিকাই পঠিয়ালো”—বুলি কৈ বগায়ে নিজৰ হাত দুখন পুলিচ ইন্সপেক্টৰৰ ফালে আগবঢ়াই দিলে । ০ ০ ০



# আগলি বতাহ

অঞ্জু বৰা
স্নাতক ২য় বৰ্ষ

তেতিয়া ৰাতি প্ৰায় দুপৰ হৈছে । এতিয়ালৈকে তাই চেষ্টা কৰিও চকুলৈ টোপনি আনিব পৰা নাই । কিছুমান কথা নাভাবো বুলিলে তাইৰ মনলৈ আহি আছে কিয় বাৰু, তাই মাক-দেউতাকৰ প্ৰথম সন্তান হিচাপে জন্ম লৈছিল । নিজৰ ওপৰতেই কেতিয়াবা খং উঠে, কিন্তু কেতিয়াবা আকৌ ভালো লাগে, কাৰণ তাই সিহঁতৰ আন তিনিটা ল'ৰা-ছোৱালীতকৈ বেছি আদৰ পায় ।

তাইৰ খং উঠিছিল আজিৰ সমাজখনৰ আৰু মাক-দেউতাকৰ ওপৰত । কিয় বাৰু আজিৰ সমাজখনে সকলোকে সমান বুলি মানি ল'ব পৰা নাই ? উচ্চ-নীচ, জাতি, ধৰ্মকলৈ আজিৰ সমাজখনত কিয় মনোমালিন্য ঘটিছে ? কিয় বাৰু আজিৰ সমাজখনে এই এলান্ধুকলীয়া কুসংস্কাৰবোৰ আঁতৰাব পৰা নাই ?

পপীয়ে মনে প্ৰাণে ভাল পাইছিল সিহঁততকৈ নীচকুলৰ আৰু তল শ্ৰেণীৰ এজন যুৱকক । সিহঁতৰ চিনাকি হৈছিল এটা সাংস্কৃতিক অনুষ্ঠানত । পংকজেও গান গাইছিল সেইটো অনুষ্ঠানতে । পপীয়েও ভালদৰে গান গাব পাৰে । সেইদিনা তাইৰ গা বেয়া আছিল । তথাপিও মাক-দেউতাকে তাইক জোৰকৈ গান গাবলৈ পঠাইছিল । তাতেই চিনাকি হৈছিল পংকজ আৰু পপীৰ । প্ৰথমে সিহঁত দুয়োৰে মাজত বন্ধুত্ব আৰু পিছত গৈ সেই বন্ধুত্বই প্ৰেমত পৰিণত হৈছিল ।

পংকজে বৰ্ত্তমান অৰ্থনীতি বিভাগত এম, এ পাছ কৰিও এতিয়ালৈকে চাকৰি পোৱা নাই । সেইবাবে তাৰ মনত অলপ দুখ; কিন্তু পপীক লগ পোৱাৰ পাছৰ পৰা তাৰ মনৰ দুখ অলপ পাতলিছে । পপী বৰ্ত্তমান স্নাতকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী । কলেজলৈ অহা যোৱা কৰোঁতে পপীয়ে পংকজক প্ৰতি দিনে লগ পায় । পপী আৰু পংকজৰ সম্পৰ্কৰ কথা ঘৰত মাক-দেউতাকে গম পাইছে আৰু সেই সম্পৰ্কে মাক দেউতাকে উপলব্ধি কৰিছেও । তাইও মাক-দেউতাকৰ আগত সকলো কথা খোলা-খুলিকৈ কৈ দিছে ।

পপীৰ মাক-দেউতাকে পংকজৰ দৰে

এজন নীচ কুলৰ ল'ৰাক কেতিয়াও জোৱাই হিচাপে মানি লব নোৱাৰে তাতে তাৰ বৰ্ত্তমান কোনো চাকৰি নাই। সকলো কথা জনাৰ পাছত পপীক কলেজলৈ যোৱাটো দেউতাকে বন্ধ কৰি দিছে। তাইৰ এতিয়া কৰিবলৈ একো উপায় নাই। তাই এতিয়া পংকজক পাবৰ কাৰণে মাক-দেউতাককো এৰিব নোৱাৰা হ'ল। তাই মাথো মাক-দেউতাকৰ আঁৰে আঁৰে কান্দি কান্দি দিন পাৰ কৰিবলগীয়া হৈছে। তাই ভাবি ভাবি পাৰ নোপোৱা হৈছে—তাইতো ঘৰখনৰ ডাঙৰ ছোৱালী, তাইৰ ওপৰতেইতো মাক-দেউতাকৰ মান সন্মান নিৰ্ভৰ কৰিছে! তাই যদি মাক দেউতাকৰ অবাধ্য হয় তেন্তে মাক দেউতাকে অন্তৰত আঘাত পাব। সেইবোৰ ভাবিয়েই তাই মাক-দেউতাকৰ বাধ্য হব লগীয়া হৈছে। তাই নিজে অশান্তি ভোগ কৰিব কিন্তু মাক দেউতাকৰ অন্তৰত আঘাত দিবলৈ তাই নিবিচাৰে।

আজি কেইদিনমানৰ পৰা তাইৰ চকুত আৰু টোপনি নাইকিয়া হৈছে। এতিয়া তাই যি কৰিবলৈ ওলাইছে পংকজেতো তাইক বিশ্বাসঘাতকিনী বুলি ভাবিব তাত কোনো সন্দেহ নাই ভয় হৈছে-এয়া তাই পাপ কৰা নাইতো? নাই, তাই মাক-দেউতাকৰ অন্তৰত শান্তি দিয়াত কেতিয়াও পাপ হব নোৱাৰে। তাই কলেজ এৰা দিন ধৰি পংকজকো লগ পোৱা নাই মনৰ কথা ব্যক্ত কৰিবলৈ।

পপীৰ বিয়া ঠিক হৈছে ফাগুনৰ ২৬ তাৰিখে। যোৰহাটৰ এজন ইঞ্জিনিয়াৰৰ লগত। ল'ৰাজনৰ মাক-দেউতাকে আহি তাইক চাই গৈছেহি। তাইৰো ভাল লাগিছিল সেইদিনা মাক-দেউতাকৰ আনন্দ দেখি। কিন্তু পংকজৰ কথা মনলৈ আহিলেই তাইৰ গাটো শিয়ঁৰি উঠে।

পপীৰ বিয়ালৈ আৰু চাৰি-পাঁচ দিনমানহে বাকী আছে। সিহঁতৰ মাহী-পেহী সকলোবোৰ আহি গোট খাইছেহি। পপীৰ ভায়েকহঁতৰ গাতো তত নাই। সকলোৰে মনত আনন্দ, আনন্দ নাই মাথো পপীৰ মনতহে!

বিয়াৰ যো-যা ভালদৰেই চলিছে। বভাৰ কাম মাথো অলপ বাকী। পপীয়ে বৰ্ত্তমান সকলোৰে লগত আনন্দৰ ভাগ লব পৰা নাই। তাই মাক-দেউতাকৰ আঁৰে আঁৰে কান্দি আছে। সকলোবোৰ কামে কামে ব্যস্ত। পপীৰ দুখ বুজোতা কেওঁ নাই। যোৰোনৰ আগৰ দিন। হঠাৎ দৰাৰ মাক-দেউতাক আহি সিহঁতৰ পদূলিত এখন টেক্সিৰ পৰা নামিলহি। পপীৰ মাক-দেউতাকে তেওঁলোকক আদৰি নি বহিবলৈ দিলে আৰু হঠাৎ অহাৰ কাৰণ সুধিলে। এনেতে দৰাৰ দেউতাকে পপীৰ দেউতাকৰ গলত আকলমাৰি ধৰি কান্দিবলৈ ধৰিলে আৰু ক্ষমা খুজিলে। পপীৰ দেউতাকে তাৰ কাৰণ এবো বুজি নাপালে। দৰাৰ দেউতাকে কলে যে কালি দৰাই যোৰহাটতে এজনী ছোৱালীক 'কৰ্ট-মেৰেজ' কৰিছে। তাৰ বাবে তেওঁলোকেই দায়ী। কাৰণ আজিৰ যুগত ল'ৰা-ছোৱালীৰ মতামতক



গুৰুত্ব দিয়া প্ৰয়োজন। গতিকে তেওঁ ক্ষমা প্ৰাৰ্থী।

সেইখিনি কথা শুনাৰ পাছত পপীহঁতৰ ঘৰৰ পৰিবেশটো কাঁহ পৰি জীণ যোৱা যেন হ'ল। পপীৰ দেউতাকেহে ল'ৰাৰ দেউতাকে কোৱা কথা কেইষাৰ বুজি লৈ তেওঁলোকৰ ঘৰৰ পৰিবেশটো আকৌ আনন্দমুখৰ কৰি তুলিলে। তেওঁ ঠিৰাং কৰিলে যে পপীৰ বিয়া সেই একে তাৰিখেই পংকজৰ লগতেই হ'ব। লগে লগে তেওঁ পংকজৰ ঘৰলৈ খবৰ পঠালে আৰু পংকজক মাতি আনি সকলো কথা বুজাই ক'লে।

অতি ধুম-ধামেৰে পংকজ আৰু পপীৰ বিয়া ২৬ তাৰিখেই হৈ গ'ল। পপী এতিয়া বৰ সুখী, বাহীবিয়াৰ দিনাখনেই পংকজলৈ 'এপইণ্টমেণ্ট লেটাৰ' আহিল। তেওঁ গুৱাহাটীৰ এখন কলেজত অধ্যাপকৰ পদ এটা পাইছে, অহা ১ তাৰিখে তেওঁ চাকৰিত 'জইন' কৰিব লাগে। তেনেতে শুনা গ'ল ঘৰৰ ওপৰত এহাল পাৰৰ কুৰুলি। আৰু এজাক আগলি বতাহে কলৰ পাতবোৰ লৰাই থৈ গ'ল।

○ ○ ○

---

## মহৎলোকৰ বাণী ঃ

"পৰৰ কূট বাক্যত মন নিদিবা! পৰে যি নকৰিলে তালৈ চকু নিদিবা। নিজে যি কৰিচা বা নাই কৰা তাকেহে চকু দিবা।"

*—ধৰ্মপদ*

"বহুত আৰু বিৰাট ভুলৰ মাজেদি নহাকৈ কোনো মানুহেই মহান আৰু ভাল হব নোৱাৰে।"

*—ছেক্সপীয়েৰ*

'কি আশ্চৰ্য্য, মই আজিলৈকে এনে এজন মানুহ লগ নাপালো, যিজনে নিজৰ দোষৰ কাৰণে নিজকো দোষী বুলি বিবেচনা কৰে।"

*— কনফুচিয়াচ*

"মই সেইটোহে উচ্চ শিক্ষা বুলি কম যিটোৰ পৰা মানুহ বিনম্ৰ, পৰোপকাৰী, সেৱাভাৱাপন্ন আৰু কৰ্মপটু হব পাৰে।"

*— মহাত্মা গান্ধী*

"জ্ঞানৰ সাগৰত ডুব দিয়াটো দূৰৰ কথা, পাৰৰ শিলগুটি কেইটামান বুটলোতেই মোৰ জীৱনৰ অন্ত পৰিল।"

*—চাৰ আইজাক নিউটন*

। *সংগ্ৰহ : জোতি ভৰালী, স্নাতক ২য় বৰ্ষ*॥

# অভিমান

বৰ্ণালী বৰা
স্নাতক ২য় বৰ্ষ (দিবা)

(১)

"পলাশদা, তুমি সচাঁকৈয়ে বৰ দুষ্ট, জানা ?"
"কিয় ? কিহত তুমি মোক দুষ্ট দেখিলা পূজা ?"—আচৰিত হোৱাৰ নিচিনা হৈ পলাশে সুধিলে।

"কিয় তুমি যে কলেজত থাকোঁতে ছোৱালী-বোৰক খুব জোকাইছিলো বুলিছিলা, সেইয়া কিবা সাধু কাম কৰিছিলা বুলি ভাবানেকি বাৰু ? গতিকে কোৱা এতিয়া তুমি দুষ্ট হয়নে নহয় ?" মইও এতিয়া সেই দুষ্টটোকেহে পালো আকৌ ।' আৰু অলপ কিবা কম বুলি ভাবিও বৈ গ'ল পূজা। কাৰণ পলাশৰ ওচৰত অভি-মান কৰি কথা কৈ পূজাই বৰ ৰং পায় যদিও কেনেবাকৈ পলাশে বেয়া পাই পেচ পাতিলে তাৰ সেই অভিমান ভঙাতো বৰ টান বুলি তাই জানে।

" পূজা—।" কিবা কম বুলি ভাবিও নকলে পলাশে। "কোৱানা পলাশদা বৈ গ'লা যে। তুমি এতিয়াও সৰু লৰা-ছোৱালীৰ দৰে হৈ আছা, জানা। মই যেন তোমাৰ মাহে আৰু তুমি মোৰ ওচৰত সৰু ল'ৰা-ছোৱালীয়ে মাকৰ ওচৰত অভিমান কৰাৰ দৰে অভিমানতে মুখ-খন ওফোন্দাই অভিমানখন ৰবা। তুমি ছোৱালীহে হ'ব লগিছিল, পলাশদা।" কথা-খিনি কৈ পূজাই পলাশৰ নাকটো মৰমতে চেপি দিয়ে। সচাঁকৈয়ে পলাশৰ তেনে অভি-মান ভৰা মুখখন দেখিলে তালৈ আৰু বেছি মৰম লাগি যায় পূজাৰ। "পূজা তুমি মোক সচাঁকৈয়ে দুষ্ট বুলি ভাবানেকি বাৰু ?"

"নহয় অ', পলাশদা তুমিও যে আৰু কি মানুহ ভাবি নাপাওঁ। দেখিছো তোমাৰ লগত ধেমালি কৰিব নোৱাৰি। তোমাৰ লগত ইমান সময় ধৰি কথা পাতি থাকিলো কোনো কাজিয়া নকৰাকৈ আৰু তোমাক দুষ্ট বুলি কোৱাতেই তুমি বেয়া পাই গ'লা। নকওঁ আৰু বাৰু।" দুয়ো এনেকৈ কথা পাতি থাকে। আনন্দত। তেনেতে তেওঁলোকৰ কাষৰ ট্ৰেইন লাইনটোৰেদি এখন ট্ৰেইন পাৰ হৈ যায়। ট্ৰেইনখন দেখি পূজাক ধেমালি কৰিবৰ কাৰণে পলাশে কয়—"পূজা এই ট্ৰেইনখন দেখিলা ?"

"অ দেখিলোতো; চকুৰ আগেদি পাৰ হৈ যোৱা ট্ৰেইনখন কোনোবাই নেদেখেনে ? কিন্তু কিয় সুধিলা পলাশদা ?"

"সুধিলা মানে তুমি মোক বৰ খং কৰি থাকা নহয়। ভৱিষ্যতে তুমি মোক বেছি খং কৰিলে এনেকুৱা এখন ট্ৰেইনতে উঠি মই বহু দূৰলৈ গুচি যামগৈ। তুমি আৰু মাতি থাকিলেও আৰু মই ফিৰি নাহিম। পলাশৰ কথাত পূজাই হাঁহি দিয়ে আৰু কয়— "ঠিক আছে মোক এৰি থৈ যদি তুমি থাকিব পাৰা থাকিবা বাৰু। তোমাৰ সেইটো নিজৰ কথা।"—পূজাৰ কথাত পলাশৰ মৰম লাগি যায় পূজালৈ। পূজাৰ মতে তাইৰ প্ৰবিহনে যেন সি তাইৰ পৰা আঁতৰি এখন্তেকো থাকিব নোৱাৰিব। পুনৰ তাইৰ ওচৰলৈ সি ফিৰি আহিবলৈ বাধ্য হ'ব। পলাশৰ মৌনতা দেখি নীৰৱতা ভংগ কৰি পূজাই কয়— "পলাশদা কি ভাবিছা ঘৰলৈ মনত পৰিছে নেকি ?" —পূজাৰ কথা শুনি পলাশে হাঁহি দিয়ে।
"কিয় ? তুমি হাঁহিলা যে পলাশদা ?"
"ধেৎ পাগলী, হাঁহি উঠা কথা শুনিলে নাহাঁহি থাকিব পাৰিনে ? ইয়াত ইমান আনন্দত থাকোঁতেই ঘৰলৈ মনত পৰে জানো ?" পলা-শৰ মতে সেই সুখতকৈ আৰু সুখ আছে বুলি সি নাভাবে। এয়াই তাৰ বাবে স্বৰ্গ সুখ।
"বাৰু পলাশদা বহুত দেৰি হ'ল যাওঁ বলা।"
"বলা পূজা।" দুয়ো লাহে লাহে ঘৰমুৱা হয়।

(২)

বিক্ৰম চৌধুৰীৰ ঘৰ। সময় ৰাতি-পুৱা। ব্ৰেকফাষ্ট আগত লৈ কিবা এটা খং ভাৱত চিন্তা কৰি থাকে চৌধুৰীয়ে। বাথ-ৰুমৰ পৰা আহি পূজাইও টেবুলৰ কাষতে খাবলৈ বহেহি। চাহৰ কাপটো দাঙি লৈ বিক্ৰম চৌধুৰীয়ে পূজাক কয়— "পূজা অহা ফেব্ৰুৱাৰীৰ ২৬ তাৰিখে তোমাৰ বিয়াখন পাতিম বুলি মনস্থ কৰিছো—উৎপলৰ লগত।"

"দেউতা............ ?"

"অঁ, সচাঁ মাজনী। তোমাক ইমান দিনে আমি কথাটো কোৱা নাছিলো সদায় তাক লগ পাই থাকি বেছি দুষ্ট হৈ যাবা বুলি।

"কিন্তু দেউতা .... .... ?"

"কোনো কিন্তু নাই মাজনী। তুমি মোৰ একমাত্ৰ ছোৱালী। গতিকে তোমাক এজন ভাল পাত্ৰত গতাম বুলি ভাবিয়েই তাক মই ইমান দিনে পঢ়াই শুনাই আজি

ইঞ্জিনিয়াৰ কৰিলো। এতিয়া তাৰো সংস্থান হৈছে আৰু তোমাৰো বিয়া দিয়াৰ উপযুক্ত সময় হৈছে। গতিকে বিয়াখন হৈ যোৱাতনো তোমাৰ কি আপত্তি? তাৰ উপৰি কি জানা, তাৰ কোনো আত্মীয়-স্বজন নাই। গতিকে তোমাক বিয়া কৰি সি বেছি সুখী হ'ব আৰু তুমিও তাক লৈ সুখী হ'ব পাৰিবা মাজনী।"

"মোৰ দ্বাৰা নহ'ব দেউতা।" খঙত পূজাই কৈ যাবলৈ ধৰে— 'আপোনালোকে চাকৰিৰ মাপ কাঠিৰে ভাল মানুহ নিৰ্বাচন কৰিলেও মোৰ মনে সেইটো কেতিয়াও নামানে দেউতা। উৎপল হ'ব পাৰে ইঞ্জিনিয়াৰ, থাকিব পাৰে তাৰ সমাজত সন্মান। কিন্তু নিশাৰ এন্ধাৰত লুকাই থকা উৎপলৰ মদপী চৰিত্ৰটো মোৰ বাহিৰে পোহৰৰ সমাজখনে দেখা নাই দেউতা। যদি এই অভিপ্ৰায়েৰেই উৎপলক আপুনি এইখন ঘৰত ৰাখি পঢ়াইছ বুলি জানিলোহেঁতেন তেনেহ'লে তাক কাণত ধৰি মই এইখন ঘৰৰ পৰা উলিয়াই দিলোহেঁতেন। নহ'লে মই নিজেই আত্মহত্যা কৰিলোহেঁতেন।"

"পূজা –।" পূজাৰ কথাত চৌধুৰীৰ ভীষন ভাবে খং উঠি যায়।

"এৰা দেউতা, আমাৰো এটা স্বাধীন মন আছে। ল'ৰা-ছোৱালী জন্ম দিয়াটো সকলোৰে এটা কামনা আৰু ডাঙৰ দীঘল কৰাটো এটা কৰ্ত্তব্য। সেই বুলি আমি যন্ত্ৰ-চালিত মেচিন নহওঁ যে কোনোবাই চুইচ টিপিলেই আমি চলি যাম।"

"পূজা, তুমি এইয়া কাৰ আগত কথা কৈছা বুলি ভাবিছা।" দেউতাকৰ খং উঠা যেন পাই নম্ৰভাবে দেউতাকক বুজাবলৈ চেষ্টা কৰে পূজাই।

চাওক দেউতা "আপোনালোকে ভাল দেখা এজন ল'ৰাৰ লগত মোৰ বিয়া পাতি দি দুদিন পিছত আপোনালোক মৰি যাব; কিন্তু মোৰ মনৰ অমিল হৈ ভৱিষ্যত জীৱনটোত মই চকুপানী মছি মছি কটালেও মোৰ দুখ চাবলৈ তেতিয়া আপোনালোক নাহে দেউতা। আপোনালোকে মাথো আনন্দ কৰি বিয়াখনহে পাতি যাব। গতিকে এবাৰ ভাবি চাওক দেউতা।"

"তাৰমানে তুমি মনে বাছি লোৱা কোনোবা ঠিক কৰি থৈছা— এইয়াইতো?"

"মই সকলো শুনিছো, শুনিয়েইতো সোনকালে বিয়াখন পতাৰ মনস্থ কৰিছো।" দেউতাকৰ দৃঢ় কথা শুনি দেউতাকৰ ভৰিত ধৰি কান্দি কান্দি তাই কবলৈ ধৰে— "নহয় দেউতা, মই সেইটো কেতিয়াও হ'বলৈ দিব নোৱাৰো। আপুনি যি শুনিছে হয়তো সঁচা কথাই শুনিছে; মোৰ বিয়া পলাশদাৰ লগত হ'ব দেউতা। এইবাৰ ইঞ্জিনিয়াৰিং ডিপ্লোমা পাছ কৰিছে।" পূজাৰ কথাত দেউতাকৰ আৰু খং উঠি যায়। খঙত অধীৰ কৈ কয়ঃ

"ডিপ্লোমা ইঞ্জিনিয়াৰ? সেই ছালচিঙা ভিকহুটো, তাক ইঞ্জিনিয়াৰ বুলি মোৰ আগত বাহাদুৰী কৰিছে —শুনা।"



"নহয় দেউতা মই বাহাদুৰী কৰা নাই। পলাশদাৰ ডিগ্ৰী নহব পাৰে কিন্তু তেওঁ সচাঁকৈয়ে দেৱতাৰ তুল্য দেউতা। উৎপলৰ দৰে পলাশদা মদপী, চৰিত্ৰহীন পশু নহয়।"

"O. no, no. It is too much for me, মোৰ মতৰ নৰচৰ নহয় পূজা। তোমাৰ বিয়া অহা ফেব্ৰুৱাৰীত হবই।" ভিতৰৰ পৰা উৎপলে এই সকলোবোৰ কথা শুনি থাকে। আৰু হঠাতে উৎপল সেই কমত প্ৰৱেশ কৰে। উৎপলক দেখি পূজাই যেন ভয় খাই যায়। তাইৰ মনত ভাব হয় এই দানৱটোৱেই যেন তাইক গ্ৰাস কৰিবলৈ আয়োজন কৰি আছে। উৎপলে কিবা কোৱাৰ ভংগীত পূজাৰ ওচৰলৈ আগবাঢ়ি গৈ মৰমেৰে কয়, 'পূজা— ' পূজাৰ কান্ধত উৎপলে হাতখন দিবলৈ ধৰে কিন্তু পূজাই জোৰে আচাৰ মাৰি দি কয়—

'চৰিত্ৰহীন লম্পট, মোৰ গাত হাত দিবলৈ তোমাৰ অধিকাৰ আৰু এতিয়া নাই। আগতে এই কু-অভিসন্ধি নাজানি নিজৰ দাদাৰ নিচিনাকৈ তোমাক যিমান শ্ৰদ্ধা কৰিছিলো এতিয়া সেই শ্ৰদ্ধাৰ পাত্ৰ আৰু তুমি নোহোৱা। Get uot. মোৰ ওচৰৰ পৰা তুমি আতৰি যোৱা। I say get out, 'খঙত অধীৰ হৈ পূজাই কবলৈ ধৰে। কিন্তু উৎপল ইমান সহজে হাৰ মনা বিধৰ নহয়। গতিকে পুনৰ মৰমৰ সুৰত কয়. "তুমি মোক মিছাই খং কৰিছা পূজা মই সিটো কোঠাৰ পৰা সকলো শুনি আছো।' বিক্ৰম চৌধুৰীলৈ চাই উৎপলে কয়—"খুড়া আপুনি পূজাক মিছাই ইমান আমনিখন দিছে কিয়? পূজা মোৰ ভনী নহলেও মোৰ নিজৰ ভনীৰ নিচিনা বুলি মই ভাবোঁ। তাইৰ চকুত চকুপানী মই কেতিয়াও সহ্য কৰিব নোৱাৰো খুড়া।" উৎপলৰ কথাত পূজাৰ আৰু খং উঠে। কাৰণ তাই জানে তাৰ চৰিত্ৰ কেনেকুৱা। গতিকে উৎপললৈ চাই কয়;

"যোৱা, যোৱা। মোৰ কাৰণে ইমান সহৃদয়ৰ অভিনয় কৰি দেখুৱাব নালাগে। তোমাৰ চৰিত্ৰ মই ভালদৰে চিনি পাওঁ।"

চৌধুৰীলৈ চাই উৎপলে কয়—"খুড়া পূজাই মোক মিছাই খং কৰিছে। অৱশ্যে খং কৰিবই কাৰণ আপুনি খং উঠাই দিছে যেনেকৈ খং নকৰিব কিয়? বাৰু খুড়া, পূজাই যিহেতু ভাল দেখিছে পলাশৰ লগতেই পূজাৰ বিয়া হওক। কাৰণ সঁচা কথাই কৈছে পূজাই— সকলোৰে একোটো স্বাধীন মন আছে।"

"নহব উৎপল সেইটো মই কোনোপধ্যেই হব দিব নোৱাৰিম। মোৰ মত এক। "খঙৰে চৌধুৰী যাব খোজে কিন্তু উৎপলে হাতত ধৰি কয়.—

"নহয় খুড়া আপুনি ইমান অবুজ নহবচোন। পূজা মোৰ ভনী। মই জানো পূজাৰ সুখ-দুখৰ কথা
চিন্তা কৰিব নালাগে খুড়া!" উৎপলে চৌধুৰীক বুজাবলৈ চেষ্টা কৰে।

"ঠিক আছে যি কৰাৰ ইচ্ছা তোমালোকেই কৰা। আমাৰ কথা যেতিয়া কোনেও নুশুনা, আমি কি কম।" চৌধুৰী যাব খোজে।

"নহয় খুড়া আপুনি অলপ সহজ হওক-চোন। শুনক খুড়া, অহা ফেব্রুৱাৰীৰ ২৬ তাৰিখে পলাশৰ সৈতে পূজাৰ বিয়া হ'ব লাগিব আৰু মই কলিলৈয়ে পলাশৰ ওচৰলৈ যাম আৰু তাক ইয়ালৈ লৈ আহি সকলো কথা আলোচনা কৰিম।" কিছু সময় চিন্তা কৰাৰ পিছত চৌধুৰীয়ে কয়,

"ঠিক আছে, যি ইচ্ছা তাকে কৰা। দেখিছো তোমালোক সকলোৱেই মোৰ বিপক্ষে।" চৌধুৰীৰ মনলৈও পৰিবৰ্ত্তন আহে। কাৰণ একমাত্ৰ এজনী ছোৱালী। সেইজনী ছোৱালীকেতো মনৰ অশান্তিৰে বিয়া দিব নোৱাৰি। আৰু পূজাই ঠিকেই কৈছে বিয়াৰ পাছত মাক-দেউতাক মৰি যায়, মৰাৰ পিছততো মাক-দেউতাকে ছোৱালীজনীৰ সুখ-দুখ চাবলৈ নাহে। এইবোৰকে ভাবি ভাবি চৌধুৰী ওলাই যায়। আৰু উৎপলে পূজালৈ চাই হাঁহি কয়–

"অই পাগলী হল'তো ?"

"তুমি সচাঁকৈয়ে বৰ ভাল উৎপলদা।" আনন্দত পূজাই কান্দি দিয়ে। তথাপি পূজাই ভাবে উৎপল আজি ইমান সহজ হব পাৰিলে কেনেকৈ ? কিন্তু পিছ মুহূৰ্ত্তে ভাবে যেনে-কৈয়ে নহওক তথাপি আজি উৎপলক তাইৰ ভাল লাগিছে। আনন্দত উৎপলৰ গাত ধৰি কয়—"তুমি সঁচাকৈয়ে বৰ ভাল উৎ-পলদা। মই ধেমালি কৰা নাই জানা।"

"যোৱা চৰিত্ৰহীন এটাক আকৌ খুব ভাল বুলি ভালবি লগাব নালাগে। নামাতিবা মোক।" অভিমানৰ সুৰত কয় উৎপলে।

"নহয় উৎপলদা, মই খঙত কি কৈ পেলালো গমেই নাপালো জানা। ক্ষমা কৰিবা দেই।" দুয়োকমৰ পৰা ওলাই যায়।

(৩)

পলাশৰ ঘৰ। বিছনাতে বাগৰি বাতৰি কাকতখন ওপৰে ওপৰে চাই যাবলৈ ধৰে পলাশে। এনেতে বাহিৰত মটৰৰ মাত শুনি তেওঁ আচৰিত হৈ যায়। কিয়নো আজিলৈকে কোনেও তেওঁলোকৰ ঘৰলৈ গাড়ী লৈ অহা তেওঁৰ মনত নপৰে। তেনেহলে কোন হ'ব পাৰে ? তথাপি বাহিৰলৈ ওলাই উৎপলক দেখি এক অজান ভয়ত তেওঁৰ গাটো শিয়ঁৰি উঠে। ভিতৰলৈ মাতি লৈ গ'ল উৎপলক আৰু চকী এখনত বহিবলৈ কৈ সি নিজেও চকী এখন টানি বহি পৰে। উৎপলে এটা মিচিকিয়া হাঁহি মাৰি কয়,—"পলাশ, তোমাক আজি লৈ যাবলৈ আহিছোঁ"

"কিন্তু ক'লৈ ?" একো ধৰিব নোৱাৰি পলাশে প্ৰশ্ন কৰে।

"তোমাৰ মনৰ ৰাণীৰ ওচৰলৈ।"

"মানে ? মই একো বুজা নাই। আপুনি অলপ পোনকৈ কওঁকচোন।" পলাশে বৰ ভয়াতুৰ ভাবে কয়।

"বুজা নাই নহয় পলাশ ? শুনা— তোমাৰ আৰু পূজাৰ অহা ফেব্ৰুৱাৰীত বিয়াখন পতাৰ কথা ভাবিছোঁ, পূজাৰ দেউ-তাকে মোক নিজেই পঠাইছে বিয়াৰ বিষয়ে আলোচনা কৰিবৰ বাবে তোমাক নিবলৈ। কেনে লাগিছে বাৰু মনটোত ?

"কিন্তু—?"

"কোনো কিন্তু চিন্তা নাই। বলা সোনকালে ওলোৱা, ঘৰ পাওঁতে পাওঁতে বহু দেৰিয়েই হবগৈ। যোৱা সোনকাল কৰা।" আদেশৰ সুৰত কৈ গ'ল উৎপলে। কিন্তু পলাশে কথাটো সিমান সহজভাবে লব নোৱাৰি আপত্তি কৰি কয়—

"আজিতো দেৰি হ'লেই। বেলি প্ৰায় বহোঁ বহোঁ। গতিকে আজি নিশাটো থাকি কালিলৈ পুৱাই গলেই ভাল হব নেকি—?"

"নহয় পলাশ, কালিলৈ একেবাৰে পুৱাই মোৰ এফালে যাব লগা আছে। গতিকে আজি মই গৈ ঘৰ পাবই লাগিব।"

"ঠিক আছে, আপুনি অলপ বহক, মই ওলাইছো বাৰু।"

পলাশে খৰখৰকৈ কাপোৰ-কানি পিন্ধি ওলায় আৰু দুয়ো আহি গাড়ীত বহে। পাহাৰীয়া অকোঁৱা-পকোঁৱা বাটেৰে গাড়ী তীব্ৰ গতিৰে চলিবলৈ ধৰে। পলাশৰ মনত হেজাৰ ৰঙীণ সপোন। পূজাক সি আপোন কৰি লবলৈ আৰু বেছি দিন নাই। কিন্তু পূজাৰ মাক-দেউতাকৰ আগত বাৰু সি কেনে-কৈ কথা কব ? নিজৰ বিয়াৰ কথাটো জানো নিজে আলোচনা কৰে ? এনেকুৱা কথাবোৰ-নো বাৰু সি কেনেকৈ আলোচনা কৰিব। ধেৎ, সচাঁকৈয়ে লাজ লাগি যাব তাৰ। কিন্তু আকৌ ভাবে পলাশে, পূজাকতো সি এদিন নিজৰ কৰিবই লাগিব। গতিকে লাজ কৰিলে কি হব ? এনেকৈ নানা ৰঙীণ কল্পনাৰ মাজত বিভোৰ হৈ গৈ থাকোতেই এটা সময়ত গাড়ী-খন ৰৈ গৈছিল। লগে লগে তিনিটা গুণ্ডাই পলাশক গাড়ীৰ পৰা চুলিত ধৰি আজুৰি উলিয়াই আনে। পলাশে দাঁত কামুৰি খঙত কয়,—"কি হ'ল তোমালোকক কি লাগে ? সিহঁতে পলাশৰ কথালৈ কোনো কাণসাৰ নকৰি পলাশক যিমান পাৰে মাৰিবলৈ ধৰে। মাৰপিটৰ মাজেদিয়ে পলাশে উৎপলে কোৱা শুনিবলৈ পালে—"একেবাৰে শেষ কৰি দে। প্ৰেমিক দেখুৱাবলৈ আহিছে!" এটা সময়ত এবাৰ পলাশে দৌৰ মাৰিব খোজে, কিন্তু উৎ-পলে গাড়ীৰ হেণ্ডেল ডালেৰে মূৰত মাৰ মাৰি দিয়ে আৰু ৰক্তাক্ত হৈ পলাশ মাটিত বাগৰি পৰে। ইমানতো উৎপলৰ শান্তি নহ'ল। শেষত উৎপলে পলাশক নি নিচেই কাষত থকা ৰেল লাইনত পেলাই দিবলৈ আদেশ দিয়ে। আৰু ইতিমধ্যে ৰাতিৰ ট্ৰেইনখনো দীঘল উঁকি এটা মাৰি আহি থকা সিহঁতে দেখিবলৈ পায়। গতিকে ৰেল লাইনত পলা-শক পেলাই দি বিপৰীত ফালৰ পৰা গাড়ীৰ লাইট দেখি চাৰিও ভীষণ বেগে গাড়ীলৈ আঁতৰি গুচি যায়। কিন্তু পলাশ ? পলাশ ৰাতিৰ আন্ধাৰৰ বুকুত বিলীন হৈ গ'ল। ইফালে পিছদিনা পুৱা পলাশৰ বাবে অপেক্ষা কৰি থকা পূজা আৰু দেউতাকক উৎপলে আহি কয় যে পলাশক ঘৰত পোৱা নগ'ল। কিছু দিন আগৰ পৰা পলাশ অন্তৰ্দ্ধান হৈছে।

কোনেও নাজানে পলাশ ক'লৈ গ'ল । কিন্তু পলাশ যে ৰাতিৰ আন্ধাৰত হেৰাই গ'ল সেই কথা কোনেও গম নাপালে।

পূজাই ভাবিবলৈ ধৰিলে পলাশৰ এনে আকস্মিক অন্তৰ্দ্ধান কিয় ? পলাশ কলৈ গ'ল ? পলাশে কিয় তাইক এনেকৈ প্ৰবঞ্চনা কৰিলে । সিটো তাইক খুব ভাল পাইছিল । তাইক লগ পাবলৈ যে সি কিমান ব্যাকুল হৈ থাকে । কিন্তু এতিয়া পলাশ ক'ত ? পলাশে কিয় এনেকুৱা কৰিলে ? পলাশে তাইক ঠগিলে । কিয় প্ৰৱঞ্চনা কৰিলে ? নহয়, নহয় পলাশে তাইক কেতিয়াও ঠগিব নোৱাৰে । তাই পলাশৰ কাৰণে গোটেই জীৱন অপেক্ষা কৰিব । তাৰ অবিহনে তাই আনৰ কথা ভুলতো ভাবিব নোৱাৰে । গতিকে তাই অপেক্ষা কৰিব গোটেই জীৱন । কেতিয়াও তাই আনক বিয়া নকৰায় ।, এই-য়াই তাইৰ ভীষ্ম প্ৰতিজ্ঞা । ভাবি ভাবি তাই পাগলৰ দৰে হয় ।

(৪)

ডাঃ বিজেতা চলিহাৰ ঘৰ । বিজেতা চলিহা পূজাৰ জেঠায়েকৰ জীয়েক । আৰু পলাশৰ এসময়ৰ ক্লাচ ফ্ৰেইণ্ড্ । বিজেতাই চাকৰি জীৱনত ব্যস্ত থাকি বিয়াৰ প্ৰতি মন মেলা নাই । বিজেতাই চকী এখনতে বহি পলাশৰ লৈতে কথা পাতি থাকে । পলাশ বিছনাত শুই থাকে । বিজেতালৈ চাই পলাশে কয়—, "বিজেতা ঘটনাৰ সম্পূৰ্ণ বিৱৰণটো মই তোমাক কলোৱেই । কিন্তু মোক এতিয়া কোৱা মই ভৰিখন কেনেকৈ হেৰুৱালো ।" —বিষন্ন মনেৰে পলাশে কয় ।

"পলাশ সেইখিনি কাহিনী তোমাক মোৰ কোৱাৰ ইচ্ছা নাছিল । তথাপি শুনিবলৈ ইচ্ছা কৰিছা যেতিয়া শুনা — কৈ গ'ল বিজেতাই— "মই এটা ডেলিভাৰী কেছত আলাগী চাপৰিলৈ গৈছিলো । কেছটোত মোৰ দেৰী হৈছিল । আহি থাকোতে বাটত কেইটামান মানুহে কিবা এটা দাঙি নি ট্ৰেইন লাইনত পেলাই থৈ লৰালৰিকৈ গাড়ীত উঠি গুচি যোৱা মই আঁতৰৰ পৰা দেখিছিলো ।" কথাৰ মাজে মাজে বিজেতা বৈ গৈছিল আৰু চাদৰৰ আচলেৰে চকুপানী মচিছিল । আকৌ কৈ গৈছিল,—"সিকালৰ পৰা ট্ৰেইনখনো ওচৰ চাপি আহিছিল । গতিকে মই সেই ঠাই পাই গাড়ীখন ৰাখি দৌৰি গৈছিলো যিৱেই নহওঁক কিয় ট্ৰেইনখনৰ আগৰ পৰা টানি আনিবলৈ । কিন্তু দুৰ্ভাগ্য তোমাক বচালো যদিও তোমাৰ ভৰি এখনক মই বচাব নোৱাৰিলো পলাশ । তোমাৰ এখন ভৰিৰ ওপৰেৰে ট্ৰেইনখন পাৰ হৈ গৈছিল " কথা কেইটা কৈ কান্দি দিছিল বিজেতাই । পুনৰ কবলৈ আৰম্ভ কৰিছিল, "গাড়ীৰ লাইটৰ পোহৰত তোমাৰ চিনাকি মুখখন দেখি মোৰ ধৈৰ্য্যৰ সীমা পাৰ হৈ গৈছিল পলাশ । মই ঠিৰেৰে থাকিব পৰা নাছিলো ; লগে লগে কান্দি পেলাইছিলো মই । বৰ কষ্টেৰে তোমাক গাড়ীখনত তুলি গুচি আহিছিলো । তুমি চিন্তা নকৰিবা পলাশ A·tifi·ial হিচাবে হ'লেও মই তোমাৰ ভৰিখন লগোৱাৰ বাৱস্থা কৰিছো । কথাখিনি কৈ কৈ কান্দি পেলাইছিল বিজেতাই ।

"তুমি নাকান্দিবা বিজেতা । এইয়া মোৰ কপালৰ লিখন জানা । পূজাক পাবলৈ মই কপালত সাধি অহা নাছিলো বিজেতা । আহিছিলো এটা অভিশপ্ত জীৱন লৈ "

"তুমি তেনেকৈ নকবা পলাশ । পূজাক তুমি কিয় নাপাবা ? নিশ্চয় মই পূজাক তোমাৰ কৰি দিম পলাশ । মই এই কেইদিনৰ ভিতৰতে মহাদেউইঁতৰ ঘৰলৈ যাম আৰু সকলো কথা ভাঙি-পাতি কম । আৰু উৎপলক সেইখন ঘৰৰ পৰা চিৰকালৰ কাৰণে খেদিহে এৰিছো ।" প্ৰতিশোধৰ ভাৱত বিজেতাই কথাবোৰ কৈ যাবলৈ ধৰে । কিন্তু বাধা দি পলাশে কয়,—

"নহয় —নহয় বিজেতা । মোৰ এই পংগু দেহটোৰে আৰু পূজাক আপোন কৰি মই লব নিবিচাৰো । মোৰ এই পংগু শৰীৰটো দেখি পূজাই যেতিয়া হাঁহিব তেতিয়া মই সহ্য কৰিব নোৱাৰিম বিজেতা । মই আৰু পূজাক এই জীৱনত কোনো দিন দেখা দিবলৈ নিবিচাৰো । জানো মোৰ অবিহনে তাই বলিয়া হৈ পৰিব । হওক, তথাপি মই তাইক দেখা নিদিওঁ বিজেতা, দেখা নিদিওঁ ।" কথাখিনি কৈ হুকহুকাই কান্দি দিয়ে পলাশে ।

"পলাশ তুমি ইমান অধৈৰ্য্য নহবাচোন । পূজা বৰ ভাল ছোৱালী । তাই তোমাক কেতিয়াও নাহাঁহে পলাশ । আগতে মই সিহঁতৰ ঘৰলৈ গলেও তোমাৰ বিষয়ে যে কিমানবোৰ কথা নকয় ! এতিয়াও মই কলে তাই বুজিব পলাশ । তাৰোপৰি তোমাৰ ভৰিখনোতো লগাই দিয়া যাবই । তুমি আকৌ ভাল হৈ পৰিবা পলাশ ।" বিজেতাই বুজাবলৈ খুব চেষ্টা কৰে যদিও পলাশে কোনো কথাই নামানে । কিছু সময় নীৰবে থাকি পলাশে কয়,

"বিজেতা মই জীয়াই থকাৰ কথা কোনোমধ্যেই তুমি পূজাক বা পূজাৰ ঘৰখনত জানিবলৈ নিদিবা । যদি কেনেবাকৈ জানিবলৈ দিয়া তেনেহ'লে ধৰি লবা সেইদিনাৰ পৰা তোমাৰ ঘৰতো আৰু মোক নেপোৱা । মই ঘৰলৈ আৰু ফিৰি নাযাওঁ । কাৰণ ঘৰলৈ গ'লেই পূজাই মোক বিচাৰি পাবই । গতিকে মই ইয়াতেই থাকিম । পাৰা যদি তোমাৰ হস্পিটেলত মোক এটা চকিদাৰ কাম দিবা ।" পলাশৰ সিদ্ধান্তত বিজেতা আচৰিত হৈ যায় ।

"পলাশ তুমি ইমানবোৰ ভাবিছা কিয় ? তোমাক খুৱালে মোৰ কিবা পইচা শেষ হ'বনে তুমি যে চকিদাৰ হ'বা ? সিও মোৰ চকুৰ আগতে ? হ'ব বাৰু পলাশ তুমি চিন্তা নকৰিবা ! কিন্তু কথাবোৰ এনেকৈ গুপ্ত কৰি ৰখাটো মোৰ মনে মানি লব পৰা নাই পলাশ । ইমান এটা ডাঙৰ ঘটনা পূজাইঁতৰ ঘৰত জনোৱাটো মই অতি প্ৰয়োজনীয় বুলি ভাবো ।"

"নহয় বিজেতা, মোৰ শপত । বন্ধু

হিচাবে মোৰ এইটো এটা একমাত্ৰ অনুৰোধ তুমি ৰাখিবই লাগিব। কোৱা ৰাখিবা ? কোৱানা—একো নামাতিলা যে ?”

“ঠিক আছে পলাশ কথা দিলোঁ।”

ইমানকে কৈ বিজেতা হস্পিতাললৈ গুচি যায়। কিছু সময়ৰ পিছত পুনৰ বিজেতা পলাশৰ ওচৰলৈ আহে। হাতত এখন চিঠি। পলাশক আহি থাকোতে বিজেতাই কয়,—

“পলাশ পূজাই মোলৈ এখন চিঠি দি সুধিছে তোমাক মই কৰবাত লগ পাইছো-নেকি? গোটেই চিঠিখন তাই বলিয়াৰ দৰে লিখিছে জানা। তাই হেনো গোটেই জীৱন তোমাৰ কাৰণে অপেক্ষা কৰিয়েই কটাই দিব। তাই সঁচাকৈয়ে বলিয়া হৈ যাব পলাশ। তাই জীৱনটো এনেকৈ ধ্বংস কৰি দিয়াটোকে জানো তুমিও কামনা কৰা পলাশ? তুমি নিজে নকলেও মোক অন্ততঃ কথাখিনি কবলৈ দিয়া।” বিজেতাই আকৌ পলাশক বুজা-বলৈ চেষ্টা কৰে।

(৫)

২৬ ফেব্ৰুৱাৰী। সেইদিনা ৰবিবাৰ। সম্পূৰ্ণ এবছৰৰ পিছত। খিড়িকীখন খুলি দি অকলে অকলে পূজাই দূৰণিৰ পাহাৰ-টোলৈ চাই থাকে। এই পাহাৰটোৱেই অতীতৰ স্মৃতিবোৰ জগাই দি বেছিকৈ বেদনা দিয়ে পূজাক। কাৰণ এই পাহাৰটোতেই উঠি উঠি এসময়ত পূজাই পলাশৰ লগত কোনোদিনে পাহৰিব নোৱাৰা বহুতো আনন্দই কৰিছিল। যেতিয়া পলাশে এবাৰ তেওঁৰ বন্ধু এজনৰ ঘৰলৈ কিছুদিন থকাকৈ আহিছিল সেই সময়ছোৱাত প্ৰতি দিনেই পলাশে পূজাৰ লগত সেই পাহাৰত উঠি জীৱনৰ পোৱা নো-পোৱা বহুতো কথা পাতিছিল। এই পাহাৰ-টোৰ প্ৰতিডাল গছ-গছনিৰ লগতে, প্ৰতিটো বনৰীয়া জন্তুৰ লগতে, প্ৰতিটো সৰু-ডাঙৰ শিলৰ লগতে পলাশ-পূজাৰ জীৱনৰ স্মৃতি বিৰাজমান। কিন্তু পলাশ আজি নাই। পলাশে তাইক প্ৰবঞ্চনা কৰিছে। কিন্তু পূজাই ভাবে পলাশতো তেনেকুৱা নাছিল! কতযে অনুসন্ধান নকৰিলে তাই। কিন্তু আজিলৈকে পলাশৰ কোনো এটা খবৰ উলি-য়াব নোৱাৰিলে। সি অন্ততঃ যোৱাৰ সময়ত তাইক এবাৰ কথাও কৈ নগ'ল, সি কলৈ যাব। নহয়, নহয় সি তাইক কেতিয়াও এৰিব নোৱাৰে। নিশ্চয় এদিন সি ঘূৰি আহিব। এনেকৈ আঁতিগুৰি নোহোৱা কথাবোৰ ভাবি ভাবি তাই চকুপানী মচে। ভগৱানৰ ওপৰ-তো তাইৰ বিশ্বাস হেৰাই যায়। পলাশক যদি এনেকৈ নাটকীয় ভাবে কাঢ়ি নিব লগাই আছিল এই কম সময়খিনিৰ বাবেনো ভগ-ৱানে কিয় তাক তাইৰ কৰি দিছিল? নোপো-ৱাৰ বেদনাতকৈ পাই হেৰুওৱা বেদনাত তাই আজি জৰ্জ্জৰিত। এনেকৈ ভাবি থাকোতেই সিহঁতৰ কাম কৰা ল'ৰাটোৱে দৌৰি তাইৰ কমলৈ সোমাই আহি কয় যে সি পূজাৰ দেউতাকৰ এটা কামত বিজেতাৰ তালৈ গৈছিল আৰু তাত তেওঁ পলাশক নিজে দেখা পাই আহিছে। কথাটো শুনি একেবাৰে বাউলীৰ দৰে বাহিৰলৈ ওলাই আহে, আকৌ দৌৰি নিজৰ কমলৈ সোমাই যায়। তাইৰ গাত যেন তং নাই। তাই এতিয়া কি কৰিব ক'লৈ যাব, কোনো যেন ঠিক কৰিব পৰা নাই। কিন্তু হঠাতে তাই গম্ভীৰ হৈ যায়। তাই ভাবিবলৈ ধৰে— পলাশ যদি বিজেতাৰ ঘৰতেই আছে এনেকৈ সি তাইৰ পৰা লুকাই থকাৰ কি কাৰণ থাকিব পাৰে? আৰু তাকো এজনী ছোৱালীৰ ঘৰত থকাৰেই বা কাৰণ কি? আৰু বিজেতালৈতো তাই বহুবাৰ চিঠি দি সুধিছিল যে পলাশৰ কিবা খবৰ পাইছে নেকি? কিন্তু তথাপি তাই তাক নিজৰ ঘৰতে সুমুৱাই ৰাখি তাৰ খবৰ নোকোৱাৰ কাৰণ কি? আনকি অলপতে বিজেতা এবাৰ সিহঁতৰ ঘৰলৈ আহোঁতেও তাইক তাৰ কথা কৈ পূজাই বহুতো কান্দিছিল। কিন্তু তেতিয়াতো তাই পলা-শৰ কথা কব পাৰিলেহেঁতেন; কিন্তু তাৰ পৰিবৰ্তে বিজেতাই তাইক তাৰ কথা মনৰ পৰা একেবাৰে পাহৰি গৈ উৎপলৰ লগত বিয়া হবলৈহে বুজনি দিছিল। তেনেহ'লে তাই এই নাটকৰ সৃষ্টি কৰিলে কিয়? কি অভিসন্ধি বিজেতাৰ? তেনেহলে পলাশক নিশ্চয় বিজেতাই ভাল পায়। নহ'লে কেতি-য়াও বিজেতাই পলাশক এনেকৈ লুকুৱাই ৰাখি তাইৰ বং চাব নোৱাৰে এক ভীষণ প্ৰতিশোধৰ বেদনাত চোতালতে থকা গাড়ী-খন লৈ পূজাই তীব্ৰবেগে বিজেতাৰ কোৱা-টাৰলৈ বুলি বাওনা হয়।

(৬)

পলাশৰ পাঁচদিন ধৰি অসুখ। ইন-ফ্লুয়েঞ্জা। গতিকে পলাশ বিছনাতে শুই আছে। বিজেতাই পলাশৰ বিছনাতে বহি মূৰত হাতখন দি কিমান জ্বৰ চায়। ঠিক তেনে মুহূৰ্ত্তে পূজাই দুৱাৰ মেলি কোঠাত প্ৰবেশ কৰে। পূজাৰ অপ্ৰত্যাশিত উপস্থিতিত দুয়ো ভীষণ ভাবে আচৰিত হৈ যায়। আৰু ভয়ত দুয়ো কঁপিবলৈ ধৰে। এনে এটা সম-স্যাৰ বাবে সিহঁত অলপো সাজু থকা নাছিল। পূজাই বিজেতাক বিছনাৰ পৰা টানি আনি এটা চৰ মাৰি কয়—

“দানৱী, কপালত যে হাত দি আছা বুকুৰ ওচৰত শুই নাথাকা কিয়? এই গুপ্ত প্ৰেমৰ কাৰণেই হবলা ইমানদিনে পলাশৰ কথা লুকুৱাই ৰাখিছিলা?” পূজাৰ কথা বিজেতা আৰু পলাশৰ সহ্য নহয়। পলাশ উঠি আহি বিজেতাক মাৰিবলৈ পূজাক বাধা দি কয় —

“নহয় পূজা, তুমি এইবিলাক কি কৈছা?” পূজাই এইবাৰ বিজেতাক এৰি পলাশক ধৰি চৰ মাৰি কৈ যাবলৈ ধৰে -,

“লম্পট, ভীৰু, কাপুৰুষ, প্ৰৱঞ্চক! এইয়াই পুৰুষৰ প্ৰেম নহয়? এই কাৰণেই তুমি কাপুৰুষৰ দৰে এজনী অবিবাহিতা তিৰো-তাৰ ঘৰত চোৰৰ দৰে লুকাই আছাহি।” পূজাই দুয়োটাকে যিমান পাৰে চৰ-ভুকু মাৰি-বলৈ ধৰে। বিজেতাই পূজাক হাত জোৰ কৰি কয়—,

“পূজা তুমি অকণমান ধৈৰ্য্য ধৰি

কথাখিনি শুনা।” কিন্তু পূজাৰ তালৈ কোনো কাণসাৰ নাই। ব্যৰ্থ-প্ৰেমৰ পৰিণাম স্বৰূপে তাই আজি যেন সিহঁত দুটাক মাৰি মাৰি শেষ কৰি দিব। পলাশেও কোনো উপায় বিচাৰি পোৱা নাই। কি কৈ পূজাক সান্ত্বনা দিব, কেনেকৈ ক'লে পূজাই কথাবোৰ বিশ্বাস কৰিব! তথাপি কয়—

"পূজা, তুমি অকণমান ধৈৰ্য্য ধৰি মোৰ কথা শুনা। তুমি আমাক যি ধৰণে ভাবিছা সেই সম্পৰ্ক আমাৰ মাজত তিলমানো নাই পূজা।" পলাশৰ কথাত পূজাৰ আৰু বেছি খং উঠি যায়। তাই ভাবে এতিয়াও সিহঁতে কথাবোৰ লুকুৱাব বিচাৰিছে। খঙত কৈ যায়—

"লম্পট, প্ৰৱঞ্চক, মই আজি তোমাৰ কোনো কথাই শুনিবলৈ নিবিচাৰো। এই দানৱীক বিয়া কৰালে চাকৰিৰ টকা পাবা, কিন্তু মোক বিয়া কৰালে কি পাবা? সেই ভাবিয়েই আজি সেই অতীতক পাহৰি এই নাটকৰ সৃষ্টি কৰিলা নহয়?" এনেকৈ পলাশক যিমান পাৰে চৰিয়াবলৈ ধৰে। আৰু দৌৰি ঘৰৰ পৰা ওলাই যায়। বিজেতাইও পূজাৰ পিছে পিছে দৌৰি গৈ পূজাক ধৰিবলৈ চেষ্টা কৰে। কিছু দূৰ গৈ পূজাক হাতত ধৰি কয়—,

"পূজা, তুমি কʼলৈ যোৱা। কিন্তু যোৱাৰ আগতে মোৰ দুটামান কথা শুনি যোৱা।" অস্থিৰে পূজাই কয়,

"তোমাৰ নিচিনা জীৱন ধ্বংসকাৰিণী এজনীৰ মোক কব লগা কিটো আছে?"

"আছে পূজা। মই তোমাক কম আচল ঘটনাটো কি! শুনিলে হয়তো তোমাৰ হৃৎপিণ্ডৰ স্পন্দন বন্ধ হৈ যাব। কিন্তু আজি ইমান দিনে তাক কিয় লুকুৱাই ৰাখিলোঁ তাকো কম।" বিজেতাই কৈ গʼল ঘটনাৰ সম্পূৰ্ণ বিৱৰণ। এবছৰ আগৰ কথা। কেনেকৈ উৎপলে গুণ্ডা লগাই পলাশক মাৰিবলৈ চেষ্টা কৰিছিল, কেনেকৈ পলাশে ভৰি এখন হেৰুৱালে; কেনেকৈ পলাশ পুনৰ সুস্থ অৱস্থালৈ আহিল ইত্যাদি, ইত্যাদি সকলো কথা কৈ গʼল বিজেতাই। আৰু আজি যে পলাশৰ কপালত হাত দিছিল জ্বৰ কিমান চাবলৈহে। পাছদিন ধৰি যে পলাশৰ জ্বৰ, তাকো কʼলে পূজাক! পূজাই অতীতৰ বহুতো কথাৰ লগত বিজেতাই কোৱা কথাবোৰ ৰিজাই চালে মনতে। সকলো সঁচা কথা। তেনেহʼলে ইমান দিনে পলাশক হৃদয়ৰ দেৱতা মানি থাকি, ইমান দিনে পলাশৰ বাবে অপেক্ষা কৰি আজি অকমানমান সময়তে তাই কি ভুল কৰিলে। তাই "পলাশদা—" বুলি চিঞৰি পুনৰ পলাশৰ ওচৰলৈ দৌৰ মাৰে। তাইৰ আজি মহা আনন্দৰ দিন আছিল, কিন্তু নিজৰ ভুলৰ বাবে সকলো ওলট-পালট হৈ গʼল। তথাপি তাই পলাশক ক্ষমা বিচাৰিব। দোষ কৰিলেও পলাশে তাইক নিশ্চয় ক্ষমা কৰিব। তাই জানে পলাশ বৰ ভাল লʼৰা। এনেকৈ ভাবি দৌৰি গৈ কমত দেখে পলাশ নাই। বিছনাতে এখন সৰু কাগজ



কেইশাৰীমান কথা—,

"বিজেতা মই চিৰ জীৱনৰ কাৰণেই আহিলোঁ। কাৰণ মই জানো পূজাক মই বুজাব নোৱাৰো। এনে এটা কলংকিত জীৱন লৈ জীয়াই থকাটো মোৰ পক্ষে সম্ভৱ বুলি নাভাবিলোঁ। ইমান দিনে কৰা আমনিখিনিৰ কথা যেন এটা দুখৰ নিশাৰ সপোনৰ দৰে পাহৰি যোৱা। আহোঁ দেই।" চিঠিখন পঢ়ি পূজাই চিঞৰি দিলে—

"নহয় পলাশদা। মই তোমাক কেতিয়াও যাবলৈ নিদিওঁ। তুমি সঁচাকৈয়ে মহান পলাশদা! মোৰ ভুল ভাঙিল, তুমি উভতি আহা।" এইদৰে চিঞৰি দৌৰি ওলাই যায় পূজা আৰু লগতে বিজেতা। কিছু দূৰ গৈ দেখে ওচৰৰ ট্ৰেইন লাইনটোত পলাশ তিনি টুকুৰা হৈ পৰি আছে। ওচৰতে Artificial ভৰিখন। পূজাই হুকহুকাই কান্দি দিয়ে।

"তুমি এইয়া কি কৰিলা পলাশ?" বিজেতাই কান্দে। ইমান দিনৰ এজন বন্ধুক হঠাতে হেৰুৱাই পেলালে তাই। তাইও আজিৰ পৰা অকলশৰীয়া হৈ গʼল। "জানা বিজেতা, এদিন পলাশদাই মোক ট্ৰেইন এখন দেখুৱাই কৈছিল—"তুমি মোক বেছি খং কৰিলে এনেকুৱা এখন ট্ৰেইনতে উঠি বহু দূৰলৈ গুচি যামগৈ। তুমি মোক মাতি থাকিলেও আৰু মই উভতি নাহিম।" সেই কথা এদিন মোক পলাশদাই ধেমালিতে কৈছিল। কিন্তু আজি বাস্তৱত পৰিণত হʼল। পূজাই বিজেতাৰ গাত ধৰি কান্দি কান্দি কথাখিনি কয়।

° ° °

---

"কলমেৰে লিখা অসত্যবোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহʼলে যিমানেই পলম হʼব সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব।"

লুচুন

# ভাগ্যৰ পৰিহাস

মুনীন্দ্ৰ শইকীয়া
কাৰ্য্যালয় সহায়ক

গুৱাহাটীলৈ আজি যাবই লাগিব, নহ'লে মোৰ কলেজৰ ফাইলটোৰ কাম যে আগবাঢ়িব তাক আশা কৰিব নোৱাৰি। সাৰ পাই টেবুলৰ ওপৰত থোৱা ঘড়ীটো চাই দেখো যে গাড়ীখন ধৰিবলৈ আৰু আধাঘণ্টাহে বাকী আছে। নাই আজি গা ধুব নোৱাৰি। তৎক্ষণাত বিছনাৰ পৰা নামি লৰালৰিকৈ মুখখন ধুই অকণমান জেলিৰে সৈতে মা'য়ে কৰি দিয়া গৰম ৰুটি কেইখন আৰু চাহ কাপ খাই গুৱাহাটীলৈ যোৱা বাছখনৰ বাবে পদূলিতে অপেক্ষা কৰিলোঁ। বাছখন আহি পোৱাত ভালকৈ উঠি বহি ললোঁ। দূৰ বাট যদিও বাছত যাওঁতে আমনি পোৱা নাছিলোঁ। কাৰণ মোৰ কল্পনাপ্ৰৱণ ৰঙীণ মনটো। ৰাস্তাৰ দুয়ো কাষে পাই যোৱা প্ৰাকৃতিক আৰু অপ্ৰাকৃতিক শোভাবোৰ উপভোগ কৰি মই এক সপোন ৰাজ্যত ভাঁহি গৈ আছিলোঁ। যথা সময়ত বাছখন গুৱাহাটী পালেগৈ। ব্যস্ত মহানগৰী। বিভিন্ন যান-বাহনবোৰ আহিছে আৰু গৈছে। গাড়ীৰ পৰা নামিয়েই অলপ আগবঢ়াৰ পাছত দেখিছিলোঁ। ৰাস্তাৰ দুয়োকাষে ডাঙৰ ডাঙৰ আখৰেৰে লিখা বিজ্ঞাপনৰ চাইনবৰ্ডবোৰে। ওখ ওখ পাহাৰৰ টিলাবোৰত থকা সৰু ডাঙৰ ঘৰবোৰত লগোৱা টিঙৰ চিকমিকনিয়ে মোৰ মনটো থিতাতে উৎফুল্লিত কৰিছিল। চকুৰ প্ৰচাৰতে পাৰহৈ আহিলো কত অট্টালিকা। ভাব হৈছিল এনে একোটা ৰাজপ্ৰাসাদ সাজিবলৈ কিমান লাখ টকা যে লাগিব! এইবোৰকে বাটেদি চাই চাই আং বাং কথা ভাবি গৈ থাকোঁতে হঠাৎ দুই এজনক খুন্দাও মাৰিছিলোঁ। মোক বোধহয় ভাবিছিল দূৰৈৰ পৰা অহা কোনো গাৱঁৰ লোক বুলি। এজন ৰিক্সাৱালাই মোক কৈয়েই পেলালে, 'ৰিক্সাখন অহা আপুনি দেখা নাই নেকি?' খন্তেক বৈ বাটেদি গৈ থকা অচিন ব্যক্তি এজনক নিজে মাত লগালোঁ। অফিচটোলৈ কোন বাটে যায় সুধি ললোঁ। ব্যক্তিজনে দেখুৱাই দিয়া পথেৰেই কাৰ্য্যালয়লৈ আগবাঢ়িলোঁ। ভাবিলো, অফিচটোত বা কিমান দেৰি হয়! সেয়েহে ওচৰৰ হোটেল এখনতে চাহ একাপ খাই লওঁ বুলি সোমালোঁ। চাহ খাই থাকোঁতে মোৰ চকুত পৰিছিল, বিবাহিতা মহিলা এগৰাকীয়ে মোক চকুৰ চাৱনিৰে যেন কিবা এটা কবলৈ বিচাৰিছে। কথাৰ প্ৰসঙ্গতে সুধি পেলালো; 'আপোনাৰ ঘৰ কত?' মহিলা গৰাকীয়ে প্ৰথমতে চিনাকি দিবলৈ ইতস্ততঃ কৰিছিল। তথাপি মোৰ সহজ সৰল মনোভাৱ দেখি তেওঁ নিজৰ পৰিচয় দাঙি ধৰিলে। তেতিয়াহে জানিলোঁ যে তেওঁ আমাৰ গাৱঁৰ মোৰ ঘৰৰ ওচৰৰে মহিলা, সম্পৰ্কত মোৰ বাইদেৱেই হয়। উজান বজাৰৰ ৰেলৰে কলনীৰ দুই নম্বৰ কোৱাৰ্টাৰটোতে থাকে। মোৰ পৰিচয় দিয়াত আচৰিত হৈ কলে, 'তুমি আমাৰ উৰ্মিলাৰ ভায়েক? ইমান ডাঙৰ হ'লা? এতিয়া কি কৰি আছা? গুৱাহাটীলৈ কিবা কামত আহিলা নিশ্চয়!' 'নকৰ বাইদেউ, দুবছৰে পাবলগীয়া এৰিয়াৰ টকাকেইটাৰ বিলখনৰ কাৰণে আহিলোঁ।" হোটেলৰ পৰা ওলাই ঘৰলৈ অগ্ৰসৰ হোৱাৰ আগতে মোক কৈ গ'ল, 'সময় পালে এপাক আমাৰ তালৈ যাবা চোন।' দিনটোত ফাইলটোৰ কাম আগ নবঢ়াত চিন্তা কৰিলোঁ, হোটেলত থাকি ভাতসাজ খোৱাতকৈ চিনাকি বাইদেউজনৰ ঘৰতে ৰাতিটো থাকি এসাজ ভাত খাওঁ, লগতে ঘৰখনৰ মানুহৰ লগতো চিনাকি হ'ম। ইফালে অফিচ কাচাৰীৰ ছুটীৰ সময়। বাছত প্ৰচণ্ড ভিৰ। বাছত গলে জানোচা উজান বজাৰ ৰেলৰে কলনি পাৰ হৈ যায় এই ভাবিয়েই কাহিলীপাৰাৰ পৰা অ'টৰিক্সাত উঠি উজান বজাৰ পালোঁগৈ। চাই গ'লোঁ দুই নম্বৰ কোৱাৰ্টাৰটো। নম্বৰটো অনুজ্জ্বল হৈ থকাত ধৰিব নোৱাৰি ওচৰতে খেলি থকা সৰু লৰা এটাক পাই মাত লগাই সুধিলোঁ। লৰাটোৱে হাতৰ আঙুলিৰেই দেখুৱাই দিলে ঘৰটো। আগবাঢ়ি গৈ গেটখন খুলি বাহিৰত থকা কলিং বে'লটোৰ বুটামটোত হেঁচা দিলোঁ। লগে লগে ভিতৰৰ পৰা আঠ-ন বছৰীয়ামান ছোৱালী এজনী ওলাই আহিল আৰু সুধিলে,—"কাক বিচাৰিছে?" পিঙ্কন-উৰণত ঘৰত বন কৰা ছোৱালীৰ নিচিনাই লাগিল। তাইৰ প্ৰশ্নৰ উত্তৰত মই কলো, 'পদ্মমী বাইদেউ ঘৰত আছেনে?' 'আছে, অলপ ৰহক! মই মাতি দিছো।' কিছু সময়ৰ পাছত বাইদেউ ওলাই আহিল আৰু কলে, 'অ' তুমি! বহা দেই, তাতে আলোচনী আৰু বাতৰি কাকত আছে চোৱা। মই ভাজিখন নমাই থৈ আহোঁ।' মোৰ আকৌ শুক্ৰবাৰৰ 'সাদিন' পেপাৰ খনৰ প্ৰতি বৰ হেপাঁহ। পেপাৰখনৰ সম্পাদকীয় আৰু হিয়াৰ পখিলা পঢ়ি মই বৰ আমোদ পাওঁ। অলপ সময় বহি পেপাৰখন চাই থাকোঁতেই বাইদেৱে কৰা আলু-কবি-মটৰৰ ভাজি আৰু লগতে ফুলা লুচি দুখনেৰে স'তে চাহকাপ দিয়াত খাই ললোঁ। ওচৰতে বহা বাইদেৱে গাৱঁৰ নিজৰ ঘৰখনৰ আৰু লগতে এৰি থৈ অহা বান্ধবীবোৰৰ কথা সুধিলে; সিহঁতবোৰ বিয়া হৈ গ'ল নেকি? মই প্ৰশ্নবোৰৰ উত্তৰ দি গ'লোঁ। ৰুমত পঢ়ি থকা ননদ

কিজনীক মাতি আনি মোক পৰিচয় কৰাই দিলে। মই প্ৰথমতে লাজ লাজ অনুভৱ কৰিছিলোঁ। কলেজত এখন বহুল সমাজত চাকৰি কৰোঁ যদিও এই লাজুক স্বভাৱটো মই এতিয়াও ইয়াক মনৰ পৰা গুচাব পৰা নাই। মোৰ মনটো ভাগকৰা হোৱাত ওচৰৰ পালেংখনতে দিনটোৰ ভাগৰ মাৰিলোঁ। বাইদেউৰ ননদ কিজনীয়ে মই থকাত অৱশ্যে কিছু অস্বস্তি বোধ কৰা যেন অনুমান কৰিলোঁ। কিছু সময়ৰ পাছত ভিনদেউ অফিচৰ পৰা আহি ঘৰত সোমাই বজাৰৰ মোনাটো থৈ বাইদেউক মোৰ বিষয়ে সুধিলে। বাইদেৱে মোৰ পৰিচয়টো দিয়াত মোৰ লগত ভিনদেৱে বেচ ভালদৰে কথ-বতৰা পাতিলে। কথাৰ মাজতে ভিনদেউক ভিতৰলৈ মাতি নি 'হেৰি, মাছ-মঙহ কিবা এটা আনিব লাগিছিল। আজিতো আপুনি বজাৰৰ পৰা একোৱেই নানিলে। কোনো দিনে নহা আলহিজনক দাইল-ভাত খুৱাবনে ?' কথাবোৰ মই শুনি পাইছিলোঁ। ভিনদেউৰ স্বাস্থ্য-পাতি বেচ চকুত লগা। চকুত চশ্মা যোৰ লগাই ললে বৰ মনোগ্ৰাহী হৈ পৰে। ভিনদেউ আছিল অতি চালাক চতুৰ আৰু তীক্ষ্ণ বুদ্ধিৰ মানুহ। কথা ক'ত কেনেকৈ কব লাগে জানে। চন চাই চাপৰি ভালদৰে বজাব জানে। কম সময়তে ঘৰখন মোৰ আপোন আপোন লাগিছিল। বাইদেউৰ আটাইকেইটা কমতে সোমাই দেখিছিলোঁ বঙীন টি, ভি, ভি, চি, পি, ষ্টীলৰ আলমিৰা, বাহিৰৰ গেৰেজত মাৰুতিকাৰ আৰু অসংখ্য বিলাসী সামগ্ৰী। গম পাইছিলোঁ ভিনদেউৰ নিজৰ সমষ্টিৰ বিধায়কৰ লগতো ভাল ঘনিষ্ঠতা আছে। মোৰ ভাব হৈছিল, 'ময়ো কলেজৰ এজন তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী। মাহে আঢ়ৈ হাজাৰ টকীয়া দৰমহাৰ চাকৰি কৰিও তিনিজনীয়া পৰিয়ালটি ঠিক মতে পুহিব পৰা নাই। মাহটোৰ বাজেট মিলাওতে মোৰ কেতিয়াবা নিজকে পাগলৰ দৰে লাগে। সেই কটা জোতা-জোৰকেই জোৰা টাপলি মাৰি পিন্ধি থাকোঁ। তথাপি আজি কিনিম কালি কিনিমকৈ মই মিলাব পৰা নাই। ভিনদেৱে গড়কাপ্তানি বিভাগত এটা সামান্য কেৰাণীৰ চাকৰি কৰি ভাড়া ঘৰত থাকি সংসাৰ চলাই ইমান অজস্ৰ সম্পত্তি কেনেকৈ কৰিছে ?' ভিনদেউৰ লগত কথা-বতৰা পাতি মোৰ ভাল লাগিছিল। ভিনদেউৰ মুখত এটা মসৃন ক্ষীণ হাঁহি অনবৰত বিৰিঙি আছিল। মোৰ সহজ সৰল মন আৰু উদাৰ স্বভাৱটো ভিনদেৱে ভালদৰেই লক্ষ্য কৰিছিল। গাৱঁৰ কোনো অভাৱগ্ৰস্ত লোক কেতিয়াবা মোৰ ওচৰলৈ আহিলে কিবা এটা দি হলেও মই সহায় কৰিছিলোঁ। অৱশ্যে তেনে ধৰণৰ লোকক উপকাৰ কৰিবলৈ মোৰ যে ঘৰুৱা অৱস্থা খুব স্বচ্ছল আছিল তেনে নহয়। সেয়েহে এই স্বভাৱৰ কাৰণে মই মা আৰু বাইদেউৰ পৰা কেতিয়াবা গালি খাবলগীয়া পৰিস্থিতি হৈছিল।

এদিনৰ কথা। সেইবাৰ কিবা বন্ধত ভিনদেউ শহুৰেকৰ ঘৰলৈ আহিছিল।



সন্ধিয়া গাৱঁৰ ফালে ফুৰিবলৈ ওলাই আহি আমাৰ ঘৰলৈ সোমাই আহিছিল। মই আৰু ভিনদেৱে বহু পৰ কথা-বতৰা পাতি আছিলোঁ। মোৰ কি মন গ'ল কব নোৱাৰো, কথাৰ মাজতে 'ভিনদেউ আপুনিনো সদায় ৰেলৱে কোৱাৰ্টাৰতে থাকিবনে ? মাটি এডৰা লব পৰা হলে ভাল হ'লহেঁতেন।' ভিনদেৱে হাঁহি মুখেৰে "কি ক'লা, গুৱাহাটীত মাটিৰ মূল্য যিহে চৰা দাম, তাতে আকৌ দালাল-সোমাই দাম বঢ়োৱাত আমাৰ নিচিনা কেৰাণী চাকৰিৰে মাটি কিনাটো জানো সম্ভৱ ? বুজিছা আজি-কালি টকাই পকা। টকা হ'লেই তুমি সকলো কৰিব পাৰিবা। অৱশ্যে এটা কথা নহয়, মাটি এডোখৰ পাইছোঁও। পিছে টকাৰ অলপ অসুবিধা হোৱাত খাটাং কৰিব পৰা নাই।" মই মাটি কিনা কথা কোৱাৰ সুযোগতে সেইদিনা ভিনদেৱে মোৰ পৰা দহ হাজাৰ টকা ধাৰলৈ বিচাৰিছিল। আৰু ক'লে, মাৰ্চৰ বিলৰ টকাবোৰ পালেই তুমি পাই যাবা। ভালেই হ'ল, মই যি ভয় কৰিছিলোঁ সেয়ে হ'ল। থুটি পুতি নিজেই উজুটি খোৱা যেন পালোঁ। টকাৰ লেন-দেনৰ অভিজ্ঞতাই মোক ভালদৰেই শিকাই থৈছে। মা বান্ধনি ঘৰত বন্ধা-বঢ়া কৰিবৰ বাবে যা-যোগাৰত ব্যস্ত। বাইদেৱে ভিতৰৰ কমত চিলাই মেচিনত নিজৰ মেখেলাখন চিলাই থকাত ব্যস্ত আছিল। মই ভিনদেউক টকাখিনি দিব পাৰিম বুলি আশ্বাস দিলোঁ। মোৰ হাতত অলপ জমা টকা আছিল। সেইখিনিৰ পৰাই ভিনদেউক অলপ দিম বুলি মনতে ভাবিলোঁ। পিছদিনা বেংকৰ পৰা দহ হাজাৰ টকা উলিয়াই ভিনদেউৰ হাতত দিলো। মা আৰু বাইদেৱে গম নোপোৱাকৈ টকা কেইটা তেওঁক দিছিলো। ভিনদেউৰ ওপৰত মোৰ শ্ৰদ্ধা আৰু বিশ্বাস থকাৰ বাবেই মই চিন্তা কৰা নাছিলো। ভাবিছিলোঁ ভিনদেৱে সোনকালেই টকা কেইটা ওভোটাই দিব। অৱশ্যে মই বহুত কথা চিন্তা কৰিহে ভিনদেউক টকা কেইটা দিছিলোঁ। মই প্ৰায়েই অফিচৰ কামত গুৱাহাটীলৈ যাব লগা হয়। গতিকে মাজে সময়ে গ'লে ভিনদেউৰ তাতে ৰাতি থাকিব পাৰিম। তদুপৰি ভিনদেউৰ তেওঁলোকৰ সমষ্টিৰ বিধায়কজনৰ লগত বৰ ভাল। গতিকে কেতিয়াবা বাইদেউৰ চাকৰিৰ বাবে হলেও তেওঁৰ কায চাপিব পাৰিম। গুৱাহাটী হেন চহৰত ভিনদেউৰ মাটি কিনা হৈ গ'ল। মাটি কিনাৰ সময়ত বাইদেৱে অন্ততঃ এবাৰো ভিনদেউক কৰ পৰা কেনেকৈ টকা যোগাৰ হৈছে সেই বিষয়ে একোকে সোধা নাছিল। বৰং বাইদেউৰ কথাৰ বাহাদুৰি আগতকৈ বাঢ়িহে গ'ল। ওচৰৰ দুই এজনীক কয় "আমাৰ তেওঁ গাড়ী আৰু ফ্ৰিজটো কোন কাহানিবাই ললে। মাটিহে হোৱা নাছিল। আজি মাটি এডোখৰ ললে যেনিবা।" আৰু কিমান যে কথা ?

এদিন হঠাতে বাইদেউৰ মাকৰ ঘৰলৈ গলোঁ। গাঁত খন্দা চিপ্ৰাংখন বিচাৰি। বাইদেউৰ সৰু ভনীয়েক মইনাই চিপ্ৰাংখন আনি

দিয়াত লগতে দুঃখমনেৰে ক'লে. "মোহনদা, আমাৰ ভিনদেউৰ কথা শুনিছেনে নাই?" "নাই শুনা. কি হ'ল? কচোন।" "মানে, যোৱা বৃহস্পতিবাৰে অফিচৰ পৰা ঘৰলৈ যাওঁতে বাটতে ৭/৮ জন লৰাই চুৰি মাৰিব ধৰিছিল। এজন কলেজৰ শিক্ষকৰ হস্তক্ষেপতহে কোনোমতে বাচি আহিল" মই ভাবিছিলোঁ, ভিনদেৱে হয়তো ঠিকাদাৰৰ পৰা বিলৰ বাবে টকা বিচাৰিছিল, বিলখন এৰি নিদিয়াৰ বাবেই এনে কৰিছে নেকি? কিন্তু ঘপহ কৰি মইনাই কৈ দিলে, "কি জানে? ভিনদেৱে চাকৰিৰ লোভ দেখুৱাই ৭/৮ জন ল'ৰাৰ পৰা বহুত টকা লৈছিল। কোনোৱে ঘৰৰ খেতি কৰা গৰু, কোনোৱে মাটি বেচি টকা আনি দিছিল। আৰু যে ক'ত কিমান মানুহৰ পৰা চাকৰিৰ প্ৰলোভন দি টকা লৈছিল তাৰ কোনো লেখ পাবলৈ নাই। কিন্তু চাকৰিৰ নামত ভিনদেউৰ কেৱল প্ৰলোভন, ঠগ-প্ৰৱঞ্চনাৰ বাহিৰে আন একো নাছিল।" নিজেও চিঠিৰ উপৰি চিঠি দি ভাগৰি পৰিছিলোঁ। চিঠিৰ কোনো সহাৰি ভিনদেউৰ পৰা নাহিল। সেই দিন ধৰি ভিনদেউৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা, মৰম আৰু আন্তৰিকতা বিসৰ্জন দিলোঁ। মোৰ টকা তেখেতৰ পৰা ঘূৰাই পোৱাৰ আশাও লোপ পালে।

এদিন দেওবাৰে দুপৰীয়া ভাতকেইটা খাই বাহিৰতে আৰামী চকীখনত বহি ৰ'দ লৈছোঁ। বাতৰি কাকতখন উলিয়াই লৈছোঁ। এনেতে প্ৰশ্ন কৰিছিল মা'য়ে। "তই যে এবিয়াৰ টকা কেইটা পালি, ঘৰটোৰ টিং কেইচলাকে লগা আৰু বিয়া বাৰু হ'ব লাগিলেও যথেষ্ট টকাৰ প্ৰয়োজন হ'ব।" মা'ৰ কথা কেইটা শুনি কোনো উত্তৰ নিদি মনে মনে থাকিলোঁ। ভাবিলোঁ কথাবোৰ যদি মা'ক বিৱৰি কওঁ—তেতিয়া হ'লে মাৰ মনটো বিষণ্ণ হৈ পৰিব। অৱশ্যে মা'য়ে লক্ষ্য কৰিছিল যে মই আজি-কালি খুব চিন্তা কৰি থাকোঁ। কোনো উপায় নোহোৱাত এইবাৰ টকাৰ কাৰণে নিজে ভিনদেউৰ ঘৰ ওলালোঁগৈ। মনটো মোৰ ক্ষোভ আৰু হতাশাৰে ভৰি আছিল। দেখা পাইছিলোঁ অফিচ শেষ কৰি ঘৰলৈ আহোঁতে ভিনদেৱে যিটো বজাৰৰ টোপোলা আনিছে সেয়াই কয় ভিনদেউৰ উপকৰা আৰ্জন কিমান। লোকক দিবলৈ থকা টকাবোৰৰ প্ৰতি যেন তেওঁৰ কোনো দায়িত্ব আৰু কৰ্তব্য নাই! ইফালে ধনৰ গৰমতেই হয়তো হকে-বিহকে ডাঙ্কোপ মৰা ভিনদেউৰ স্বভাৱ। ইয়াৰ উপৰি চাৰিআলি বিলাকত ভিনদেউক চিনি নোপোৱা মানুহ খুব কমেইহে।

এদিন ভিনদেৱে অফিচৰ পৰা ঘৰলৈ আহোঁতে মূৰটো বাটতে আচন্দ্ৰাই কৰিলে। লগে লগে মাটিত ঢলি পৰিল। বাটেদি যোৱা মানুহবোৰে চিনি পাই ইজনে সিজনক ভিনদেউৰ দুৰ্নামবোৰ কবলৈ ধৰিলে। খবৰ পাই দৌৰি যোৱা বাইদেউৰ কাণত কথাবোৰ থহৰ থহৰকৈ পৰিছিল। লগে লগে ভিনদেউক হাস্পিতাললৈ লৈ যোৱা হ'ল। তাৰ পাছত আৰম্ভ হ'ল ডাক্তৰ নাৰ্ছৰ পৰ্ব। সুদূৰ কলিকতাৰ পৰাও ডাক্তৰ আনি চিকিৎসা কৰা হ'ল। কিন্তু ভিনদেউৰ জ্ঞান ঘূৰি নাহিল। ভিনদেৱে লেলাই খেন্দাই এদিন শেষ নিশ্বাস ত্যাগ কৰিলে। অজস্ৰ ধন খৰচ কৰিও কোনো সুফল নাপালে। বাইদেউৰ মনলৈ আহিছিল বাটত ইজনে সিজনক কোৱা ভিনদেউৰ দুৰ্নামবোৰলৈ। বাইদেৱে সেই দিনাহে গম পাইছিল ভিনদেৱে টকাবোৰ ক'ৰ পৰা কেনেকৈ পাইছিল। বুজি পাইছিল এই পৃথিৱীত ধন সম্পত্তিবোৰ যে ক্ষন্তেকীয়া। স্বামী হেৰুৱাৰ লগে লগে বাইদেৱে অসহায় অৱস্থাৰ মাজত দুখৰ আৰু নিৰাশাৰ জীৱন যাপন কৰিব লগীয়া হ'ল। দিনবোৰ ক্ৰমান্বয়ে বাগৰি যোৱাত বাইদেউৰ জীৱন ধাৰণৰ মানদণ্ড তললৈ নামি আহিবলৈ ধৰিলে। দুটা লৰা-ছোৱালীৰ সৈতে সংসাৰ চলাবলৈও বাইদেউৰ মূৰ ঘূমাব লগীয়া হ'ল। এপদ দুপদকৈ ঘৰৰ সম্পত্তিবোৰ বেচি সংসাৰ খন চলাই যোৱাত শেষত এদিন মাকতিখনো অন্তৰ্দ্ধান হ'ল। সৰনাই বাইদেউ বেঙ্কলৈ যাবলৈ ধৰিলে। খাওঁতে খাওঁতে বেঙ্কৰ জমা টকা কেইটাও শেষ হ'ল। নিচলা বাইদেউৰ আগৰ বাহাদুৰি মৰা কথাবোৰ লোপ পালে। মুখত আগৰ সেই আনন্দৰ হাঁহি আৰু নাই। লোকক দিবলৈ থকা ধাৰবোৰে বাইদেউৰ মনটো চিন্তাই খুলি খুলি খাইছিল। কোনো উপায় নোহোৱা হ'ল। অভাৱ-অভিযোগেৰে ভৰা এতিয়া বাইদেউৰ সংসাৰখন। পেটৰ জ্বালা উপশম কৰিবৰ কাৰণে এমুঠি পেট ভৰাই খাবলৈ পোৱাটোৱেই যেন বাইদেউৰ ডাঙৰ কথা।

বাইদেউহঁতৰ অৱস্থাৰ উত্থান-পতন মোৰ চকুত পৰিছিল সেইদিনা—যিদিনা মই গুৱাহাটীত অফিচৰ কাম শেষ কৰি বাইদেউহঁতৰ ঘৰলৈ গৈছিলোঁ। কানিমুনি সময়। ঠাণ্ডাও পৰিছে বৰ বেছি। মই ঠিক বাইদেউহঁতৰ দৰজাৰ মুখত ভৰি দিছোঁ। তেনেতে ভিতৰৰ পৰা ভাঁহি অহা কেইটামান বাক্য মোৰ কাণত পৰিছিল। "পিকু, এই টকা দুটাকে লৈ যা, ৰাতিটোৰ বাবে কি পাৱ অলপ লৈ আহ"—সেইয়া নিশ্চয় বাইদেৱে তেওঁৰ ল'ৰাটোক কোৱা কথা। মোৰ বাইদেউহঁতৰ অৱস্থাৰ কথা বুজিবলৈ বাকী নাথাকিল। বহু সময় মই দৰজাৰ মুখতেই নিস্তব্ধ হৈ ৰ'লো। তেতিয়ালৈকে মোৰ উপস্থিতি কোনেও গম পোৱা নাই। লাহে লাহে মই ৰাস্তাৰ ফালে ওলাই আহি ফুটপাথেৰে খোজ দিলোঁ।

০ ০ ০

# কবিতা ঃ

কবিতা
বুজি পোৱা হ'ব লাগে ;
সংবেদন জগাব পৰা হ'ব লাগে।

উদ্দেশ্য
জীৱনক প্ৰকাশ কৰা।
দৃষ্টিভঙ্গী নিশ্চয় ইতিবাচক।

ৰং-বৰণ
প্ৰত্যেকৰে বেলেগ হ'ব পাৰে।
এখন ফুলনিত জানো
একে বিধৰ ফুল থাকিলে
ভাল দেখাব ?

—হীৰেন ভট্টাচাৰ্য্য ।।

# দুটি কৱিতা ঃ

## এটি প্ৰশ্ন ঃ

### ভ্ৰাতৃঘাতীলৈ

হেৰা ভ্ৰাতৃবৈৰী
মানৱ !
তোমাৰ কিহৰ অহঙ্কাৰ
কি নিগাত তুমি
হ'লা মতলীয়া
কিহৰ বাবে পাতিছা তুমি
ভ্ৰাতৃবধৰ যজ্ঞ
তোমাবোতো আছে কলিজা এখনি,
এখনি কোমল প্ৰাণ ।
তেনে কিয় তুমি
ভয়ঙ্কৰক
কৰিছা আহ্বান
মৃতদেহত পাৰিবা জানো
কৰিব জীৱন দান
তেন্তে
কি সাহসত লৈছা তুমি
সহোদৰৰ প্ৰাণ ?

অশ্ৰুমণি বৰা
স্নাতক ২য় বৰ্ষ (দিবা)

## মোৱ কৱিতা

কৱি নহওঁ যে মই
বিদ্ৰোহৰ অগনি জ্বলোৱা
কৱি নহওঁ যে মই
কাৰোবাৰ গুণ-গান গোৱা ।
মই মাথো কবি এক
সৌন্দৰ্য্যৰ একান্ত পূজাৰী,
য'তে যাওঁ সকলোতে
ফুৰোঁ মই সৌন্দৰ্য্য বিচাৰি।
সৃষ্টি পাতনিৰে পৰা
সুন্দৰ যত আছে পৃথিৱীত,
সকলোকে তুলি আনি
দিওঁ মোৰ কৱিতাত থিত।
হয়তো নহ'ব পাৰে
কৱিতাই সকলোৰে বাবে,
হৃদয়ৰ ভাৱৰাশি
গাঁথি ৰাখোঁ লিখনিৰ মাজে ।
কৱিতা নহয় মোৰ
জীৱনৰ একান্ত সাধনা,
ইয়াৰ মাজতে মাথো
ধৰি ৰাখোঁ মনৰ বেদনা ।
কোনোটো কবিতা মোৰ
সৌন্দৰ্য্যৰ বিৰাট আকৰ,
কোনোবাটো হ'ব পাৰে
বেদনাৰ বিশাল সাগৰ ।
মোৰ কৱিতাই কেতিয়াও,
নবজায় ধ্বংসৰ বীণ,
নৱ সৃষ্টিৰ প্ৰেৰণাত
ধ্বংসৰ ধাৰ হয় ক্ষীণ ।।

০ ০ ০

## বি
## বিপ্লবী
## বী

*গীতাঞ্জলি ৰৰা*
উঃ মাঃ ১ম বৰ্ষিক

বিপ্লবী মই তিনিও কালৰ
অতীতৰ·
বৰ্ত্তমানৰ
আৰু অনাগত ভৱিষ্যতৰ ।
অসম আইৰ
প্ৰতিটো সন্তানক
জগাই তুলিম
শোষিত দানৱৰ কবলৰ
পৰা মুক্ত কৰিবলৈ ।
অসমী আইৰ মুক্তিৰ বাবে
সঁপি দিম মই
দেহ মন প্ৰাণ
হাঁহি মুখে কৰিম
জীৱন দান ।
বিপ্লবী মই তিনিও কালৰ
অতীতৰ
বৰ্ত্তমানৰ
আৰু অনাগত ভৱিষ্যতৰ। ০০০

## সমাজ শিল্পী

*ৰঞ্জু ৰৰা*
উঃ মাঃ ২য় বৰ্ষ (দিবা)

প্ৰত্যেকজন মানুহৰ
এখনিয়েই ঘৰ,
নামকৰণ কৰোঁ মই পৃথিৱী ।
পৃথিৱীতে মানুহেই সমাজ গঢ়ে,
গাঁঠি দিয়ে বহু ৰীতি-নীতি
মানুহেই সমাজ শিল্পী ০০০।
কিন্তু
শিল্পী সংজ্ঞাৰ সাৰ্থকতা ক'ত ?
নতুন সৃষ্টিত জানো
আৱদ্ধ সমাজ শিল্পী ?
তেওঁৰ সৃষ্টিত থাকিব লাগিব
সমাজৰ শ্বাশ্বত ৰূপ ।
তেওঁহে প্ৰকৃত শিল্পী
মানুহক গঢ়াৰ প্ৰতিশ্ৰুতিৰে
সুন্দৰক সুন্দৰতৰ কৰাৰ মানসেৰে
প্ৰতিজ্ঞতা বদ্ধ
০০০

## বিশ্বপ্ৰেম

*চম্পা দাস*
স্নাতক ২য় বৰ্ষ

মই লিখোঁ কবিতা অবিৰত
এপলক প্ৰেমৰ দৃষ্টি বিচাৰি,
আত্মাৰ কোণে কোণে ।
মই বিচাৰোঁ
পৰ্বতৰ পৰা ভৈয়ামলৈ বোৱাই দিব
প্ৰেমৰ অলকানন্দা
আকাশৰ পৰা পাতাললৈ
শীতৰ, মিঠা অনুভূতি ।
সকলোৰে বাবেই
শিলৰ বুকুত শুকাই,
থৈছো অনন্ত
উপহাৰ ।
০০০

## ৰাঙলী সূৰুজ

*মায়া ৰৰদলৈ*
স্নাতক ২য় বৰ্ষ

পশ্চিমত তেজৰঙা সূৰ্য্যই
মোৰ ফালে চাই হাঁহিছে—
হাঁহিয়েই কৈছে, তুমি এতিয়া কি কৰিবা ?
এন্ধাৰ যে আহিব ধৰিছে আই ।
এনেয়ে তুমি নিৰ্বোধ জীৱ
নাজানা সংসাৰৰ মায়া
জীৱন সাগৰত ডুব মাৰিছা
অথচ সাতুৰিবও নাজানা,
মোৰ পিছে উঠিছে হাঁহি
মিছায়ে দোষাৰূপ কৰিছা, হে দেৱতা
নাজানানে তুমি !
এন্ধাৰৰ পিছত আহিব পোহৰ ।
আহিব সময়
পুৱত যেতিয়া তুমিয়েই
হবা উদয় । ❀

# মোৰ সপোনেৰে

মইনামতী বায়ন
উঃ মাঃ ২য় বৰ্ষ

মোৰ সপোনেৰে ৰঙালো তোমাৰ মুখ
যেনেদৰে সাগৰে লুকুৱাই থয়
আকাশৰ দুখ।

সময়ৰ খবৰ কৰিবলৈ কাৰো সময় নহয়
মৃত্যু নিজে মৃতক হয়
হৃদয়তে ফু মাৰি ব'দাই হৃদয়ৰ খৱৰ,
হাতৰ মুঠিত লুকাই থওঁ বতাহ।

তেতিয়া তুমি তুমি নোহোৱা।

ফুলনিত গোলাপে লাজ কৰে
বধ্যভূমিত তৰোৱালত মামৰে ধৰে
তলসৰা শেৱালিত তোমাৰেই ছাঁ পৰে
ঈৰ্ষাত মৰে মানুহ।

সপোনেৰেই ৰঙালোঁ তোমাৰ মুখ
যেনেদৰে ভাগৰেও ঢাকি ধৰে এলেহুৱাৰ দুখ
জোনাকে পখালি দিয়ে দুখৰ হৃদয়।
প্ৰত্যেক সপোনৰতো অন্য এক নিজস্ব সপোন আছে
তোমাৰ বাবে তোমাৰ
মোৰ বাবে মোৰ

অথচ সপোনেৰে ৰঙালো তোমাৰ মুখ.
ব'দবোৰ বতাহ হওঁক দিনবোৰ ৰাতি, আকাশখন মাটি আৰু
সপোনবোৰ দিঠক
বাৰুদবোৰ পানী হওঁক পানীবোৰে আশা আৰু
আশাবোৰ তেজ।

প্ৰেমত মাতাল হওঁ মই
অথচ
ভাষাৰ আকালত
গোপন হৈ থাকে মোৰ একান্ত গোপনীয়তা।

০ ০ ০

# এটি উদিত সূৰ্য্য বিচাৰি

( কেইটামান কৱিতা )

মহিৰাণা বৰদলৈ
স্নাতক ২য় বৰ্ষ (দিবা)

(১)

কাঠগৰাত বন্দী
এজাক সিংহ পুৰুষ
শৰীৰৰ ধমনীত নাচি উঠে
তেজৰ চেকুৰা
প্ৰত্যাহ্বানৰ প্ৰতিশ্ৰুতিত
কানুনৰ মায়াজাল ভেদি
সপোন দেখে
বন্দীহীন দিনৰ পোহৰৰ ॥

(২)

জীয়াই থকাৰ সংগ্ৰামত
আমাৰ ভৰিবোৰে
বাট বুলিলে
চঞ্চল খোজেৰে
কাঁইটৰ আঁচোৰত
তেজেৰে খোদিত হ'ল
জীৱনৰ অৰ্থ ভৰা নাম ॥

(৩)

আফিঙৰ নিচাত নিমগ্ন
পৃথিৱীৰ দুচকু
আতঙ্কত,
চৰাইজনীৰ অশুভ মাতত
সাৰ পালে
পিঞ্জৰাবদ্ধ আত্মা ॥

০০০

# তথাপিও ভাল পাওঁ মই

মৰমী দেৱী
স্নাতক ৩য় বৰ্ষ

হিমাদ্ৰিৰ শিখৰত
শুকুলা ডাৱৰৰ সৈতে
উমলি জামলি —
ক্লান্ত হৈ উভতি আহিলোঁ !
য'ত আছা তুমি
আৰু আছো মই
আৰু আছে মানুহক ভাল পোৱা
নিবিড় মৰম !
ক'ৰবাত যেন কেনা লাগি গ'ল
নিয়ৰসিক্ত দুবৰি বনত
তেজৰ কণিকা দেখি
চমকি উঠিলোঁ।
"বাগৰুম্বাৰ" তালে তালে !
"ঐনিতমে" হাঁহিলে
আৰু.... .... ....
ৰংমন খুড়াৰ ৰংবোৰে
"বিহু তলিত" বিনালে
তথাপিও ভাল পাওঁ মই এই পৃথিৱীক
য ত আছা তুমি
আৰু আছো মই
আৰু আছে মানুহক ভাল পোৱা
নিবিড় মৰম ! ০০০

## ঃ শান্তিৰ প্ৰহৰ ঃ

বিন্তী দাস
উঃ মাঃ ১ম বৰ্ষ

এতিয়া ধৰাত
ন-সূৰুজৰ কিৰণ পৰিছে
শান্তিৰ কপৌজনী ডেউকা মেলি উৰিছে
তাই কণ দি
সকলোকে আহ্বান জনাব
এতিয়া বিপ্লৱ এৰাৰ সময়
এতিয়া ঐক্য স্থাপিবৰ সময়।
দূৰ-দিগন্তত
দৃষ্টিৰ আঁৰত লুকাই থকা
নতুন সূৰুযে তৃপ্তিত হাঁহিব।
শান্তিৰ পোহৰ পৰিব।
মোৰ তপ্ত হৃদয়ত
শান্তিৰ কণিকাৰ জোঁৱাৰ উঠিব
তেজৰ শিৰাৰ লহৰে লহৰে
চিৰ শান্তিৰ কণিকাই কব
এতিয়া ফুল ফুলাৰ সময়।
সময় এতিয়া বিপ্লৱ এৰাৰ
এতিয়া ধৰাত শান্তিৰ
বোৱতী নৈ বনাই অনাৰ। ০০

## স্বীকাৰোক্তি

ইস্রাহমিন আলী
স্নাতক ২য় বৰ্ষ

আজিকালি মই আপেল, ভৰমুজ খাব নোৱাৰো
কাৰণ,
সেইবোৰ কাটিলে টোপাটোপে সৰে
বুকুৰ তেজৰঙা বং।
বতাহত কিহৰ গোন্ধ পাওঁ জানা? তেজৰ।
তেজৰ গোন্ধেৰে আমোলাই থওঁ ৰাতি।
চাহাবাৰ লুত ভাঁহি আহে।
খেজুৰৰ পাত চুই অহা
তাৰ খাৰুৱা গোন্ধে।
মই দানৱ হৈ উঠিছো .... .... নে ভেম্পায়াৰ?
সপোনত জাগৰণত।
মানুহৰ নেলু চেপি খাব খোজোঁ তেজ
কিন্তু,
কেতিয়াবা মোৰ বিপৰীতে হেবায় ছাঁ
কেতিয়াবা নিৰ্ব্বিবাদে পাৰ হয় চকুলোৰ ৰাতি।
এই সকলোবোৰ শেষ হোৱাৰ পিছত
অসহজ ভাৱে চুহি খাওঁ
আত্মীয় দেহৰ তেজ। ০০০

## সিচঁৰিত ডাচ কেপিতেলৰ পাতবোৰ

পূৰবী বৰুৱা
স্নাতক ২য় বৰ্ষ

সুউচ্চ পাহাৰৰ বিপ্লৱৰ
তামিঘৰত বহি গোপনে
লিখিছো তোমালৈ চিঠি।
সন্মুখত ডাচ্ কেপিতেলৰ
সিচঁৰিত পাতবোৰ।
সীমাহীন জ্ঞানৰ কুণ্ডত,
স্থিতপ্ৰজ্ঞ মোৰ দৃষ্টি
ময়ো জানো, দুৰ্বোধ্য
মোৰ চিঠিৰ ভাষা।
এনছাল ভাদৰৰ গেৰিলা চিঠি
চিঠি পঢ়ি মই
আজিকালি ৰোমাঞ্চিত হওঁ।
তাতেই বিচাৰি পাওঁ
মই মোৰ সোণালী স্বপ্ন
বেলিটো দেখোন কাহানিবাতে
মাৰ গ'ল।
মোৰ আবেগবোৰৰ
স্থিতাৱস্থাৰ পৰা
গতিশীলতালৈ বিচ্যুতি ঘটিল।
এতিয়া মই এক
চলমান সশস্ত্ৰ প্ৰেমিক
তাতেই মোৰ আবেগবিহীন
অফুৰন্ত আনন্দ
কাহানিও হেৰাই নোযোৱাৰ
প্ৰতিশ্ৰুতিত, মই এক মৃত্যুঞ্জয়ী। ০০

## মৃত্যুৰ বিভীষিকা

নিতুমণি বৰা
স্নাতক ৩য় বৰ্ষ

কণ্ঠহীন আজি কবিৰ কণ্ঠকানন
ভাষাহীন আজি কলমৰ জুমুধি।
আকাশ আজি ডাৱৰে আৱৰা।
বোকাৰ পদুম মৰহে বোকাতে
নিৰন্ন বিষণ্ণ হৃদয় আমাৰ।
আশাৰ কঠিয়া তলিত
গজিছে আজি জোৱাৰ বজৰা
দুৰৱস্থাৰ প্ৰাক্ মুহূৰ্ত অচিৰে আহিব।
তুমিতো ভাল পোৱা ডালিমী
সোধা নাই কিয় জীৱনৰ বাতৰি?
দিয়া নাই কিয় আজি জীয়াই থকাৰ সঁহাৰি?
ডালিমীৰ মুখত নাই হাঁহি
ম্লান পৰি সেমেকিছে প্ৰাণ
অলসতাই আৱৰিছে তাইৰ জীৱন।
মৃত্যুৰ বিভীষিকাই ৰিঙিয়াই মাতে
ৰূপহী মদাৰৰ বেদনাৰ দৰে
সূৰ্যাস্তলৈ বাট চাইছোঁ সংগোপনে। + +

## অন্য এক স্কেচ, দুঃস্বপ্নৰ

ৰশ্মী দত্ত
স্নাতক ২য় বৰ্ষ

মই এটি সপোন দেখিছিলোঁ
প্ৰভাতী সূৰ্য্যৰ ৰক্তিম আভাৰ আদিতে,
সিহঁতৰ ৰাতি যাপনৰ স্কেচৰ ।
তাইহঁতৰ নৈশ অভিসাৰ
অসংখ্য সুখৰ আভাস যেন ।
নীৰোহঁতৰ লকলকাই থকা
জিভাৰ গোন্ধ আৰু শব্দ
সাপৰ মালা হৈ ওলমি থাকিল
পুষ্পিতা গাভৰুৰ কোমল অংগত ।
পলাসী বনৰ জুই নুমাল এতিয়া,
মৃত্যু মুহূৰ্তৰ পদশব্দৰ অন্তত ।
মোৰ তুলিকাৰ অস্থিৰ আৱৰ্তন
মই আগবাঢ়িলোঁ
বিধ্বস্ত জীৱনৰ স্কেচ্ আঁকিবলৈ ।

০ ০ ০

## চিঞৰ

নিউতি পাল
উঃ মাঃ ১ম বৰ্ষ

গোৰা—
চিঞৰিছে নৰকঙ্কালবোৰে
সিহঁতকো লাগে হেনো নিজা অধিকাৰ
খুলি খায় মগজু আমাৰ
থৈ গ'ল খোলাটো মাথো চিৰকাললৈ
কোনে ?
অভাৱ অনাটনে.......!!
আমাকো লাগে শান্তিৰ নিজৰা
লাগে এখনি মৰমী দেশ
য'ত নাই হিংসা আৰু বেদনাৰ লেশ ।
নাই য'ত দুখৰ চকুলো ॥
দিয়া আমাক সেই অধিকাৰ
য'ত আছে—পৱিত্ৰ প্ৰেম,
য'ত আছে নতুন প্ৰেৰণা
যত আছে—মানৱৰ নিকা ভাৱনা
য'ত আছে জ্ঞানৰ ভঁৰাল
আমি মাথো, নৰকঙ্কাল ॥

## তিনিৰ মাহাত্ম্য

জোনমণি ফুকন
উঃ মাঃ ২য় বৰ্ষ

তিনিজনৰ লগ এৰিবা
মিছলীয়া, ব্যভিচাৰী, জুৱাৰী
তিনিজনক সদায় সন্মান কৰিবা
পিতৃ, মাতৃ, শিক্ষাগুৰু ।
তিনিজনক কেতিয়াও নাহাঁহিবা
বুঢ়া, পগলা, পংগু ।
তিনিজনৰ প্ৰতি সদয় হ'বা
দুৰ্দশাগ্ৰস্ত, বিধবা, পথভ্ৰষ্ট ।
তিনিটা আৱশ্যকীয় কথা
কাকো বেয়া কথা নকবা,
কাৰো বেয়া কথা নুশুনিবা,
কাৰো বেয়া দিশটো নাচাবা ।
তিনিটা কাম সদায় নিয়মমতে কৰিবা
প্ৰাৰ্থনা, ভোজন, ব্যায়াম ।
তিনিটাক সদায় বশত ৰাখিবা
ইন্দ্ৰিয়, মন, অভ্যাস !
তিনিটাৰ পৰা সদায় দূৰত থাকিবা
নিন্দা, চুৰি, প্ৰতাৰণা ।
তিনিটাক হৃদয়ত ঠাই নিদিবা
ক্ৰোধ, এলাহ, হিংসা ।
তিনিটাক ঘৃণা কৰিবা
পাপ, অভিমান, মলিনতা ।

০ ০ ০

## বিষণ্ণ প্ৰহৰ

ৰত্নামণি দাস
স্নাতক ১ম বৰ্ষ

নিদ্ৰাবিহীন
গভীৰ অন্ধকাৰ ৰাতিত
বুলাই দিয়া
মোৰ বিষণ্ণ হৃদয়ত
তোমাৰ কোমল হাত দুখনি ।
দিক্‌হাৰা পথেৰে যেতিয়া
তোমাক বিচাৰি ফুৰোঁ ৰাতিৰ
প্ৰান্তৰে প্ৰান্তৰে ;
যেতিয়া গছৰ পাতে-পাতে নিগৰে
মেঘেৰে আবৃত জোনৰ চকুপানী—
তেতিয়া মোৰ মনৰ
নিজম স্তৰেৰে
তোমাৰ শৰীৰৰ কোমল সুৰভি নামি
আহে অকলশৰে । ০০০

( ধেমেলীয়া কবিতা )

# বিহু পিঠাৰ মিটিং

**পদুমী বৰা**
উঃ মাঃ ৩য় বৰ্ষ

পিঠা-পনা যত আলোচিলে কত
পাতিলে মিটিংখন ।
সকলোৱে মিলি এই বহাগত
পাতিব বিহু সন্মিলন ॥
এইবাৰ আমি উলহ-মালহে
আদৰিম বিহুটিক ।
হাত চাপৰিৰে সহাৰি জনালে
দিন বাৰ কৰিলে ঠিক ॥
সভাপতি হ'ল সুতুলি পিঠা
হেঁচা পিঠা সম্পাদক ।
আখৈয়ে ক'লে আজিৰ সভাতে
প্ৰস্তাৱ গৃহীত হওঁক ॥
ঘিলা ফেনী চুঙা যত মানে পিঠা
কোনোৱে থকা নাই বৈ !
উৰুলি-মুৰুলি উৰুৱাই ধূলি
আহিল বিহু মেলালৈ ॥
তিলৰ লাৰুনো থাকিব কেনেকৈ
শুনিছে বিহুৰ কথা ।
আহিছে বাগৰি অগা-পিচা কৰি
নাৰিকলৰ লাৰু সখা ॥
এক দুই তিনি অনাই ষেনি তেনি
ৰভা তল ভৰি গ'ল ।
বিহুৰ ওলগ যাঁচিবলৈ বুলি
সম্পাদক থিয় হ'ল ॥
আমাৰ মাজলৈ আহিল এতিয়াই
দৈ গাখীৰ মহোদয় ।
শুভ উদ্বোধন বিহু সন্মিলন
কৰিলেহে ভাল হয় ॥
মঞ্চলৈ উঠোতে দৈ গাখীৰ হঠাতে
পৰিল হামখুৰি খাই
পলকতে দেহি টেকেলিটো ভাঙি
ৰ'ল দাঁত নিকটাই ॥ ০০০

# মহৎ লোকৰ বাণী

ঃ কৰ্মই উপাসনা, হাঁহিয়েই জীৱন । যি জীৱনত সুখ দুখ দুয়োকে হৰ্ষমনে গ্ৰহণ কৰিব জানে, তেওঁ জীৱনৰ প্ৰকৃত সৌন্দৰ্য্য ভোগ কৰিব পাৰে — *চৰ্দাৰ বল্লভভাই পেটেল*

ঃ অসমীয়াৰ গাত উচ্চ গুণসমূহ নিশ্চয় আছে, কিন্তু উপযুক্ত নায়কৰ অভাৱত কেতিয়াবা সেই গুণবোৰ তল পৰে । তেতিয়া প্ৰবৃত্তিবোৰে হৃদয় অন্ধকাৰ কৰি থয় আৰু তাৰ পৰা দেশৰ অনিষ্ট সাধন হয় । — *সূৰ্য্য কুমাৰ ভূঞা*

ঃ পৰিশ্ৰমী আৰু মিতব্যয়ী হোৱা, ধনী হ'বা । সংযত আৰু মিতাচাৰী হোৱা, স্বাস্থ্যবান হ'ব । সকলো কথাতে নিষ্ঠাবান হোৱা, সুখী হ'বা । — *বেঞ্জামিন ফ্ৰেংকলিন*

ঃ মিঠা মিঠা কথা ক'লেই আৰু হাঁহি মুখীয়া হলেই সৎ হ'ব নোৱাৰি । — *কন্‌ফুচিয়াছ*

ঃ সকলো পঢ়িব জানে, কিন্তু কি পঢ়িব তাকেহে নাজানে । — *বাৰ্ণাৰ্ডশ্ব*

॥ সংগ্ৰহ ঃ *স্নিগ্ধা ভৰালী* ঃ স্নাতক ২য় বৰ্ষ (দিবা)

০০০

১। "জ্ঞান, জ্ঞান, আমাক লাগে জ্ঞান । আমি সেই জ্ঞান পৰক বিলাব পাৰিব লাগে । জ্ঞান চৰ্চা আৰু বিতৰণ অতি পৱিত্ৰ কাৰ্য্য ।" — *লক্ষ্মীনাথ বেজবৰুৱা*

২। "মোৰ ধৰ্ম কয়দীখানাৰ ধৰ্ম নহয় । পৃথিৱীৰ বতাহ মোৰ পৰ্ণ কুটীৰৰ চৌদিশে প্ৰবাহিত হোৱাটো মই বিচাৰো । সেই বুলি নিজৰ মাটিৰ পৰা মই উঘাল খাব নোখোজোঁ ।
— *মহাত্মা গান্ধী*

৩। "বিপুল সংখ্যক বহিৰাগতৰ আগমনে থলুৱা জনগোষ্ঠী আৰু সংস্কৃতিক চেৰ পেলাই বহিৰাগতৰ শক্তি বৃদ্ধি কৰি থলুৱা সামাজিক ভাবসাম্য ধ্বংস কৰিব বুলি হেনো আকংশই আজি অসমীয়াসকলক বিব্ৰত কৰি তুলিছে ।" — *বি, জি, ভাৰ্গিজ*

৪। "নিজক ত্যাগ কৰি পৰক আপোন কৰিবলৈ যোৱাটো যেনে নিস্ফল, ভিক্ষুকতা, পৰক ত্যাগ নিজক বচাই ৰখাটো তেনে দৰিদ্ৰতাৰ চৰম দুৰ্গতি ।" —*ৰবীন্দ্ৰনাথ ঠাকুৰ*

॥ সংগ্ৰহ ঃ *বুলু মণি দত্ত* ঃ উঃ মাঃ ২য় বৰ্ষ ॥

---

**কৌতুক**

ডাকঘৰৰ পিয়নৰ সাক্ষাৎকাৰৰ সময়ত এজন প্ৰাৰ্থীক সোধা হ'ল— পৃথিৱীৰ পৰা চন্দ্ৰলৈ কিমান দূৰ ?

প্ৰাৰ্থীয়ে নিৰাশ হৈ উত্তৰ দিলে—চিঠি বিলাবলৈ ইমান দূৰলৈ যাব লাগে যদি মই এই চাকৰি নকৰোঁ।

# জানানে ?

১। কোনটো ইংৰাজী কবিতা ৩৩ বছৰৰ সময়ৰ মূৰত লিখি উলিওৱা হৈছিল ?
২। পৃথিৱীৰ সৰ্বপ্ৰথম বাতৰি কাকতখনৰ নাম কি ?
৩। কোন দেশত হত্যাকাণ্ডৰ হাৰ আটাইতকৈ ক'ম ?
৪। কোন মহাদেশ জগতৰ কাৰখানা স্বৰূপ ?
৫। পৃথিৱীৰ বৃহৎ সংখ্যক মানুহে কি ভাষা কয় ?
৬। ইউৰোপৰ কোন কবি চোৰ-জুৱাৰি আৰু হত্যাকাৰী আছিল ?
৭। কোন বিখ্যাত সাহিত্যিকে জেলত থাকি বাতৰি কাকত প্ৰকাশ কৰিছিল ?
৮। কোন ইংৰাজ ককায়েক-ভনীয়েক সাহিত্যিক আছিল ?
৯। ৯২' বাৰ্চিলোনাৰ সৰ্বপ্ৰথম সোণৰ পদক কোনে পায় ?

**উত্তৰ :**

১। Langland pier's the ploughman. (২) চিংপাত
৩। নৰৱে (৪) ইউৰোপ (৫) চীনা ভাষা (৬) ফৰাচী কবি ভিল্লন
৭) ডেনিয়েল ডিফোৱে (৮) ছাৰ্লচ লেম্ব আৰু মেৰী লেম্ব
৯) দক্ষিণ কোৰিয়াৰ ১৮ বছৰীয়া ছাত্ৰী ইওকাৰ ছুনে।

॥ সংগ্ৰহ : মামা ডেকা, উঃ মাঃ ২য় বৰ্ষ ॥

---

**কৌতুক :**

২। চাৰি আলিৰ চকত থকা ট্ৰেফিক পুলিচজনে স্থুহুৰিৰ পিছত স্থুহুৰি বজাই গৈছে, অথচ বুঢ়ীজনীৰ খবৰ নাই। তেওঁ ৰাস্তা পাৰ হোৱাৰ চেষ্টাতে আছে। পুলিচজনে দৌৰি গৈ ক'লে—মই অথনিৰে পৰা স্থুহুৰি বজাই আছো, শুনা নাই ?

: এতিয়া আৰু মোৰ ডেকা ল'ৰাৰ স্থুহুৰি শুনাৰ বয়স নাই!
— বুঢ়ীয়ে উত্তৰ দিলে।

সম্পাদনা সমিতি



বাওঁ ফালৰ পৰা – অধ্যাপিকা স্বপ্না নেওগ, অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ, অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা
অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা, অধ্যাপক শ্ৰীগৌতম গোস্বামী।
থিয় হৈ— শ্ৰীবৰী দত্ত, সম্পাদিকা। শ্ৰীপ্ৰণতি বৰা, সঃ সাঃ সম্পাদিকা।

ছাত্ৰী একতা সভা




বাওঁ ফালৰ পৰা – অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা, অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা।
থিয় হৈ – শ্ৰীবুলবুলী বৰদলৈ, শ্ৰীনমিতা মেধি, শ্ৰীৰবী দত্ত, শ্ৰীপ্ৰণতি বৰা, শ্ৰীমামণি গগৈ।

# সাক্ষাৎকাৰ ঃ

নগাঁও ছোৱালী কলেজ আলোচনীৰ বাবে সাহিত্য-সংস্কৃতি জগতৰ কেইগৰাকীমান স্বনামধন্য ব্যক্তিক সাক্ষাৎ কৰি কেইটামান প্ৰশ্ন আগবঢ়োৱা হৈছিল। তেখেতসকলৰ উত্তৰসমূহে আমাৰ ছাত্ৰীসকলক তথা সাম্প্ৰতিক কালৰ যুৱ-সমাজক বিভিন্ন দিশত জ্ঞানৰ সন্ধান দিব পাৰিব। আমাৰ প্ৰশ্নৰ সহঁাৰি জনাই উত্তৰ দানেৰে আমাক উৎসাহিত কৰা বাবে তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ।

সম্পাদিকা, আলোচনী ॥



অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমৰ বিশিষ্ট সাহিত্যিক মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ ওচৰলৈ আমি গৈছিলোঁ। আমাৰ কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি, বিয়লি প্ৰায় তিনিমান বজাত। ককাৰ বাসভৱনলৈ গৈ আমি এটি শান্ত পৰিবেশৰ মাজত সোমাই পৰিছিলোঁ — ভাল লাগিছিল সেই পৰিবেশ। আৰু দেখিছিলোঁ ককাৰ শোৱনি কোঠাত চাৰিওফালে আলমাৰিত সংগ্ৰহ কৰি ৰখা অজস্ৰ কিতাপ। ককাৰ ভাল লগা আবেলি সময়খিনিতেই আমি আগবঢ়াই দিছিলোঁ আমাৰ প্ৰশ্নসমূহ। প্ৰশ্নসমূহৰ লগতে ককাৰ উত্তৰসমূহ প্ৰকাশ কৰা হ'ল —

# প্ৰশ্ন আৰু শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ উত্তৰ ঃ

১ম প্ৰশ্নঃ—প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ অভূতপূৰ্ব সমাবেশ আপোনাৰ সাহিত্যত ঘটিছে। আপোনাৰ সাহিত্য সাধনাৰ প্ৰেৰণাৰ উৎস কি ?

উত্তৰঃ— নিজৰ মনৰ ভাব সমাজক জনাব পৰাত আনন্দ আছে। তেনে এটা আনন্দই মোক প্ৰেৰণা যোগাইছে।

২য় প্ৰশ্নঃ—অসমীয়া সাহিত্যক আপুনি আগতকৈ চহকী হোৱা বুলি ভাৱেনে ? প্ৰতিভা-সম্পন্ন উদীয়মান লেখক-লেখিকাসকললৈ আপোনাৰ কবিসুলভ পৰামৰ্শ কেনে ধৰণৰ ?

উত্তৰঃ— অসমীয়া সাহিত্যৰ বিষয়-বস্তু আৰু প্ৰকাশ-ভঙ্গী আগতকৈ বহুত বাঢ়িছে। অভিজ্ঞতাৰ বিচিত্ৰতা লাভ কৰিবলৈ চেষ্টা কৰক—নতুন লেখক-লেখিকালৈ মোৰ এয়ে পৰামৰ্শ। অৱশ্যে অভিজ্ঞতাৰ ব্যৱহাৰ প্ৰতিভা-সাপেক্ষ।

৩য় প্ৰশ্নঃ—বৰ্ত্তমান যুৱ-মানসৰ স্খলন হোৱা দেখা যায়। ইয়াৰ কাৰণসমূহ আপুনি কি বুলি ভাৱে ?

উত্তৰঃ— এই স্খলনৰ বহুতো কাৰণ থাকে। আদৰ্শৰ অনিশ্চয়তা এটা ঘাই কাৰণ। আমাক কি লাগে আৰু কলৈ যাওঁ এই সম্বন্ধে আমাৰ স্থিৰতা নাই।

৪ৰ্থ প্ৰশ্নঃ—আজি-কালি শিক্ষানুষ্ঠানসমূহৰ বৌদ্ধিক বিকাশ অৰ্থাৎ বৌদ্ধিক পৰিবেশ এটা নোহোৱা হৈছে। ৰাজনীতিৰ দুষ্টচক্ৰৰ দ্বাৰা কিছুমান ছাত্ৰ পৰিচালিত হোৱা দেখা যায়। এই ক্ষেত্ৰত আপোনাৰ মতামত কি ?

উত্তৰঃ— বৌদ্ধিক পৰিবেশ বিকৃত হোৱাৰ কাৰণ অকল ৰাজনীতিয়েই নহয়, অৱশ্যে ৰাজনীতিয়েও আমাৰ সমাজক বিভ্ৰান্ত কৰিছে। এই বিষয়ত শিক্ষকসকলৰ দায়িত্বই আটাইতকৈ বেছি। তথাপি শিক্ষক, সমাজ আৰু ছাত্ৰ—এই ত্ৰিপদীৰ ওপৰত পৰিবেশ বৈ থাকে।

৫ম প্ৰশ্নঃ— অসমৰ সাম্প্ৰতিক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিয়ে দেশখনৰ উন্নতিৰ কথা সূচায়নে ? আৰু 'আলফাৰ স্বাধীন অসম'ৰ দাবীক যুক্তিপূৰ্ণ বুলি ভাবেনে ? এই ক্ষেত্ৰত আপোনাৰ মতামত কি ?

উত্তৰঃ— এইটো এটা জটিল প্ৰশ্ন। একে উশাহতে ইয়াৰ উত্তৰ দিব নোৱাৰি। তথাপি আশা কৰা যায় আমাৰ সমাজত অসমৰ প্ৰকৃত মঙ্গল চিন্তা কৰা মানুহ আছে।



আৰু অসমীয়া সমাজে অতি সহজ বুদ্ধিৰেই এই সমস্যাবোৰ সমাধান কৰিব পাৰিব।

প্ৰত্যেক প্ৰস্তাৱৰ কিছুমান যুক্তি থাকে। সেইদৰে স্বতন্ত্ৰ অসম বিচৰা মানুহৰো কিছুমান যুক্তি আছে। এই যুক্তিবিলাক দেশ, কাল, পাত্ৰ অনুসৰি বিচাৰ কৰিব লাগিব।

৬ষ্ঠ প্ৰশ্নঃ— অসমীয়া সাহিত্যত ঘটা বৰ্ণ-বিভ্ৰাট সম্পৰ্কে আপোনাৰ মতামত কি ?

উত্তৰঃ – বৰ্ণ-বিভ্ৰাট সকলো ভাষাতেই আৰু সকলো সময়তেই অলপ নহয় অলপ দেখা যায়। মোৰ মনেৰে 'হেমকোষ'ৰ ওপৰত নিৰ্ভৰ কৰাই সুবিধাজনক আৰু মঙ্গলজনক। সংস্কৃত ভাষাৰ জ্ঞান থাকিলে অনেক ক্ষেত্ৰত এনে অসুবিধাৰ হাত সাৰিব পাৰি।

৭ম প্ৰশ্নঃ – আপোনাৰ জীৱনৰ স্মৰণীয় দিনটো আৰু কামটো কি আছিল আমাক জনাবনে ?

উত্তৰ — মোৰ স্মৰণীয় দিনটো মোৰ তৃতীয় মান শ্ৰেণীত পঢ়োঁতেই ঘটে। অসম উপত্যকাৰ স্কুলসমূহৰ পৰিদৰ্শক দুৰ্গাধৰ বৰকটকীয়ে আমাৰ তিতাবৰ মধ্য ইংৰাজী স্কুল পৰিদৰ্শন কৰি মোক তৃতীয় মানৰ পৰা পঞ্চম মানলৈ প্ৰমোচন দিবৰ কাৰণে নিৰ্দেশ দিয়ে। এই আদেশে মোৰ কুমলীয়া মনটোৰ দুৰ্বল ভাব আঁতৰাই মনলৈ আত্ম-বিশ্বাস আনি দিয়ে।

যিদিনা মই চৰকাৰী চাকৰিৰ আশা পৰিহাৰ কৰি নকৈ পাতিব
খোজা যোৰহাট মহাবিদ্যালয়ত প্ৰথম তিনি বছৰ বিনা বেতনে অধ্যাপনা কৰিবলৈ
গাত ললোঁ, সেইটো মোৰ জীৱনৰ এটা ঘাই কাম বুলি ভাবোঁ।

( আমাৰ ৭ম প্ৰশ্নটি শুনি ককাৰ মুখখনিত এক বিমল হাঁহিৰে পোহৰ
চমকি গৈছিল। হয়তো সেই মুহূৰ্ত্ত তেখেতৰ পুৰণি কিন্তু সজীৱ স্মৃতিয়ে
ভুমুকি মাৰি গৈছিল তেখেতৰ অন্তৰত।)

৮ম প্ৰশ্নঃ—অসমীয়া সমাজত নাৰী-পুৰুষৰ সম-অধিকাৰ আছে বুলি আপুনি ভাৱেনে ? বৰ্ত্ত-
মানেও নাৰীৰ ওপৰত চলি থকা নিৰ্য্যাতন নিৰ্মূলৰ ক্ষেত্ৰত আপুনি কি উপায়
দিব ?

উত্তৰঃ— এই প্ৰশ্নই আমাৰ অসমত বিশেষ জটিল ৰূপ ধাৰণ কৰা নাই।
অসমীয়া সমাজত নাৰী নিৰ্য্যাতন ভাৰতৰ আন ঠাইতকৈ বহুত

কম। স্ত্রী-শিক্ষাৰ প্ৰচলনে এনে দুৰ্যোগ দূৰ কৰিব পাৰে। অৰ্থাৎ আৰ্থিক আৰু বৈষয়িক বিষয়ত স্ত্ৰী-স্বাধীনতা ইয়াৰ দ্বাৰাই ঘটিব পাৰে। আমাৰ জনজাতীয় সমাজত তিৰোতাবিলাকৰ স্বাধীনতা অলপ বেছি যেন লাগে।

৯ম প্ৰশ্নঃ—সাম্প্ৰতিক কালত চলি থকা সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে আপুনি কাক জগৰীয়া কৰিব?

উত্তৰঃ— সৰ্বসাধাৰণ সৰল-সহজ মানুহে শান্তিৰে আৰু সংঘাত নোহোৱাকৈ থাকিবলৈহে ভাল পায়। কোনো কোনো তথাকথিত নেতা আৰু বুদ্ধিজীৱীয়েই এনে সংঘৰ্ষক উদ্‌গনি দিয়ে। দুষ্টবুদ্ধিৰ স্বাৰ্থই এনে সংঘৰ্ষৰ মূল। সমাজৰ মংগলকামী বুদ্ধিজীৱীসকলে এই সম্পৰ্কে সচেতন হৈ জনসাধাৰণক সততে সতৰ্ক কৰি থাকিব লাগে।

১০ম প্ৰশ্নঃ—নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীসকললৈ আপোনাৰ আশীৰ্বাদ।

(আশীৰ্বাদ দিবলৈ গৈ ককাই কৈছিল, "নগাওঁ ছোৱালী কলেজ" খনক এই নামেৰে নকৈ 'বালিকা মহাবিদ্যালয়' বুলি ক'লেহে মই ভাল পাওঁ।"

উত্তৰঃ— নগাওঁ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকললৈ মোৰ এয়ে উপদেশ যেন তেওঁবিলাকে অসম তথা ভাৰতবৰ্ষৰ সবল জীৱনৰ আদৰ্শ আগত ৰাখি আশাসুধীয়াকৈ জ্ঞান আহৰণ কৰিবলৈ আৰু সেই জ্ঞানৰ পোহৰত নিজক, নিজৰ পৰিয়ালক আৰু সমাজকো যথাসাধ্যে পোহৰ দিবলৈ চেষ্টা কৰে।

(অৱশেষত ককাৰ সুস্বাস্থ্য কামনা কৰি আমি দুয়ো তেখেতৰ পৰা বিদায় মাগিলোঁ। বিশাল আকাশখনত থকা সূৰুযেও হেঙুলি বৰণ সানি দিছিল গোটেই পৃথিৱীখনতে দিনটোৰ শেষ মুহূৰ্তত।

০ সাক্ষাৎকাৰী ঃ কৰবী ফুকন ঃঃ সাৱদা শৰ্মা ০



## প্ৰশ্ন আৰু শ্ৰীযুত হীৰেণ ভট্টাচাৰ্য্যৰ উত্তৰ ঃ

॥ খ্যাতনামা অসমীয়া কবি হীৰেণ ভট্টাচাৰ্য্যদেৱলৈ কবিতা সম্পৰ্কে কেইটামান প্ৰশ্ন আগবঢ়াইছিলোঁ। প্ৰশ্ন কেইটাৰ উত্তৰ তেখেতৰ ভাষাৰে ইয়াত প্ৰকাশ কৰা হ'ল ॥

১ম প্ৰশ্নঃ— আপুনি কবিতা লিখিবলৈ প্ৰথমতে কিয় লৈছিল? সেই সময়ৰ বিষয়ে ক'বনে?

উত্তৰঃ— মই কবিতা লিখিবলৈ কিয় লৈছিলোঁ তাক মই নিজেই কব নোৱাৰোঁ। মনলৈ কিবা এটা ভাব উপজিছিল আৰু সেইটো মই কবিতাৰ মাজেৰে প্ৰকাশ কৰিছিলোঁ।

২য় প্ৰশ্নঃ— আপোনাৰ প্ৰিয় কবি গৰাকীৰ অৱলম্বনত আপুনি কবিতা লিখেনে?

উত্তৰঃ— মোৰ কোনো প্ৰিয় কবি নাই। সেই বাবে মই কাৰো অৱলম্বনত কবিতা নিলিখোঁ।

৩য় প্ৰশ্নঃ—আপোনাৰ কবিতাই সামাজিক দায়বদ্ধতাক স্বীকাৰ কৰেনে? যদি কৰে কেনেদৰে?

উত্তৰঃ— মোৰ কবিতাই কোনো সামাজিক দায়বদ্ধতা স্বীকাৰ নকৰে।

৪ৰ্থ প্ৰশ্নঃ - আধুনিক কবিতা দুৰ্বোধ্য বুলি এটা বদনাম আছে। আপোনাৰ দৃষ্টিভংগী কেনে?

উত্তৰঃ— আধুনিক কবিতা দুৰ্বোধ্য বুলি বদনাম থকাটো মই নাভাবোঁ। কাৰণ আধুনিকেই হওঁক বা পৌৰাণিকেই হওঁক যিবোৰ কবিতাত কবিয়ে নিজৰ মনৰ ভাব কবিতাৰ মাজেৰে প্ৰকাশ কৰে সেইবোৰে হ'ল কবিতা। ইয়াত কোনো আধুনিক বা পৌৰাণিক নাই।

৫ম প্ৰশ্নঃ— "মনৰ অনুভূতিয়েই কবিতা" এই সম্পৰ্কে আপোনাৰ মতামত কি?

উত্তৰঃ - অনুভূতিৰে কবিতা নহয়। অনুভূতিৰ ৰূপ দিয়ে কবিয়ে ভাষাৰে।

৬ষ্ঠ প্ৰশ্নঃ— নবীন কবিসকলৰ প্ৰতি আপোনাৰ কব লগীয়াখিনি কবনে?

উত্তৰঃ— নবীন লেখকক পাঠকেহে স্বীকৃতি দিয়ে। গতিকে নবীন পাঠক গঢ়ি তোলাৰ নিতান্ত প্ৰয়োজন। ভাল পাঠক হ'লেহে ভাল কবি গঢ়ি তুলিব পাৰে।

৭ম প্ৰশ্নঃ—আপোনাৰ প্ৰিয় কবিতাটো কি?

উত্তৰঃ— মোৰ কোনো প্ৰিয় কবিতা নাই। ভাল কবিতা মোৰ সদায় ভাল লাগে।

৮ম প্ৰশ্নঃ— বিশ্ব সাহিত্যৰ লগত ফেৰ মাৰিব পৰা সাহিত্য সৃষ্টিৰ সম্ভাৱনা অসমীয়া ভাষাত বৰ্ত্তমান বা ভৱিষ্যত আছেনে নাই, জনাবনে?

উত্তৰঃ— কোনো সাহিত্যিকে কোনো বৰ্ত্তমান আৰু ভৱিষ্যতৰ কথা কব নোৱাৰে। সাহিত্যিকৰ লগত ফেৰ নামাৰে।

॥ সাক্ষাৎকাৰীঃ—ৰবী দত্ত ॥

# প্ৰশ্ন আৰু শ্ৰীযুত হিতেশ ডেকাৰ উত্তৰ ঃ

॥ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কে বিশিষ্ট সাহিত্যিক শ্ৰীযুত হিতেশ ডেকালৈ কেইটামান প্ৰশ্ন আগ বঢ়াইছিলোঁ। প্ৰশ্নসমূহ সম্পৰ্কত তেখেতে দিয়া উত্তৰসমূহ দাঙি ধৰা হ'ল ॥

১ম প্ৰশ্নঃ—ক্ৰমবৰ্দ্ধমান যুগত অসমীয়া সাহিত্যৰ বিকাশ যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাই বুলি কয় ।এই বিষয়ে আপোনাৰ দৃষ্টিভংগী কেনে?

উত্তৰঃ— ক্ৰমবৰ্দ্ধমান যুগ বুলি এটা যুগ নাই, বৰং আজিৰ বিজ্ঞান আৰু প্ৰগতিৰ যুগত অসমীয়া সাহিত্যৰ বিকাশ যেনে ভাবে হ'ব লাগিছিল তেনেদৰে হোৱা নাই। ইয়াৰ কাৰণ আজিৰ দিনতো অসমীয়া মানুহৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। আজিও অসমীয়া মানুহৰ মনত মধ্য যুগীয় ধ্যান-ধাৰণাই ঠাই লৈ আছে। অন্ধ-বিশ্বাস আৰু পূৰ্বসূৰীসকলৰ ধ্যান-ধাৰণাই ক্ৰিয়া কৰি আছে । সামাজিক আৰু বৌদ্ধিক দিশত আমাৰ চিন্তাধাৰাৰ দৈন্যতা প্ৰকট । বিজ্ঞানৰ সত্যৰ ওপৰত ভেটি কৰি সাহিত্য ৰচনা নকৰিলে পূৰ্বৰ অন্ধ ধাৰণাকে সাৱটি লৈ সাহিত্য ৰচনা কৰিলে কেৱল অতীতৰ চৰ্বিত চৰ্বনহে হৈ থাকিব । আমাৰ চিন্তা-চৰ্চা বিজ্ঞানমুখী কৰাহে উচিত। বিজ্ঞানৰ ভেটিতহে সাহিত্য ৰচনা কৰিব লাগে, পূৰ্বৰ দৰে ধৰ্মৰ ওপৰত ভেটি কৰি নহয় ।

২য় প্ৰশ্নঃ—অসমীয়া সাহিত্যত এতিয়া ডক্টৰেট পোৱা লোকৰ সংখ্যা শতাধিক, তথাপিও অসমীয়া সাহিত্যই বিশ্বত বিশেষ স্থিতি লব পৰা নাই—তাৰ কাৰণ কি?

উত্তৰ.— অসমীয়া সাহিত্যত ডক্টৰেট উপাধি ললেই সাহিত্যিক নহয়। ডক্টৰেট এটা উপাধিহে। ই গৱেষণামূলক চিন্তাৰ ধাৰাবাহিক প্ৰবাহহে। তেওঁলোকে সাহিত্যিকসকলৰ সাহিত্যৰ ওপৰত গৱেষণা'হে কৰে। কলৰ সৃষ্টি আৰু সোৱাদৰ গৱেষণা কৰি সত্য উদ্ঘাটন কৰিলেই কলৰ জন্ম নহয়—কলৰ জন্ম প্ৰকৃতিয়েহে দিয়ে । সাহিত্যৰো জন্ম সাহিত্যিকেহে দিব পাৰে। সেইবাবে অসমীয়া সাহিত্যিকে যুগজয়ী সাহিত্যৰ সৃষ্টি কৰিব পাৰিলেহে অসমীয়া সাহিত্য বিশ্বৰ দৰবাৰত পূজিত হ'ব। অৱশ্যে বিভিন্ন বিশ্ব-বিশ্ৰুত ভাষালৈ অনূদিত নহ'লে অসমীয়া সাহিত্যৰ মান কোনে নিৰ্ণয় কৰিব? বিশ্বৰ মহৎ সাহিত্যৰ লগত ফেৰ মাৰিব পৰা সাহিত্যৰ সৃষ্টি বৰ্ত্তমানে অসমীয়াতো হৈছে— অনুবাদহে হোৱা নাই। অনুবাদ কৰিলেই বিশ্বত অসমীয়া সাহিত্যই স্থিতি লাভ কৰিব।

৩য় প্ৰশ্নঃ—অসমীয়া সাহিত্যিকসকলে নবীনসকলক প্ৰেৰণা নিদিয়ে বুলি এটা বদনাম আছে। এই সম্পৰ্কে আপুনি কি মত দিব?

উত্তৰঃ— প্ৰবীণসকলে নবীনসকলক উৎসাহ নিদিয়া বুলি এটা বদনাম আছে। অৱশ্যে দ্বিতীয় শ্ৰেণীৰ প্ৰবীণ লিখকসকলে প্ৰথম শ্ৰেণীৰ নবীন লিখকক স্বীকৃতি নিদিয়াৰ কাৰণ তেওঁতকৈ ভাল লিখাৰ বাবে ঈৰ্ষাতে নিদিয়ে আৰু দ্বিতীয় শ্ৰেণীৰ নবীন লিখকে নিজকে বৰ ডাঙৰ সাহিত্যিক বুলি ভাবি প্ৰবীণসকলক নিন্দা কৰে হিংসাবশতঃ। দুয়োবিধ দ্বিতীয় শ্ৰেণীৰ লিখকৰ হীনমন্যতাৰ ফলশ্ৰুতি। প্ৰথম শ্ৰেণীৰ লিখক নবীন-প্ৰবীণৰ কোনো বিৰোধ নাই ।

৪ৰ্থ প্ৰশ্নঃ—আপোনাৰ প্ৰিয় সাহিত্যিক গৰাকী কোন? আপুনি কাক অনুকৰণ কৰে?

উত্তৰঃ— মোৰ প্ৰিয় সাহিত্যিকজন মই নিজে। মই কাকো অনুকৰণ নকৰোঁ। মই মোকেহে অনুকৰণ কৰোঁ।

৫ম ঃপ্ৰশ্ন—আপুনি সাহিত্য সাধনা কৰোঁতে কাৰোবাৰ পৰা প্ৰেৰণা পাইছেনে? কেনেধৰণৰ প্ৰেৰণা পাইছে?

উত্তৰ.— মই সাহিত্য সাধনা কৰোঁতে জনসাধাৰণৰ পৰাই প্ৰেৰণা পাইছিলোঁ। জনসাধাৰণৰ ভালপোৱাই মোৰ প্ৰেৰণা।

৬ষ্ঠ প্ৰশ্নঃ—'সাহিত্য জাতিৰ দাপোণ' —আজিৰ সাহিত্যৰাজিয়ে এটা জাতিক তেনেদৰে আগুৱাই নিছে বুলি আপুনি ভাবেনে?

উত্তৰঃ— 'সাহিত্যই জাতিৰ দাপোণ' বুলি এগৰাকী সাহিত্যিকে লিখিছিল। আজিৰ অসমীয়া সাহিত্যৰাজিয়ে অসমীয়া জাতিক সিমান আগুৱাই নিব পৰা নাই; কাৰণ আমাৰ লিখকসকল পাশ্চাত্য সাহিত্যৰ অনুকৰণকাৰী। প্ৰাচ্যৰ সমাজ-সংস্কৃতিৰ লগত এইচাম ইংৰাজীজনা সাহিত্যিকৰ ভাল ধাৰণা নাই। তেওঁলোকৰ ৰচিত গল্প, উপন্যাস, কবিতা আৰু নাটকে পাশ্চাত্য সমাজৰহে ধাৰণা বহন কৰে—ভাৰতীয় বা অসমীয়া সমাজ-সংস্কৃতিৰ স্বৰূপ প্ৰকাশ কৰিবলৈ অপাৰগ। সেইকাৰণেই আজি সাহিত্যিক বহুত, কিন্তু জাতীয় চিন্তাধাৰা বহন কৰা সাহিত্যিকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। সেইবাবেই জাতিক আগুৱাই নিব পৰা নাই।

৭ম প্ৰশ্নঃ—নতুন প্ৰজন্মক আপুনি সাহিত্যৰ দিশত কেনে পৰামৰ্শ দিব বিচাৰে ?

উত্তৰঃ— নতুন প্ৰজন্মক মোৰ উপদেশ দিয়াৰ ধৃষ্টতা নাই। নতুন পুৰুষসকল মোতকৈ
বহুগুণে বুদ্ধিমান, বিদ্বান আৰু ধীমান। তথাপি মোৰ সংকীৰ্ণ ধাৰণাৰে কব
বিচাৰোঁ যে তেওঁলোকে আমাৰ সমাজ-সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰি বিজ্ঞান-
ভিত্তিক সাহিত্য ৰচনা কৰক ; মধ্যযুগীয় চেপেটা পৃথিবীত বাস কৰা সকলৰ
ধ্যান-ধাৰণা ওলোটাই দি বৰ্ত্তমানৰ ঘূৰণীয়া পৃথিবীত বাস কৰা সকলে সত্য
সাধনাত আগবাঢ়ক। ০ ০ ০

॥ *সাক্ষাৎকাৰী—ৰবী দত্ত, আলোচনী সম্পাদিকা* ॥

---

# প্ৰশ্ন আৰু শ্ৰীমতী মলয়া গোস্বামীৰ উত্তৰ :

(অসমৰ বোলছবি জগতৰ খ্যাতিসম্পন্না চিত্ৰাভিনেত্ৰী শ্ৰীযুতা মলয়া গোস্বামী ।
তেখেতক সাক্ষাৎ কৰি আমাৰ ফালৰ পৰা কেইটামান প্ৰশ্ন আগ বঢ়োৱা হৈছিল। তেখে-
তৰ উত্তৰসমূহ প্ৰকাশ কৰা হ'ল।)

১ম প্ৰশ্ন —আপোনাৰ অভিনয় জীৱনৰ আৰম্ভ কেনেকৈ হৈছিল ? এই ক্ষেত্ৰত আপোনাৰ
অনুপ্ৰেৰণাৰ উৎস কি ?

উত্তৰঃ— মোৰ অভিনয় জীৱনৰ আৰম্ভ সৰুৰে পৰাই হৈছিল। মই প্ৰথমে স্কুলৰ নাটক-
সমূহত অভিনয় কৰিছোঁ। মই হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি নন্দিকেশ্বৰ
ছোৱালী মহাবিদ্যালয়ত কলেজীয়া জীৱন আৰম্ভ কৰোঁ। মই কলেজ সপ্তাহ
সমাৰোহত নাটকত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠা অভিনেত্ৰী হওঁ। তাৰ পৰা ক্ৰমা-
ন্বয়ে মই মঞ্চত অভিনয় কৰি কথাছবিত অভিনয় কৰোঁ। মোৰ প্ৰথম
অভিনয় কৰা নাটক আছিল আৰতি দাস বৈৰাগীৰ "হে স্বৰ্গ বিদায় ." মই
এই নাটকখন কৰি বৰ আনন্দিত হৈছিলোঁ। এই ক্ষেত্ৰত মোৰ অনুপ্ৰেৰণাৰ
প্ৰথম উৎস হ'ল দৰ্শক-পৰিচালকসকল, তাৰ উপৰি মোৰ পৰিয়ালৰ মানুহখিনি '

২য় প্ৰশ্নঃ—মঞ্চৰ পৰা চলচ্চিত্ৰলৈ আহোঁতে অভিনয়ৰ ক্ষেত্ৰত আপুনি কি সুবিধা আৰু অসু-
বিধাৰ সন্মুখীন হৈছিল ? আপোনাৰ মতে মঞ্চাভিনয় আৰু চলচ্চিত্ৰাভিনয়ৰ
প্ৰধান প্ৰাৰ্থক্য কি ?

উত্তৰঃ— মঞ্চৰ পৰা চলচ্চিত্ৰলৈ আহোঁতে অভিনয়ৰ ক্ষেত্ৰত মোৰ কোনো অসুবিধা হোৱা



নাই। বৰঞ্চ মোৰ সুবিধাহে হৈছিল। কিয়নো মই আগৰে পৰা অভিনয়
কৰি কৰি সম্পূৰ্ণ বুজি পাইছিলোঁ। অৱশ্যে প্ৰথমে কেমেৰাৰ সন্মুখত
অকণমান অসুবিধা হৈছিল। মোৰ মতে মঞ্চাভিনয় আৰু চলচ্চিত্ৰৰ মাজত
পাৰ্থক্য আছে। মঞ্চৰ দ্বাৰা আমি দৰ্শকৰ লগত পোনপটীয়াকৈ যোগসূত্ৰ
স্থাপন কৰিব পাৰোঁ। চলচ্চিত্ৰৰ দ্বাৰা আমি দৰ্শকক প্ৰত্যক্ষ ভাৱে নাপাওঁ।
মোৰ মতে দুয়োটা মাধ্যম সম্পূৰ্ণকৈ জনা উচিত। মঞ্চত নিজৰ সচেতনতা
বেছি। চলচ্চিত্ৰসমূহ ভুল হ'লে শুদ্ধৰাব পাৰি। মঞ্চাভিনয়ত দৰ্শকসকলৰ
পৰা ভুল পোনপটীয়াকৈ বুজিব পৰা যায়। তাত দৰ্শকসকলৰ সহায়-সহানু-
ভূতি পোৱা যায়। এই দুয়োটাৰে পাৰ্থক্য কবলৈ গ'লে বহুত বহল হ'ব।
ক'বলৈ গ'লে এই দুয়োটাৰ মাজত পাৰ্থক্য থাকিলেও দুয়োটা মাধ্যমকে ভালকৈ
জানিব পাৰিলে আমি আগুৱাই যাব পাৰিম।

৩য় প্ৰশ্নঃ—ভাৰতৰ ১৯৯২ চনৰ শ্ৰেষ্ঠা চলচ্চিত্ৰ অভিনেত্ৰী হোৱাত আপোনাৰ প্ৰতিক্ৰিয়া
কেনে ধৰণৰ ?

উত্তৰঃ— মই ১৯৯২ চনৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান পাই বৰ সুখী। আৰু আগলৈকো
যাতে মই আৰু ভাল কৰিব পাৰোঁ তাৰ কাৰণে সকলোৰে সহায় বিচাৰিছোঁ।

৪ৰ্থ প্ৰশ্নঃ—ড° ভবেন শইকীয়া আৰু জাহ্নু বৰুৱা দুয়োৰে ছবিত আপুনি অভিনয় কৰিছে।
পৰিচালনাৰ ক্ষেত্ৰত দুইজনৰ কিবা পাৰ্থক্য আপুনি ধৰিব পাৰেনে ?
চলচ্চিত্ৰ মাধ্যমৰ প্ৰতি এই দুজনৰ মনোভংগী কেনে ধৰণৰ ?

উত্তৰ— এই প্ৰশ্নৰ উত্তৰ মই দিব নোৱাৰিম।
মই দুয়োৰে ছবিত অভিনয় কৰিছোঁ। মই দুয়োকে শ্ৰদ্ধা আৰু ভক্তি কৰোঁ। অৱশ্যে
কাৰণ মই দুয়োকে সমান চকুৰে চাওঁ আৰু মই ড° ভবেন শইকীয়াৰ "অগ্নিস্নান"
তেওঁলোকৰ মই গুণ কেইটা কব পাৰোঁ। মই ড° ভবেন শইকীয়াৰ "অগ্নিস্নান"
আৰু জাহ্নু বৰুৱাৰ "ফিৰিঙতি", "টিংখং"ত অভিনয় কৰিছোঁ। মই তেওঁ-
লোকৰ গুণ আহৰণ কৰিলে মোৰ সুবিধা হয় আৰু মই তাকেই চেষ্টা
কৰিছোঁ। ড° ভবেন শইকীয়াৰ এটা গুণ তেওঁ Discipline ৰ মাজেদি চলে।
তেওঁৰ আটাইবোৰ সুপৰিকল্পিত (Planned)। Artist, Shooting, Sound
আদিৰ পৰিচালনা মন কৰিবলগীয়া। Artist এ তাত কোনো অসুবিধা নাপায়।
তেওঁৰ Shooting, Direction সুন্দৰ। তেওঁৰ এইটো এটা ডাঙৰ গুণ। জাহ্নু
বৰুৱাৰো Shooting ৰ আঁৰত কিছুমান গুণ আছে, যিবিলাক Artist এ জনা
দৰকাৰ। তেওঁ কিছুমান ক্ষেত্ৰত পৰিৱেশ সুন্দৰকৈ আয়ত্ব আৰু সৃষ্টি কৰে।
Artist সকল Free হোৱাৰ চেষ্টা কৰে। ব্যক্তিগত ভাৱে তেওঁ Artist-
সকলক পৰিৱেশ বুজাবৰ চেষ্টা কৰে। অৱসৰৰ সময়ত তেওঁ সুন্দৰকৈ অভি-
জ্ঞতা আদিৰ কথা কয় আৰু সকলোকে বুজাবৰ চেষ্টা কৰে, আমি সকলোৱে
তাক অনুকৰণ কৰিলে লাভবান হ'ব পাৰিম।

৫ম প্ৰশ্নঃ— সুস্থ চলচ্চিত্ৰ সম্পৰ্কে আপোনাৰ মনোভংগী কেনে ধৰণৰ ? অসমত এনে চলচ্চিত্ৰৰ নিৰ্মাণ আৰু প্ৰসাৰত প্ৰধান বাধা কি ?

উত্তৰঃ— সুস্থ চলচ্চিত্ৰ বুলি ক'লে দুটা দিশত চকু পৰে। এটা ব্যৱসায়িক আৰু আনটো কলা। আজি-কালি Art ছবিবিলাক বহুতেই ভাল বুলি কয়, কিন্তু মই সুস্থ চলচ্চিত্ৰ বুলি নকওঁ। সুস্থ চলচ্চিত্ৰত এটা মেচেইজ (Message) থকা দৰকাৰ। কিয়নো তেতিয়াহে সমাজৰ অন্ধবিশ্বাস, কু-প্ৰথা ইত্যাদি বিলাক আঁতৰ কৰিব পৰা যাব। মই ব্যৱসায়ৰ নামত যিবোৰ ছবি চলিছে তাক সমৰ্থন নকৰোঁ ! মুঠতে য'ত আমাৰ সমাজখনৰ কথা, আমাৰেই কথা কৈছে তাত কিছু আনন্দ পোৱা যায় আৰু য'ত আমি কিছু কথা ভাল পাব পাৰোঁ। সেয়াই সুস্থ চলচ্চিত্ৰ।

৬ষ্ঠ প্ৰশ্নঃ— অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ বক্তব্য কি ?

উত্তৰঃ— অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যত সম্পৰ্কে মই ক'ব পাৰোঁ যে এই চলচ্চিত্ৰ বৰ্ত্তমান অনিশ্চয়তাৰ পথত। কিয়নো আজি-কালি সকলো মানুহেই অসমীয়া ছবি নাচায়। তেওঁলোকে হিন্দী ছবিহে চাই ভাল পায়। তাৰ উপৰি আমাৰ অসমীয়া ছবিসমূহ নাইকিয়া হৈ আহিছে। প্ৰত্যেক মানুহেই আশাবাদী। সকলো মানুহৰে taste নিশ্চয় change হ'ব। চলচ্চিত্ৰ উদ্যোগে যিমান কৰিব লাগিছিল তাক কৰিব পৰা নাই। বৰ্ত্তমান চৰকাৰে চলচ্চিত্ৰ নীতি ঘোষণা কৰিছিল যদিও তাক আজিলৈকে পূৰণ কৰিব পৰা নাই। অসমীয়া ছবিসমূহ ছবিঘৰত এসপ্তাহ চলাৰ পাছত বন্ধ হৈ যায়। তাক বহুতেই গম্ নাপায়। তাৰ ফলস্বৰূপে অসমীয়া চলচ্চিত্ৰ একেবাৰে নাইকিয়া হৈ গৈছে। যদি সকলোৰে পৰা আগ্ৰহ, সহায়-সহানুভূতি পায়, তেনেহলে আকৌ অসমীয়া ছবিয়ে প্ৰাণ পাই উঠিব। কিন্তু অসমীয়া ছবিৰ ভবিষ্যত আন্ধাৰৰ মাজত আৱদ্ধ।

৭ম প্ৰশ্নঃ— নাৰীবাদ সম্পৰ্কে আপোনাৰ কোনো মতামত আছে নেকি ? আমাৰ সমাজৰ পুৰুষ প্ৰাধান্যৰ ফলত আপুনি অভিনয় জগতত কোনো অসুবিধা ভোগ কৰিব লগা হৈছে নেকি ?

উত্তৰঃ— তোমালোকে জানা যে বুৰঞ্জী আৰু ইতিহাসে চিঞৰি আহিছে নাৰীক উচ্চ আসন দিব লাগে। কিন্তু আজিলৈকে সেইটো হোৱা নাই। শোষণ, নিপীড়ন নাৰীৰ ওপৰত চলি আছে। বৰ্ত্তমান বহুতো নাৰীয়ে ইয়াৰ মুক্তি বিচাৰি আন্দোলন কৰিছে, আমিও কৰি আছোঁ। কিয়নো আজি পুৰুষে যি কৰিছে মহিলাইও তাকে কৰিব পাৰিছে। আজি অকল আমাৰ ভাৰত বুলিয়েই নহয়, ইয়াৰ বাহিৰৰ দেশ বিলাকেও ইয়াৰ মুক্তি বিচাৰি আছে। যাতে নাৰীৰ ওপৰত হোৱা শোষণ, নিপীড়ন বন্ধ হৈ যায়। আমাৰ সমাজৰ পুৰুষ প্ৰাধান্যৰ পৰা মই অভিনয় জগতত কোনো অসুবিধা পোৱা নাই। বৰঞ্চ মই মোৰ স্বামী আৰু সকলো লোকৰ পৰা উৎসাহ আৰু সহায়হে পাইছোঁ। ০ ০ ০





মামণি গগৈ
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ।



বন্তি বৰদলৈ।
বছৰৰ শ্ৰেষ্ঠা গায়িকা।



মমতাজ বেগম
স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰধান বিষয়সমূহত সৰ্বোচ্চ স্থান পাই ৺দুৰ্গাৰাম গায়ন বঁটা লাভ কৰিছে।



প্ৰীতি ভৰালী
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী।



ৰবী শৰ্মা
বাৰ্ষিক পৰীক্ষাত (উঃ মাঃ) সৰ্বোচ্চ নম্বৰ পাই ৺কুন্তলা হাজৰিকা সোঁৱৰণী বঁটা লাভ কৰিছে।

## ছাত্ৰী একতা সভাৰ

# সম্পাদিকাসকলৰ প্ৰতিবেদনসমূহ ঃ

১৯৯১-৯২

## ॥ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ॥

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ত্তত জাতিৰ শ্বহীদসকলৰ প্ৰতি অশ্ৰু-অঞ্জলি যাচিলোঁ ।

—হে শ্বহীদ তোমাক সহস্ৰ প্ৰণাম ।

মধ্য অসমৰ ছাত্ৰীৰ উচ্চ শিক্ষাৰ এক অন্যতম পুণ্য শিক্ষানুষ্ঠান "নগাঁও ছোৱালী মহাবিদ্যালয় ।" এই মহান অনুষ্ঠানটিৰ সাধাৰণ সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদবীলৈ যিসকলৰ আশিস্ লৈ ১৮ ডিচেম্বৰ '৯১ত নিৰ্বাচিত হ'লো সেই সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

যিদিনাৰ পৰা সাধাৰণ সম্পাদিকাৰ দায়িত্ব মূৰ পাতি লৈছিলোঁ। সেইদিনাৰ পৰা মই মোৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি সদা-সচেতন আছিলোঁ বুলি কব পাৰোঁ। মোৰ কাৰ্য্যকালত মই মোৰ দায়িত্ব বা কৰ্ত্তব্যৰ দায়ত পৰি কি কি কৰিলোঁ সেয়া সকলোৰে জ্ঞাত। সেয়ে মোৰ কাৰ্য্যকালত কি কি

কৰিব নোৱাৰিলোঁ। সেয়াও ছাত্ৰীসকলৰ অজ্ঞাত নহয়। সেয়ে আজি প্ৰতিবেদনত সেইবোৰ পুনৰ দোহাৰিব খোজা নাই। মহাবিদ্যালয়খনিৰ সৰ্বাংগীণ উন্নতিৰ উদ্দেশ্য আগত ৰাখি মই সাধাৰণ সম্পাদিকাৰ দায়িত্ব লৈছিলোঁ আৰু মহাবিদ্যালয়খনিৰ সৰ্বাংগীণ উন্নতিৰ বাবে মই মোৰ কৰ্ত্তব্যত অলপো হেলা কৰা নাছিলোঁ।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ ওপৰত মই নকওঁ বুলি ভাবিও কবলৈ গৈছোঁ মহাবিদ্যালয়ত পাঠদান কৰা শ্ৰেণীকেইটাৰ বিষয়ে। মুকলিকৈ কবলৈ বেয়া লগা যদিও বাঁহৰ বেৰত, টিনপাতৰ চালিত পাঠ দান কৰাটো আজিৰ যুগত নিশ্চয় শিক্ষাৰ পৰিবেশ ম্লান কৰা অঙ্গ বুলিব পাৰি। ইয়াৰ বাবে দায়ী দলীয় ৰাজনীতিত মত্ত চৰকাৰ। মোৰ কাৰ্য্যকালত ইয়াৰ বাবে চেষ্টা নকৰা নহয়।

মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্য্যসূচীত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সহায়-সহযোগিতাৰ কথা মই পাহৰিব নোৱাৰিম। বিভিন্ন কাৰ্য্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা প্ৰমুখ্যে অধ্যক্ষ মহোদয়ৰ আন্তৰিক শুভেচ্ছা আৰু পৰামৰ্শৰ বাবে মই চিৰকৃতজ্ঞ।

সদৌ শেষত, নবাগত ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ মোৰ অভিনন্দন জনালোঁ। লগতে আমাৰ কাৰ্য্যকালত কৰিব নোৱাৰা কামবোৰ তেওঁলোকে কৰিব বুলি আশা কৰিলো।

॥ জয়তু নগাঁও হোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা।

॥ জয় আই অসম ॥

**শ্ৰীগীতামনি বৰা,**
সাঃ সম্পাদিকা, ছাঃ এঃ সঃ



# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ

১৯৯১-৯২ চনৰ শিক্ষাবৰ্ষৰ বাবে ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকা মনোনীত কৰি যিসকলে মোক অনুষ্ঠানটিলৈ কিঞ্চিৎ সেৱা আগবঢ়াবৰ বাবে সুযোগ দিলে সেইসকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকাৰ ভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ কলেজত প্ৰতি বছৰে পালন কৰি অহাৰ দৰে এই বছৰো ৭।১।৯২ ইং তাৰিখৰ পৰা ১০।১।৯২ ইং তাৰিখলৈকে চাৰি দিনীয়া কাৰ্য্যসূচীৰে "কলেজ সপ্তাহ সমাৰোহ" উদযাপন কৰা হয়। এই সমাৰোহত সাংস্কৃতিক বিষয়ৰ বিভিন্ন প্ৰতিযোগিতা পাতিবলৈ সুবিধা পাওঁ। সমাৰোহৰ প্ৰথম দিনাই এখনি প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে আমাৰ কলেজৰ উপধ্যক্ষা শ্ৰীযুতা তৰু বৰুৱা মহোদয়াই। তদুপৰি আবৃত্তি, আকস্মিক বক্তৃতা আদিৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। এইখিনিতে ইটি কথা অতি দুখেৰে কব বিচাৰোঁ যে প্ৰতিযোগিতাসমূহত আশানুৰূপ সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰা নাছিল। ভবিষ্যতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ছাত্ৰীসকলে ব্যক্তিগত আৰু কলেজৰ সাংস্কৃতিক দিশৰ প্ৰতি দৃষ্টি ৰাখি নিজৰ সাংস্কৃতিক মনৰ পৰিচয় দিব বুলি আশা কৰিলোঁ। সমাৰোহৰ শেষৰ দিনা মুকলি সভাত বিজয়ী প্ৰতিযোগীসকলক উৎসাহ-উদ্দীপনা যোগাই সভাৰ বিশিষ্ট বক্তা শ্ৰীযুতা ৰেণু মহন্তই দু-আষাৰ কয় আৰু বিজয়ীসকলক একোটিকে বঁটা প্ৰদান কৰে।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত আন বছৰৰ দৰে এই বছৰো ৪ ফেব্ৰুৱাৰী ১৯৯২ ইং তাৰিখে শ্ৰীশ্ৰী সৰস্বতী মাতৃৰ পূজা পতা হয়।

১৭ আগষ্ট ১৯৯২ ইং তাৰিখে শ্ৰীশ্ৰী-মাধৱদেৱৰ তিথি বিভিন্ন কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়।

শ্ৰীশ্ৰী মাধৱদেৱৰ তিথিৰ পিছতেই ২৯ আগষ্ট ইং ১৯৯২ তাৰিখে মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ তিথিভাগ এদিনীয়া কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। ইয়াত শংকৰদেৱৰ বিষয়ে এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু শংকৰদেৱ বিৰচিত বৰগীত প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। ইয়াত বিভিন্ন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে।

এই কালছোৱাত মোক মাননীয় অধ্যাপক শ্ৰীযুত তিলক মজুমদাৰদেৱে আৰু তত্বাৱধায়ক অধ্যাপক মহম্মদ ফাইজুৰ ৰহমান চাৰে দিহা-পৰামৰ্শৰে সহায় কৰাৰ বাবে তেখেতসকললৈ কৃতজ্ঞতা যাচিলোঁ। ইয়াৰ উপৰিও,

বিভিন্ন কাৰ্য্যসমূহত বিশেষ ভাৱে সহায় কৰাৰ বাবে ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু ছুয়োটা ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ শলাগ লোৱাৰ উপৰিও তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লোঁ।

শেষত, মোৰ জ্ঞাত-অজ্ঞাত ভুলৰ বাবে শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

***শ্ৰীপ্ৰাবিতা দাস***
*সাংস্কৃতিক সম্পাদিকা।*

## সঙ্গীত-সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয় জয়তে যিজনা মহান পুৰুষৰ চেষ্টাত এই কন্যা মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হ'ল, সেইজনা স্বৰ্গীয় মহেশ চন্দ্ৰ দেৱ গোস্বামীদেৱলৈ মোৰ ভক্তি-অঞ্জলি নিবেদিছো।

মাতৃভূমিৰ হকে যিসকল বীৰে প্ৰাণ আহুতি দিলে সেই সকল শ্বহীদলৈও শ্ৰদ্ধা যঁাচিছো।

নগাওঁ জিলা তথা মধ্য অসমৰ অন্যতম স্ত্ৰী-শিক্ষানুষ্ঠান নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ ছাত্ৰী একতা সভাৰ সংগীত সম্পাদিকা হিচাপে মনোনীত কৰি যিসকলে মোক সেৱা আগবঢ়াবৰ বাবে সুযোগ দিলে সেইসকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী একতা সভাৰ সংগীত সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই ৭/১/৯২ তাৰিখৰ পৰা চাৰিদিনীয়া কাৰ্য্যসূচীৰে "কলেজ সপ্তাহ সমাৰোহ" আৰম্ভ কৰা হয়। এই সমাৰোহত ছুদিনীয়া কাৰ্য্যসূচীৰে সংগীতৰ বিভিন্ন বিষয় যেনে—বৰগীত, লোকগীত, ঘোষা, জ্যোতিসংগীত, ৰাভা সংগীত, পাৰ্ব্বতী প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীত, বিহুগীত, আইনাম, বিয়ানাম, সমবেত সংগীত, জিকিৰ, ভজন, গজল আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সংগীতৰ প্ৰতি যিসকল ছাত্ৰীৰ ৰাপ আছে তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাৰ অকণমান সুবিধা দিয়াৰ কাৰণেই এই প্ৰতিযোগিতাবিলাক পতা হয়। কিন্তু অন্যবাৰৰ তুলনাত এইবাৰ প্ৰতিযোগীৰ সংখ্যা বেছি হোৱাৰ বাবে তিনিদিনীয়া কৰিব লগা হ'ল। এইটো অৱশ্যে ছাত্ৰীসকলৰ বাবে বৰ সুখৰ খবৰ। ভৱিষ্যতেও যাতে এনেকৈ প্ৰতিযোগীৰ সংখ্যা বেছি হয় তাৰ বাবে কামনা কৰিলোঁ। এই প্ৰতিযোগিতাত যোগ-



দান কৰি স্নাতক দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰী শ্ৰীবন্তি বৰদলৈয়ে শ্ৰেষ্ঠা গায়িকা হিচাপে সন্মান অৰ্জন কৰে। সমাৰোহৰ শেষৰ দিনা বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু একোখন মান-পত্ৰ দিয়া হয়। এই বিজয়ী প্ৰতিযোগীসকলক লৈ এখনি বাৰেৰবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সাংস্কৃতিক অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ পৰাই যোৱা ছবছৰ একেৰাহে শ্ৰেষ্ঠা গায়িকা হিচাপে সন্মান অৰ্জন কৰা লিপিকা দাসে গীত পৰিৱেশন কৰি সকলোকে আনন্দ দিয়ে। ইয়াৰ পিছত ২৪/৯/৯২ তাৰিখে নবাগতা আদৰণি উৎসৱ পতা হয়। এই আদৰণি সভাতো এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰে পাৰদৰ্শী ছাত্ৰীসকলে বিভিন্ন গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠান সফল কৰি তোলে।

বহুদিন বিৰতিৰ পাছত ১৯৯২ চনত আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱলৈ আমি এইবাৰ এটা দল লৈ যাবলৈ সমৰ্থ হওঁ। তাত বিজয়ী হৈ আহিব নোৱাৰিলেও প্ৰতিযোগীসকলে আমাৰ কলেজৰ ছাত্ৰীলৈ প্ৰতিযোগিতাৰ আদৰ্শ ৰাখিবলৈ সক্ষম হয়।

মোৰ কাৰ্য্য কালত বিভিন্ন ধৰণেৰে সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শৰে আগবঢ়াই নিয়া তত্বাৱধায়ক দিব্যজ্যোতি মহন্ত, মঃ ফাইজুৰ ৰহমান, নিজামুদ্দিন আহমেদ, ললিত বৰবৰা, তিলক চন্দ্ৰ মজুমদাৰ, প্ৰদীপ ছুৰবা, গৌতম গোস্বামী আৰু সুৰিতা ভট্টাচাৰ্য্য বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সঙ্গীতৰ ক্ষেত্ৰত অসমৰ আগশাৰীৰ বহুতো কলেজৰ ভিতৰত নঃ ছোঃ মহাবিদ্যালয়ৰ ছাত্ৰীয়ে একেবাৰে ন্যূনতম সুবিধা পাইছে। কলেজখনত সঙ্গীতৰ বাবে যিখিনি বাদ্য-যন্ত্ৰ প্ৰয়োজন সিবোৰৰ এতিয়াও অভাৱ আছে।

শেষত মোৰ অজ্ঞাত ভুলৰ বাবে শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

"নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ সংগীতৰ উৎকৰ্ষতাৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

***শ্ৰীবুলবুল বৰদলৈ,***
***সঙ্গীত সম্পাদিকা।***

## ক্রীড়া সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতেই নগাওঁ ছোৱালী কলেজৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰী বান্ধৱীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যি সকল ছাত্ৰীয়ে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ ক্ৰীড়া সম্পাদিকা পদত মোক নিৰ্বাচিত কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

নগাঁও ছোৱালী মহাবিদ্যালয়খন এখন ঐতিহ্যমণ্ডিত শিক্ষা অনুষ্ঠান। এই শিক্ষানুষ্ঠানলৈ বিভিন্ন সময়ত বিভিন্ন গৰাকী ছাত্ৰীয়ে শিক্ষা, সংস্কৃতি, খেলা-ধূলা আদি বিভিন্ন দিশত গৌৰৱ কঢ়িয়াই আনি সন্মান অটুট ৰাখিছে। নগাঁও ছোৱালী মহাবিদ্যালয়ত খেলা-ধূলাৰ বাবে যিখিনি সা-সামগ্ৰীৰ প্ৰয়োজন সেইবোৰৰ অভাৱ দেখা যায়! তদুপৰি উপযুক্ত খেল-পথাৰ এখনৰো বৰ প্ৰয়োজন। এইবোৰ অভাৱৰ বাবেই ছাত্ৰীসকলে দক্ষতা দেখুৱাবলৈ সমৰ্থ হ'ব পৰা নাই। আমাৰ মহাবিদ্যালয়ত যিখন খেল-পথাৰ আছে সেইখন ছাত্ৰীৰ কাৰণে তেনেই অনুপযোগী। সেয়েহে অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ এখন উপযুক্ত খেল-পথাৰৰ ব্যৱস্থা কৰি ছাত্ৰীসকলক খেলাৰ সুবিধাকণ দিয়ে যেন।

আমি কাৰ্য্য ভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই কলেজ সপ্তাহ সমাৰোহ উৎসৱ অনুষ্ঠিত হয়। ছোৱালী মহাবিদ্যালয়ৰ ক্ৰীড়া সম্পাদিকাৰ গধুৰ দায়িত্ব পালন কৰাটো সঁচাকৈয়ে মোৰ বাবে সৌভাগ্যৰ কথা। ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ গধুৰ দায়িত্ব পালনত যিসকল ছাত্ৰীয়ে সক্ৰিয় সহযোগিতা, উৎসাহ আৰু পৰামৰ্শ আগবঢ়ালে সেইসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু তেখেতসকলৰ ওচৰত মই চিৰঋণী। ক্ৰীড়া ছাত্ৰীসকলৰ বাবে অপৰিহাৰ্য্য অংগ। ক্ৰীড়াই সুস্থ-সবল স্বাস্থ্য গঠনত যথেষ্ট পৰিমাণে সহায় কৰে। খেলা-ধূলাই শাৰীৰিক-মানসিক উৎকৰ্ষতা সাধনত যথেষ্ট পৰিমাণে সহায় কৰে।

কাৰ্য্য ভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই ৪-১১-৯২ তাৰিখৰ পৰা ৭-১১-৯২ তাৰিখলৈ কলেজ ক্ৰীড়া সমাৰোহ আৰম্ভ হয়। দুৰ্ভাগ্যৰ কথা যে, এই মহাবিদ্যালয়ৰ শ শ ছাত্ৰীৰ ভিতৰত মাত্ৰ ত্ৰিশ গৰাকীমান ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ খেলসমূহত আছিল এশ মিটাৰ, ২০০ মিটাৰ, ৪০০ মিটাৰ, ৮০০ মিটাৰ দৌৰ, ওজন দলিওৱা, জাঠি দলিওৱা, কাঁহি দলিওৱা, কাৱাডী, কেৰেম, বেডমিণ্টন আদি। যিসকল ছাত্ৰীয়ে বিভিন্ন ক্ৰীড়াত অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল সেইসকললৈ ছাত্ৰী একতা সভাৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰিলোঁ আৰু ভৱিষ্যতেও যাতে তেওঁলোকে বিশেষ পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰ বাবে আশা ৰাখিলোঁ। সাৰদা, ৰূপা শৰ্মা আদিয়ে মোৰ গধূৰ দায়িত্ব পালন কৰাত যথেষ্ট পৰিমাণে অনুপ্ৰেৰণা যোগাইছিল। এই দুয়োকে ধন্যবাদ জনালোঁ।

ক্ৰীড়া সম্পাদিকা হিচাপে মই মোৰ দায়িত্ব পালন কৰি আপোনালোকক কিমানখিনি আনন্দ দিব পাৰিছিলোঁ সেইয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। দায়িত্বত থকা অৱস্থাত হয়তো বহু ভুল-ক্ৰুটি হৈছিল। তাৰ বাবে আপোনাসবৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত নগাঁও ছোৱালী কলেজৰ ভৱিষ্যত উন্নতি কামনা কৰি কলেজৰ সকলো ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীবাসন্তী বৰা,**
**ক্ৰীড়া সম্পাদিকা ॥**

## সমাজ সেৱা সম্পাদিকাৰ প্ৰতিবেদন ঃ

১৯৯১-৯২ চন বছৰৰ বাবে মোক নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ অন্তৰ্গত সমাজ সেৱা বিভাগৰ সম্পাদিকা ৰূপে মনোনীত কৰাত মই আনন্দিত হৈছোঁ আৰু সেয়ে মোক এই পদত অধিষ্ঠিত কৰা সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কলেজ এখনৰ এনে গধূৰ দায়িত্ব মূৰ পাতি লৈ কি কাম কৰিলোঁ বা কি কৰিব নোৱাৰিলোঁ সেয়া ছাত্ৰীসকলৰ বিচাৰ্য্য। তথাপি মোৰ কাৰ্য্যকালত মই যি পাৰোঁ তাক আন্তৰিকতাৰে কৰিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই। কলেজৰ বিভিন্ন সঙ্গীত, সাংস্কৃতিক আদি অনুষ্ঠানত একতা সভাৰ ছাত্ৰী-বান্ধৱী সকলৰ লগত সেৱামূলক কামত আত্ম-নিয়োগ কৰি কলেজৰ উন্নতি আৰু সুনাম কঢ়িয়াই আনিবলৈ যত্নপৰ হৈছিলোঁ।

বিভিন্ন বিষয়ত মোক দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধেয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু একতা সভাৰ ছাত্ৰীসকললৈ কৃতজ্ঞতা আগবঢ়াই নগাঁও ছোৱালী কলেজৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীনমিতা মেধি,**
**সমাজ সেৱা সম্পাদিকা ॥**

## দুখীয়া সাহায্য পুঁজি সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষা সংগ্ৰামত যিসকলে আত্ম-বলিদান দি ছহীদ্ হ'ল, সেই মহান বীৰ ছহিদসকলক শ্ৰদ্ধাৰে স্মঁৰৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ১৯৯১-৯২ চনৰ দুখীয়া সাহায্য পুঁজিৰ সম্পাদিকা হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচন কৰি এই দায়িত্ব পালন কৰিবলৈ অনুপ্ৰাণিত কৰাৰ বাবে সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদিকা হিচাবে মই মোৰ কাৰ্য্যকালত কি কৰিলোঁ, কি নকৰিলোঁ সেইয়া ছাত্ৰী বান্ধৱীসকলৰ জ্ঞাত। এই শিতানৰ জৰিয়তে বছৰটোত বহুতো দুখীয়া ছাত্ৰীক আৰ্থিক ভাৱে আৰু কিতাপ-পত্ৰ দি সহায় কৰা হয়। সীমিত অৰ্থৰে সকলো দুখীয়া ছাত্ৰীক সহায় আগবঢ়োৱাটো সম্ভৱপৰ নহয়। কেইগৰাকীমান ছাত্ৰীক নাম ভৰ্ত্তিকৰণ আৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মাছুল আদি দিয়াতো আৰ্থিক ভাৱে সহায় আগবঢ়োৱা হৈছিল। দুখীয়া সাহায্য পুঁজিলৈ অনুমোদন হোৱা কিতাপখিনিৰে সমূহ ছাত্ৰীক সহায় কৰিব নোৱাৰি। সেইবাবে কিতাপ বিতৰণৰ ক্ষেত্ৰত বহু সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল।

সদৌ শেষত, মহাবিদ্যালয়ৰ অধ্যাপক আৰু অধ্যাপিকা আৰু যিসকল ছাত্ৰী বান্ধৱীয়ে মোক দায়িত্ব পালনত সহায় কৰিছিল তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ আৰু কলেজখনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।০০০

*শ্ৰীবুলুমণি দত্ত*
সম্পাদিকা, দুখীয়া সাহায্য পুঁজি ॥

## সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয় জয়তে স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া শ্বহীদসকলক মই সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

মই নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ ছাত্ৰী একতা সভাৰ সহ-সাধাৰণ সম্পাদিকা পদৰ দায়িত্ব ভাৰ ২৭-১২-৯২তাৰিখে গ্ৰহণ কৰোঁ। কাৰ্য্য ভাৰ লোৱাৰ পিছতেই 'কলেজ সপ্তাহ সমাৰোহ' আৰু সৰস্বতী পূজা অনুষ্ঠান দুটি বৰ ততাতৈয়াকৈ পাতিব লগা হয়। নতুনকৈ কাৰ্য্য নিৰ্বাহ



কৰাৰ বাবে আৰু সময় কম হোৱাৰ বাবে অনুষ্ঠান দুটি চলাই নিয়াত আমাৰ বহুতো ভুল-ত্ৰুটী হৈছিল তাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সমূহ অধ্যাপক-অধ্যপিকাসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

কলেজৰ নৱাগত আদৰণি সভাত মহাবিদ্যালয়ৰ অভাৱসমূহৰ বিষয়ে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অবগত কৰোৱা হয়। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভালৈ অসমৰ তেতিয়াৰ ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী শ্ৰীগৌতম বৰাক মহাবিদ্যালয়ৰ অভাৱসমূহৰ বিষয়ে এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। তেখেতে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ কোঠা এটি নিৰ্মাণৰ বাবে ১০ দহ হেজাৰ টকাৰ এটি অনুদান দিব বুলি ঘোষণা কৰে। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ অভাৱসমূহৰ বিষয়ে চমুকৈ আপোনালোকৰ আগত দাঙি ধৰিছোঁ আৰু অভাৱসমূহ দূৰীকৰণৰ প্ৰচেষ্টাত আপোনালোকৰ সহযোগিতা কামনা কৰিছোঁ।

মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক এটি স্থায়ী চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালোঁ।

মহাবিদ্যালয়ৰ শৌচাগাৰ আৰু প্ৰস্ৰাবাগাৰৰ অৱস্থা বৰ শোচনীয়। শৌচাগাৰ আৰু প্ৰস্ৰাবাগাৰত পানীৰ যোগান ধৰিবৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক পুনৰ অনুৰোধ জনালোঁ।

ৰাজ্যৰ 'বন মহোৎসৱ'ৰ দিনা মহাবিদ্যালয়ৰ চৌদিশে বৃক্ষ ৰোপণ কৰা হয়। বৃক্ষ ৰোপণত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰে সামাজিক বননিকৰণৰ জিলা বিষয়াগৰাকীয়ে।

শেষত মহাবিদ্যালয়ত আমাৰ এবছৰীয়া কাৰ্য্যকালত অনুষ্ঠিত হোৱা অনুষ্ঠানসমূহত অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ কৰ্মচাৰী আৰু ছাত্ৰী বান্ধৱীসকলে আমাক যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু নতুন "ছাত্ৰী-একতা সভা"ই মহাবিদ্যালয়ৰ কামসমূহ সম্পূৰ্ণ হৈ উঠাত কৰ্তৃপক্ষক সহায় আগবঢ়াব বুলি আশা কৰিলোঁ। আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

*শ্ৰীপ্ৰণতি বৰা,*
সহঃ সাধাৰণ সম্পাদিকা ॥

# ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনি মেলাৰ পূৰ্বেই জয়-জয়তে মই অসমী আইক উদ্ধাৰ কৰিবলৈ গৈ প্ৰাণ বিসৰ্জ্জন দিয়া শত-শত সেই মহান শ্বহীদসকললৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধা যাচিলোঁ।। লগতে ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু মোক ১৯৯১-৯২ চনৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ সহ ক্ৰীড়া সম্পাদিকা স্বৰূপে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।।

নগাঁও ছোৱালী মহাবিদ্যালয় এখন ঐতিহ্যমণ্ডিত অনুষ্ঠান। এনে এখন মহাবিদ্যালয়ত সহ ক্ৰীড়া সম্পাদিকাৰ গুৰু দায়িত্ব লাভ কৰাটো সঁচাকৈয়ে সৌভাগ্যৰ কথা।

মই মোৰ বছৰেকীয়া কাৰ্য্যকালত সহ ক্ৰীড়া সম্পাদিকা হিচাপে যি দায়িত্ব লৈছিলোঁ তাক কেনেদৰে পালন কৰিছিলোঁ সেয়া সমূহ ছাত্ৰীৰে বিচাৰ্য্যৰ বিষয়। কাৰ্য্যকাল আৰম্ভ হোৱাৰ পাছত খেল বিভাগত থকা অসুবিধাবোৰ দূৰ কৰাৰ কিছু চেষ্টা চলোৱা হয়। আমি দায়িত্ব লোৱাৰ পাছত মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ সমাৰোহ" পতা হয়। এই সমাৰোহত বিভিন্ন খেলৰ প্ৰতিযোগিতা সমূহত মই নিজেও অংশ গ্ৰহণ কৰি চাৰিটা পুৰস্কাৰ অৰ্জন কৰিছোঁ। লগতে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি যি সকল প্ৰতিযোগীয়ে সন্মান অৰ্জন কৰিছে তেওঁলোকলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।। আৰু যিসকল প্ৰতিযোগীয়ে কোনো পুৰস্কাৰ লাভ কৰিব পৰা নাই তেখেত সকলে চেষ্টা অব্যাহত ৰাখি ভৱিষ্যতে কৃতকাৰ্য্যতা অৰ্জন কৰিব বুলি আশা ৰাখিলোঁ।।

শেষত অধ্যক্ষ মহোদয় প্ৰমুখ্যে যিসকল শিক্ষা গুৰুৱে মোৰ এই বছৰেকীয়া কাৰ্য্যকালত দিহা-পৰামৰ্শৰে নানান দিশৰ সহায় আগবঢ়ালে, লগতে-ছাত্ৰী আৰু কলেজ কৰ্মচাৰী সকলেও আগবঢ়োৱা আন্তৰিক সহায়ৰ বাবে মই চিৰদিন কৃতজ্ঞ হৈ ৰ'ম।

*শ্ৰীমামনি গগৈ,*
*সহ সম্পাদিকা, ক্ৰীড়া বিভাগ॥*

নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰাৰ দ্বাৰা
প্ৰকাশিত। ছপা : সুছন্দা প্ৰেছ, বীৰেণ মহন্ত পথ : নগাঁও-৭৮২০০১